● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক
# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

চকুক ফাকি দিয়াটো সহজ, হৃদয়ক ফাকি দিয়াটোহে কঠিন।

অল পাচিন'
*হলিউডৰ অভিনেতা*



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৮তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ১৭ কাতি ১৪২৮ ভাস্কৰাব্দ ৪ নৱেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 4 November 2021 মূল্য ঃ ৯.০০ টকা

■ ৬,৮০০ মিলিগ্ৰামলৈ অস্বাভাৱিক মাত্ৰাত বৃদ্ধি পাইছে বোকাৰ পৰিমাণ ■ অক্সিজেনৰ মাত্ৰা হ্ৰাস ■ চীনলৈ সন্দেহৰ আঙুলি ■ শোণিতপুৰতো প্ৰতিক্ৰিয়া

# অস্তিত্বৰ সংকটত জীয়াভৰলী



■ অৰূপ কলিতা
**তেজপুৰ, ৩ নৱেম্বৰ ঃ** গিৰিৰাজ হিমালয়ৰ পৰা প্ৰতিবেশী চীনক অতিক্ৰম কৰি অৰুণাচল প্ৰদেশ হৈ বৈ অহা জীয়াভৰলী নৈ সম্প্ৰতি গুৰুতৰভাৱে ৰোগাক্ৰান্ত। পাহাৰীয়া ৰাজ্যখনত পূৱ কামেংৰূপে পৰিচিত নৈখন শোণিতপুৰ হৈ তেজপুৰৰ ভোমোৰাগুৰিত ব্ৰহ্মপুত্ৰত বিলীন *১০ পৃষ্ঠাত চাওক*



*ব্ৰহ্মপুত্ৰ দীপোৎসৱ উপলক্ষে নৃত্যানুষ্ঠান, মহানগৰীত বুধবাৰে সন্ধিয়া।*

## পেট্ৰ'লত পাঁচ, ডিজেলত ১০ টকা আবকাৰী শুল্ক হ্ৰাস কৰি চমক কেন্দ্ৰৰ

**অসম চৰকাৰেও হ্ৰাস কৰিলে সাত টকাকৈ**

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ৩ নৱেম্বৰ ঃ** দেশজুৰি পেট্ৰ'ল-ডিজেলৰ বৰ্ধিত মূল্যই জনসাধাৰণক জ্বলা-কলা কৰাৰ সময়তে সামান্য পৰিমাণে হ্ৰাস পাব ইন্ধনৰ মূল্য। *১০ পৃষ্ঠাত চাওক*



**অসম চুক্তি-আইএমডিটিৰ খচৰা প্ৰস্তুতকৰ্তা ■ বিভিন্নজনৰ শোক**

## বিশিষ্ট আইনজ্ঞ-ৰাজনীতিক আব্দুল মুহিব মজুমদাৰৰ দেহাৱসান

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ নৱেম্বৰ ঃ** দেশৰ এগৰাকী বিশিষ্ট আইনজ্ঞ আৰু ৰাজনীতিক আব্দুল মুহিব মজুমদাৰৰ দীৰ্ঘদিনৰ অসুস্থতাৰ অন্তত আজি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল (জিএমচিএইছ)ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৯ বছৰ। হাইলাকান্দিত জন্মলাভ কৰা মজুমদাৰ কৰ্মসূত্ৰে বাসিন্দা হৈছিল দিছপুৰৰ। যশস্যাৰ লগতে বিতৰ্কয়ো ঘেৰি থকা মজুমদাৰ আছিল দেশৰ আইনৰ জগতখনৰ এটা উজ্জ্বল নাম। তেৱেঁই খচৰা প্ৰস্তুত কৰিছিল বহু বিতৰ্কিত আইএমডিটি আইনৰ। অসমৰ ৰাজনীতিত এই আইনখনে দীৰ্ঘদিন *১০ পৃষ্ঠাত চাওক*






**কে'বাজনকো পূৰ্বৰ পদতে বাহাল ৰাখিলে**


## বিধায়ক-প্ৰাক্তন বিধায়কসহ ৩৬জনক নিকায়-নিগমত সংস্থাপন দিলে মুখ্যমন্ত্ৰীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ নৱেম্বৰ ঃ** অসম চৰকাৰে আজি দলীয় একাংশ নেতা-কৰ্মীক সংস্থাপিত কৰাৰ অংশৰূপে বিভিন্ন উন্নয়ন প্ৰাধিকৰণ, নিগম, প্ৰতিষ্ঠান আদিত অধ্যক্ষ, উপাধ্যক্ষ আদি পদত নিযুক্তি দিয়ে। মুঠ ৩৬ জনক আজি এই পদত নিযুক্তি দিয়া হয়। তাৰে সৰ্বাধিক ৩২ জনক অধ্যক্ষ, দুজনক উপাধ্যক্ষ, এজনক সদস্য সচিব আৰু এজনক উপ-পৰামৰ্শদাতা পদত নিযুক্তি দিয়া হৈছে। চৰকাৰৰ তিনিওটা মিত্ৰদলৰ পৰা বাছনি কৰা *১০ পৃষ্ঠাত চাওক*

## বৰপেটাৰ সংগীত নাটক অকাডেমী বঁটা প্ৰাপক জগন্নাথ বায়ন আৰু নাই

**■ সত্ৰৰ মুখ্য বায়ন, সত্ৰভূষণ উপাধিৰে সন্মানিত হৈছিল**

বিশেষ সংবাদদাতা
**বৰপেটা, ৩ নৱেম্বৰ ঃ** বৰপেটা সত্ৰৰ মুখ্য বায়ন, সংগীত নাটক অকাডেমী বঁটা প্ৰাপক, সত্ৰভূষণ উপাধিৰে সন্মানিত বৰপেটা সত্ৰৰ *১০ পৃষ্ঠাত চাওক*



## খানাপাৰাত উদ্ধাৰ হোৱা দুই ভৰি কাৰ পাঁচ দিনেও শুংসূত্ৰ নাপালে আৰক্ষীয়ে




| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২০° |
| ডিব্ৰুগড় | ৩১° | ১৮° |
| দিল্লী | ২৮° | ১৯° |
| কলকাতা | ৩১° | ২২° |
| মুম্বাই | ৩৫° | ২৭° |
| চেন্নাই | ২৯° | ২৫° |
| বাংগালুৰু | ২৬° | ২০° |
| শ্বিলং | ২১° | ৯° |

*৩ নৱেম্বৰ, ২০২১*

**বিকল চিচি টিভিত নাপালে ফুটেজ**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ নৱেম্বৰ ঃ** এটাৰ পাছত আন এটা হত্যাকাণ্ডই জোকাৰি যোৱা গুৱাহাটী মহানগৰীৰ খানাপাৰাত যোৱা ৩০ অক্টোবৰত উদ্ধাৰ হোৱা দুখনকৈ ভৰি প্ৰকৃততে কাৰ, ঘাতকে কাক নৃশংসভাৱে হত্যা কৰি এইদৰে দুভৰি পেলাই গৈছিল তাৰ শুংসূত্ৰ আজি পৰ্যন্ত *১০ পৃষ্ঠাত চাওক*

**চেঙা তেল**



*দাম দেখোন ১০ টকাকৈ কমাই দিলেই, এতিয়া সৌফালে মালা পিন্ধাওক গৈ!*

## কিডনী বিক্ৰীৰ মূল অভিযুক্ত প্লাৱনক ছদিনৰ আৰক্ষী জিম্মালৈ

বহু গুৰুত্বপূৰ্ণ তথ্য উদ্ধাৰৰ সম্ভাৱনা

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ৩ নৱেম্বৰ ঃ** ৰাজ্যত জোকাৰণিৰ সৃষ্টি কৰা মৰিগাঁও জিলাৰ দক্ষিণ ধৰমতুলৰ বৃক্ক বিক্ৰী ঘটনাৰ মূল অভিযুক্ত প্লাৱন বৰঠাকুৰক *১০ পৃষ্ঠাত চাওক*






# দৈনিক অগ্ৰদূত

গুৱাহাটী, ৪ নৱেম্বৰ, ২০২১ বৃহস্পতিবাৰ পৃষ্ঠা তিনি


## বিলাসনন্দন চ'ৰা



## ব্ৰেইন পল্যুছন

**এইবাৰ** দেৱালীত বোমা ফুটাবলৈ মানা কৰা হৈছে। কিয়নো বোমা ফুটালে ধোঁৱা ওলায়। ধোঁৱা ওলালে এয়াৰ পল্যুছন হয়। বোমাৰ শব্দত ছাউণ্ড পল্যুছন হয়। গতিকে বোমা ফুটোৱাটো বন্ধ। এই কথাটো মহাৰাজৰ একেবাৰে পছন্দ হোৱা নাই। তেওঁৰ প্ৰশ্ন—কোনে কৈছে বোমা ফুটালে এয়াৰ পল্যুছন হয়, ছাউণ্ড পল্যুছন হয়? তেওঁলোকে দেখোন বাই-ভোটত ইমানবোৰ বোমা ফুটালে, ক'তনো পল্যুছন হৈছে! প্ৰতিটো ভোটতে দেখোন বোমা ফুটাই আহিছে। কোনেওতো কোৱা নাই পল্যুছন হোৱা বুলি। প্ৰতিটো ভোটতে 'অমুক কৰা হ'ব' 'তমুক কৰা হ'ব' বুলি বোমা ফুটাই অহা হৈছে। অৱশ্যে প্ৰতিবাৰ দেৱালীতে বজাৰত নতুন নতুন বোমা ওলায়। তাৰে বেছিভাগ বোমাই চাইনীজ হয়। কিন্তু ভোটৰ বজাৰত খুব কমেইহে নতুন বোমা ফুটোৱা হয়। বেছিভাগ পুৰণি বোমাই ফুটোৱা হয়—দলং হ'ব, ৰাস্তা হ'ব, গৰিবী নাথাকিব, উন্নতিয়ে উন্নতি হ'ব। একেবোৰেই বোমা! বছৰ বছৰ ধৰি ফুটাই অহা হৈছে। দেৱালীৰ বজাৰৰ বোমাত আপুনি বহু দুই নম্বৰী পাব পাৰে। ডাঙৰকৈ শব্দ কৰি ওচৰ-চুবুৰীয়াক কম্পমান কৰি তুলিব বুলি গভীৰ আশাৰে বজাৰৰ পৰা বোমা এটা কিনি আনিব! জ্বলোৱাৰ সময়ত দেখিব এটা ফুচুটকৈ আৱাজ হ'ল, বোমাটো ছাই হৈ গ'ল। ঠিক আমাৰ নামত ওফন্দি থকা গপেন বৰাৰ লেকচাৰ বা বেচিজিল গগৈৰ আন্দোলন অথবা অনুজ্জ্বলদাৰ সকীয়নিৰ দৰে! কিন্তু আমাৰ মহাৰাজকে কওক বা দিল্লীৰ বাদশ্বাহৰ কথাকে কওক, এই ক্ষেত্ৰত তেৰাসৰ বৰ সচেতন। বোমা কেনেকৈ আৱাজ কৰি ফুটাব লাগে, সেই টেকনিক তেৰাসৰৰ ভালকৈ জনা আছে। লকডাউন, বিমুদ্ৰাকৰণ, বন্ধনৰ বান্ধোনমুক্ত কৰাৰ দৰে ডাঙৰ ডাঙৰ বোমাবোৰৰ কথা ক'বই নালাগে, ভেকচিন, ফুটব্ৰিজ, চাউলৰ দৰে সৰু সৰু বোমাবোৰো তেৰাসৰে ইমান বঢ়িয়াকৈ ফুটাব জানে নহয়, পাকিস্তানৰ তৈবা-তৌবা যিমানবোৰ আছে আটায়ে তৌবা তৌবা দেখি যাব। আনকি কোনেও কেতিয়াও ফুটাব নোৱৰা বোমাবোৰো তেৰাতাৰে ফুটাব পাৰে। ফুটক বা নুফুটক, ফুটাৰ দৰে আৱাজ উলিয়াব পাৰে। যেনে ধৰক ছাৰ্জিকেল ষ্ট্ৰাইক! বোমাটো আচলতে ফুটিছিল নে নাই কোনেও নাজানে। আৱাজটো কিন্তু বোমা ফুটাৰ দৰে যেনেই লাগিছে। মাটিৰ দালালি বন্ধ হওক বা নহওক, আৱাজ কিন্তু বোমা ফুটাৰ দৰেই ওলাইছে। সৰ দালালক যেতিয়া ৰঙাঘৰৰ ভাত খাবলৈ দিয়া হ'ল, হেন সময়ত দালালৰ চৰ্দাৰক ৰাজভোগ খাবলৈ দিয়া হ'ল। এইটো হ'ল চকৰি বোমা, যাৰ দ্বাৰা মানুহৰ চিন্তাবোৰক চকৰিৰ দৰে পাকঘূৰণি খুৱাই দি কি শুদ্ধ কি অশুদ্ধ ধৰিব নোৱাৰা কৰি পেলোৱা হয়। আমাৰ মহাৰাজে আকৌ এনেয়ে চকৰিবোৰ ফুটাই বৰ এটা ভাল নাপায়। এইবাৰ দৰকাৰতহে ফুটাব লগা হ'ল। বাদশ্বাহকো অনবৰতে আৱাজ থকা বোমা



লাগে। তেওঁ ভোটৰ সময় বুলি নহয়, এনেয়েও ৰাতি ৰাতি আঠ বজাত বোমা কিছুমান ফুটাই থাকে। অলপতে এটা ফুটালে নহয়—হাণ্ড্ৰেড ক্ৰৌড় ভেকচিন! সেই বুলি তেওঁলোকে ফুটোৱা বোমাবোৰলৈ বৰ বেছি কাণযাৰ নিদিয়ে। যেনে ধৰক, দামৰ বোমা ফুটি ফুটি বজাৰত জুই লাগি গৈছে। তথাপি বাদশ্বাহে এবাৰলৈও খবৰ লোৱা নাই কেনেকৈ বোমা ফুটি বজাৰত জুই লাগিল। বেলেগৰ বোমাৰ আৱাজ নুশুনাৰ কাৰণে মাজে মাজে তেওঁ ঠগ নোখোৱাও নহয়। বেংগলত দিদিয়ে 'খেলা হ'বে' 'খেলা হ'বে' বুলি বোমাবোৰ ফুটাই থাকিল। কিন্তু বাদশ্বাহে ভাবি থাকিল যে কেৱল তেওঁৰহে বোমা ফুটিছে, বেলেগ কাৰোৰে বোমা ফুটা নাই। পাছত গৈ ভোটৰ ৰিজাল্টৰ দিনা বাদশ্বাহৰ কাণৰ কাষতে দিদিয়ে এনে এটা বোমা ফুটাই দিলে যে আজিও তেওঁ কাণেদি ভালকৈ শুনা নাপায়। এই যে দাম-চাম বঢ়াৰ কথাবোৰ যে তেওঁৰ কাণত নোসোমায়, তাৰ অন্যতম কাৰণ হ'ল দিদিৰ সেই বোমাটো।

আমাৰ মহাৰাজে আকৌ খবৰ ল'বলৈ পঠিয়ালে যে তেৰাসৰে ভোটৰ টাইমত ফুটোৱা বোমাৰ পৰা কেতিয়াবা কিবা পল্যুছন হয় নেকি? মহাৰাজ খাটাং হৈ আছে—নেভাৰ! কেতিয়াও একো পল্যুছন নহয়! কিন্তু খবৰ ল'বলৈ যোৱাকেইজনে খবৰ-চবৰ লৈ আহি মহাৰাজক দেখোন কিবা ওলোটা খবৰ এটাহে দিলে— 'পল্যুছন হয়!'

ঃ কিহৰ পল্যুছন হয়? এয়াৰ পল্যুছন নে ছাউণ্ড পল্যুছন?

ঃ নহয় মহাৰাজ! ৰাইজৰ ব্ৰেইনৰ পল্যুছনহে হয় আপোনালোকৰ বোমাৰ পৰা।

ঃ প্ৰমাণ?

ঃ এটাই প্ৰমাণ মহাৰাজ!

ঃ কি?

ঃ কণ্টিনিউ আপোনালোক জিকি আছে!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## তামাৰহাটত গাঁওৰক্ষী বাহিনীয়ে জব্দ কৰে চোৰাং গৰু

**অগ্ৰদূত বাৰ্তা**


**শ্ৰীৰামপুৰ, ৩ নৱেম্বৰ ঃ** নিশা হ'লে ধুবুৰী জিলাৰ তামাৰহাট থানাৰ বিভিন্ন পথ, উপ-পথেৰে সৰবৰাহ হয় অবৈধ গৰু। অবৈধ গৰুৰ বেহা বন্ধ কৰিবলৈ ৰাজ্য চৰকাৰ কঠোৰ হোৱাৰ পাছতো ভ্ৰূক্ষেপ নকৰে চোৰাং গৰু বেপাৰীয়ে। নিশা হ'লে চাৰি চকীয়া বাহন বলেৰো, পিক আপ ভান, ট্ৰাক, চাৰিচকীয়া বিলাসী বাহনত গৰু সৰবৰাহ কৰি আহিছে। পূৰ্বৰ দৰে যোৱা নিশা আন্ধাৰৰ সুযোগ লৈ তামাৰহাট থানাৰ খচুৱা হৈ ধুবুৰী অভিমুখে নি থকা অৱস্থাত পাঁচটা বলধ গৰু জব্দ কৰে গাঁৱৰ গাঁওৰক্ষী বাহিনীয়ে। গাঁওৰক্ষী বাহিনীয়ে গাঁওখনত পহৰা দি থাকোতে গৰু দেখা পাই আগবাঢ়ি যোৱাত সৰু এৰি পলায়ন ছয় পৃষ্ঠাত চাওক

## শিৱসাগৰত ঔষধৰ গুদামত ফটকা মজুত ঃ বিক্ৰী প্ৰতিষ্ঠানত তলা

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ৩ নৱেম্বৰ ঃ** শিৱসাগৰ নগৰৰ মুক্তিনাথ চাৰিআলিৰ আসাম মেডিকেল ষ্ট'ৰ নামৰ প্ৰতিষ্ঠিত ফাৰ্মাচীৰ শ্যাম গাট্টানীয়ে যোৱা ১০দিন ধৰি জিলা প্ৰশাসনৰ পৰা কোনো পাইকাৰী বিক্ৰীৰ অনুমতি নোলোৱাকৈ ফাৰ্মাচীৰ দৰবৰ গুদামত ফটকা মজুত ৰাখি ৰাইজৰ জীৱনৰ লগত হেতালি খেলাৰ অভিযোগ উত্থাপন হোৱাত প্ৰশাসনে আজি গুদাম ছীল কৰে। আজি শিৱসাগৰস্থিত ঔষধ পৰিদৰ্শকে মেডিকেল ষ্ট'ৰখন পৰিদৰ্শন কৰি ষ্ট'ৰৰ স্বত্বাধিকাৰীকে ধৰি চৰকাৰী নিয়ম অনুসৰি প্ৰত্যেক মেডিকেল দোকানত উপস্থিত থাকিবলগীয়া ফাৰ্মাচিষ্টও অনুপস্থিত আছিল বুলি কয়। ইয়াৰ লগতে পৰিদৰ্শন কালত ড্ৰাগছ পৰিদৰ্শকে প্ৰতিষ্ঠানটোত মজুত ৰখা বহু দৰবৰ বিলো মজুত নোপোৱাত সমগ্ৰ ঘটনাৰ বিষয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক বিস্তৃত প্ৰতিবেদন দাখিল কৰিছে। ঔষধৰ নিচিনা অত্যাৱশ্যকীয় আৰু অতি সংবেদনশীল দ্ৰব্যক ফটকাৰ লগত একেটা গুদামতে মজুত ৰখাৰ ভয়ংকৰ ঘটনাক লৈ সমগ্ৰ শিৱসাগৰ জিলাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## সোঁতৰ বিপৰীতে



■ লক্ষ্য-উদ্দেশ্য নথকা দল বুলিও মন্তব্য প্ৰমোদ বড়োৰ ■ উপ-নিৰ্বাচনত বিজয়ী বিধায়কদ্বয়সহ ইউপিপিএলৰ নেতৃবৃন্দৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ

# সূৰ্য অস্ত গ'ল বিপিএফৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩ নৱেম্বৰ ঃ** উপ-নিৰ্বাচনৰ ফলাফলৰ পাছত বিটিআৰত বিপিএফৰ সূৰ্য অস্ত যোৱা বুলি আজি ইয়াত মন্তব্য কৰে বিটিচিৰ মুৰব্বী প্ৰমোদ বড়োই। ইউপিপিএলে প্ৰতিদ্বন্দ্বিতা কৰা তামুলপুৰ আৰু গোসাঁইগাঁৱৰ বিজয়ী প্ৰাৰ্থীদ্বয়ক লৈ আজি বড়োৱে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক দুপৰীয়া তেওঁৰ চৰকাৰী বাসভৱনত সাক্ষাৎ কৰে। এই সাক্ষাতৰ পাছতে বড়োৱে সাংবাদিকৰ আগত লগতে কয়, 'বিপিএফৰ এতিয়া আৰু কোনো নাথাকিব। য'ত তেওঁলোকৰ নেতাই আন দললৈ যাব বিচাৰিছে তাত না কৰ্মী থাকিব, না সমৰ্থক থাকিব। বিপিএফৰ পাৰিষদো নাথাকিব। হয় বিজেপিত যোগদান কৰিব, নহয় ইউপিপিএলত যোগদান কৰিব। গতিকে বিপিএফ এটা অস্তমিত সূৰ্য।'

বিপিএফ কোনো লক্ষ্য, উদ্দেশ্য নথকা দল বুলিও বড়োৱে মন্তব্য কৰে। দলটোৰ যে লক্ষ্য-উদ্দেশ্য নাই সেই কথা দলটোৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে নিজেই স্পষ্ট কৰা বুলি উল্লেখ কৰি তেওঁ কয়, 'বিপিএফ সুবিধাবাদীৰ দল বুলি হাগ্ৰামা মহিলাৰীয়ে নিজেই কৈ আহিছে। গতিকে সেইটো দলৰ মিছন-ভিজন একোৱেই নাই।' বড়োৱে লগতে কয় যে সদ্য সমাপ্ত উপ-নিৰ্বাচনত বিপিএফে বিজেপিৰ লগত তেওঁলোক থকা বুলি গোসাঁইগাঁও সমষ্টিত ভোটাৰৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিব বিচাৰিছিল; কিন্তু তাতো সফল নহ'ল। উল্লেখ্য যে তামুলপুৰত ইউপিপিএলৰ জলেন বসুমতাৰী আৰু গোসাঁইগাঁৱত জিৰণ বসুমতাৰীয়ে জয় লাভ কৰে। জলেন বসুমতাৰীয়ে সৰ্বাধিক ভোটৰ ব্যৱধানত উপ-নিৰ্বাচনত বিজয়ী হয়। দুয়োজন প্ৰাৰ্থীয়ে মুখ্যমন্ত্ৰীক সাক্ষাতৰ পাছত ছয় পৃষ্ঠাত চাওক

## পুষ্পাদেৱী জালান সোঁৱৰণী সাহিত্য বঁটা ড° বিনীতা বৰা দেৱচৌধুৰীলৈ



**গুৱাহাটী, ৩ নৱেম্বৰ ঃ** গুৱাহাটীস্থিত বিশাল প্ৰকাশনৰ পৰা প্ৰকাশিত ভাষা-সাহিত্য-সংস্কৃতিৰ পূৰ্ণাংগ আলোচনী 'মাহেকীয়া বাৰ্তাপখিলী'য়ে ২০১২ৰ পৰা ৪০ৰ উৰ্ধ্বৰ লেখিকাক সৰবৰহী মহিলা পুষ্পাদেৱী জালানৰ সোঁৱৰণত সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰি পুৰস্কৃত কৰি আহিছে। এই প্ৰতিযোগিতাত ৪০ৰ উৰ্ধ্বৰ লেখিকা এগৰাকীৰ শ্ৰেষ্ঠ প্ৰবন্ধ সংকলনখন নিৰ্বাচক মণ্ডলীৰ দ্বাৰা বাছনি কৰি 'পুষ্পাদেৱী জালান সোঁৱৰণী বঁটা' প্ৰদান কৰা হয়। 'বাৰ্তাপখিলী'ৰ ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰমি সপ্তবিংশ বৰ্ষত পদাৰ্পণ আৰু সৰবৰহী মহিলা পুষ্পাদেৱী জালানৰ দশম মৃত্যুবাৰ্ষিকী উপলক্ষে প্ৰদান কৰিব লগা ২০২১ৰ বঁটাৰ বাবে নিৰ্বাচকমণ্ডলীয়ে ২২খন গ্ৰন্থৰ পৰা ছয় পৃষ্ঠাত চাওক

## কাজিৰঙাৰ সমীপৰ চোৰাংচিকাৰীৰ গাঁৱৰ এজনৰ আত্মসমৰ্পণ

**অগ্ৰদূত বাৰ্তা**

**বোকাখাত, ৩ নৱেম্বৰ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গাতে লাগি থকা তথা চোৰাং চিকাৰীৰ বাসভূমিৰূপে পৰিচিত ধোবাআটি বেলগুৰি গাঁৱৰ এজন চোৰাংচিকাৰীয়ে আজি আত্মসমৰ্পণ কৰে। স্বেচ্ছাসেৱী সংগঠন মুককৰ ছয় পৃষ্ঠাত চাওক

## ডিগবৈৰ চৰাইপুং বনাঞ্চলত তেল চোৰলৈ গুলিবৰ্ষণ

■ ৮০ লিটাৰ চুৰি কনডেন্সসহ চাৰিখনকৈ মটৰ চাইকেল জব্দ

**অগ্ৰদূত বাৰ্তা**

**মাৰ্ঘেৰিটা/দুলীয়াজান, ৩ নৱেম্বৰ ঃ** উজনি অসমৰ তৈলক্ষেত্ৰসমূহৰ নিকটৱৰ্তী অঞ্চলসমূহ সম্প্ৰতি চোৰাং তেলৰ বেহালৈ পৰিণত হোৱাৰ ঘটনা সাধাৰণ হৈ পৰিছে। উল্লেখ্য যে তিনিচুকীয়া জিলাৰ বিশেষকৈ ডিগবৈ, মাৰ্ঘেৰিটাৰ লগতে ডিব্ৰুগড় জিলাৰ ভিন্ন প্ৰান্তত চোৰাং তেলৰ এখন বৃহৎ বজাৰ আছে। এটা চক্ৰই এই চোৰাং বেহাৰ জৰিয়তে সময়ে সময়ে বিভিন্ন দুষ্কাৰ্য সংঘটিত কৰি আহিছে। ইয়াৰ মাজতে আজি পুৱতি নিশা ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ চৰাইপুং বনাঞ্চলত আৰক্ষীয়ে ছয় পৃষ্ঠাত চাওক






### এমুঠি অন্নৰ বাবে সংগ্ৰাম অশীতিপৰ শিল্পীৰ

## প্ৰবীণ শিল্পী লক্ষীধৰ শৰ্মাই আজিও নাপালে শিল্পী পেঞ্চন



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩ নৱেম্বৰ ঃ** এসময়ত মঞ্চত দপদপাই থকা প্ৰবীণ শিল্পী লক্ষীধৰ শৰ্মাৰ চকুত এতিয়া চকুপানী। সুদীৰ্ঘ ২২ বছৰ যাত্ৰাপাৰ্টিৰ পৰা ভ্ৰাম্যমাণ থিয়েটাৰৰ নাট্য ক্ষেত্ৰখনত দপদপাই থকা নলবাৰী জিলাৰ ধৰ্মপুৰ সমষ্টিৰ মোহখলি গাঁৱৰ ৮০ বছৰীয়া শিল্পী শৰ্মাৰ জীৱন গাথা শুনিলে ক্ষণিকৰ বাবে হ'লেও চকু সেমেকি উঠিব। ভগ্ন উৰুখা পঁজাত এসাঁজ খাই এসাঁজ নোখোৱাকৈ কোনোমতে জীয়াই থকাৰ সংগ্ৰামত ব্ৰতী শিল্পীজনৰ ওপৰত আজিকোপতি চৰকাৰৰ সুদৃষ্টি নপৰিল। শিল্পী পেঞ্চনৰ বাবে বাৰে বাৰে আবেদন কৰি ভাগৰি পৰা শৰ্মাৰ পৰিয়ালে লাভ কৰিবলৈ সক্ষম হোৱা নাই চৰকাৰী অৰুণোদয় আঁচনি কিম্বা এটা চৰকাৰী আৱাসগৃহ। ওৰেটো জীৱন শিল্পীৰ পৃথিৱীখনত কটাই এতিয়া ভাগৰি পৰা, জীৱন ৰথৰ চকৰি যেন একপ্ৰকাৰ স্তব্ধ হৈ পৰিছে। অসহায়-দাৰিদ্ৰতাত পৰি চৌদিশে ধুঁৱলি কুঁৱলি দেখা শিল্পী শৰ্মাৰ জীৱন এতিয়া কাৰুণ্যৰে ভৰা। তেওঁৰ কৰুণ জীৱন গাথা চকু দিবলৈ আহৰি নাই ৰজা ঘৰ-প্ৰজা ঘৰ সকলোৰে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ প্ৰয়াত মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মনৰ ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত
গুৱাহাটী, ৪ নৱেম্বৰ বৃহস্পতিবাৰ, ২০২১ পৃষ্ঠা ৫

# ডিব্ৰুগড়! ডিব্ৰুগড়!



**দুই ১৮৭০ৰ** ছেপ্তেম্বৰৰ কোনোবা এটা দিন আছিল সেয়া।

এ আৰ টি কোম্পানী নামৰ ব্ৰিটিছ ব্যৱসায়িক কোম্পানীটোৰ আমন্ত্ৰণক্ৰমে চিভিল ছাৰ্জন হিচাপে অসমলৈ আগমন ঘটা ডাঃ জন বেৰী হোৱাইটে ডাঃ গিৰিণ ফুকনৰ স'তে একেলগে আহি ডিব্ৰুগড় চহৰৰ কাষৰীয়া নগাঘুলি ষ্টীমাৰ ঘাটত ভৰি দিয়া সেই মুহূৰ্তটোৱেই যেন অসমলৈ লৈ আহিছিল এক সৌভাগ্যৰ বতৰা। ভাৰতবৰ্ষৰ এই অৱহেলিত চুকটোত উন্মোচন হৈছিল স্বাস্থ্য-শিক্ষাৰ দ্বাৰ ঃ উন্মোচন হৈছিল এক নতুন দিগন্ত। কোম্পানীৰ সহযোগত মাত্ৰ কেইমাহ মান পাছৰ পৰাই আৰম্ভ হৈছিল স্বাস্থ্য-শিক্ষাৰ অনুষ্ঠান, যি পাছলৈ বিখ্যাত হৈছিল ডাঃ বেৰী হোৱাইট মেডিকেল স্কুল হিচাপে। অসমৰ আধুনিক ইতিহাসৰ এক দীৰ্ঘ যাত্ৰাৰ আৰম্ভণি আছিল এই বগা কোটচোলা আৰু ৰঙচুৰা টুপী পিন্ধি ভালপোৱা এই ৰঙা-বগা চাহাবজনে আহি অসমভূমিত পদাৰ্পণ কৰাৰ মুহূৰ্ত।




## বিশ্বজিৎ বৰুৱা

এইখিনিতে এ আৰ টি কোম্পানীৰ বিষয়েও কিছু কথা জনাই নথ'লে অকৃতজ্ঞতাৰ দোষে চুব। এ আৰ টি— অৰ্থাৎ আসাম ৰেলৱেজ এণ্ড ট্ৰেডিং কোম্পানী লিমিটেড গঠন কৰা হৈছিল ১৮৮১ত। উদ্দেশ্য আছিল উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষকৈ উজনি অসমত ভৰপূৰ হৈ থকা প্ৰাকৃতিক সম্পদসমূহৰ নিষ্কাসন, ব্যৱসায় আৰু পৰিবহণৰ ব্যৱস্থা কৰা। কোম্পানীৰ মূল চুক্তিপাঠত পোৱা যায় যে শ্ব' ফিনলেছন এণ্ড কোম্পানীৰ স'তে যুটীয়াভাৱে এ আৰ টি কোম্পানীয়ে প্ৰথমে ডিব্ৰুগড় চহৰৰ পৰা শদিয়ালৈকে ৰেলৰে লাইন পতা কাম আৰম্ভ কৰিছিল। ইয়াৰে এটা শাখা গুচি গৈছিল দিহিং নদীৰ কিনাৰলৈ। অন্য এটা শাখাই চুইছিলগৈ মাকুম আৰু পাছলৈ সম্প্ৰসাৰিত হৈছিল লিডু পৰ্যন্ত য'ৰ পৰা আৰম্ভ হৈছিল মহাযুদ্ধৰ সময়ত বিশ্ববিখ্যাত হৈ পৰা ষ্টীলৱেল পথ। অসমৰ আটাইতকৈ মূল্যৱান সম্পদ হিচাপে পৰিগণিত চাহ-কাঠ-কয়লা আৰু খাৰুৱা তেল পৰিবহণৰ একচ্ছত্ৰী অধিকাৰ আছিল এ আৰ টি কোম্পানীৰ হাতত। লিডু আৰু মাৰ্ঘেৰিটা

### ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰৰ অতীত আৰু বৰ্তমানৰ কিছু ছৰ্ট শ্বট স্নেপ

অঞ্চলৰ বিশাল কয়লা নিষ্কাসন পৰ্বও আৰম্ভ হৈছিল এ আৰ টি কোম্পানীৰ অধীনতে। ডিব্ৰুগড় আৰু মাৰ্ঘেৰিটাত কাৰ্যালয় পাতি তাহানিৰ দিনতে কোটি কোটি টকাৰ ব্যৱসায় চম্ভালা এ আৰ টি কোম্পানী ১৯৪৫ত ভাৰত চৰকাৰে অধিগ্ৰহণ কৰে আৰু অসমৰ প্ৰাকৃতিক সম্পদৰ ভিতৰৰ তেল আৰু কয়লাৰ ব্যৱসায় তথা পৰিবহণ সম্পূৰ্ণৰূপে চৰকাৰৰ অধীন হয়। কোম্পানীৰ শেষৰজন সভাপতি চাৰ্লছ ফ'লিয়ট বিৰণেৰ দ্য ষ্টৰী অৰ আসাম ৰেলৱেজ এণ্ড ট্ৰেডিং কোম্পানী, ১৮৮১-১৯৫১ নামৰ গ্ৰন্থত এ আৰ টি কোম্পানীৰ বৰ্ণিল ইতিহাস বৰ্ণনা হোৱাৰ লগতে সমকালীন অসমৰ প্ৰেক্ষাপট জিলিকি উঠিছে।

গ্ৰেহেম চাহাবৰ বাংলো থকা অঞ্চলটোৰ ওচৰে-পাঁজৰে সৰু সৰু জুপুৰি ঘৰকেইটামান আছিল। ভাটীৰ ফালৰ পৰা অহা মানুহে সজা এই ঘৰকেইটাত বসবাস কৰা সৰু সৰু ব্যৱসায়ীসকলক গাঁৱৰ পৰা অহা মানুহে চাউল-পাত দি যায়। বিনিময়ত পায় পইচা, জনাজাত চিকাৰূপ হিচাপে। গ্ৰেহেম চাহাবে এই জুপুৰিবোৰ ভঙাই মূল পথৰ কাষে কাষে দোকানঘৰ সজাই দিলে, অঞ্চলটো চিজিল হ'ল, দেখিবলৈও শুৱনি হ'ল। লাহে লাহে এখন বজাৰে ঠন ধৰি উঠিল। মানুহে অঞ্চলটোক গ্ৰেহেম চাহাবৰ বজাৰ নাম দিলে, লাহে লাহে নাম ল'লে গ্ৰেহেম বজাৰ। আজিৰ ডিব্ৰুগড় এক ব্যস্ত ব্যৱসায়িক অঞ্চল।



গ্ৰেহেম চাহাবে চিজিল লগাই দিয়াৰ পাছত চকুত পৰা বিস্তীৰ্ণ ভূমিৰ দুবিঘামান মাটি লৈ ব্যাপ্তিষ্ট মিছনাৰীসকলে এখন আশ্ৰম পাতিছিল। দুজনমান মিছনেৰীয়ে ইয়াতে ৰুগীয়া মানুহক ধৰি-বান্ধি আনি চিকিৎসা প্ৰদানৰ দিহা কৰিছিল। ৰুগীয়া মানুহে চিকিৎসা গ্ৰহণ কৰিব নোখোজে। ৰঙা-বগা চাহাবে চুলে শৰীৰ আৰু শৰীৰ হৈ থাকিবনে? মহিলাতো বাদেই, পুৰুষসকলেও চিকিৎসা গ্ৰহণ কৰিব নোখোজে। কাষতে আছিল সেনাবাহিনীৰ কেম্প। নাম ডিব্ৰুগড় ৰেচকৰ্ছ। সৈনিকৰ ৰঙাচকু আৰু চমক খাইহে ৰোগীয়ে চিকিৎসা গ্ৰহণ কৰে, উপশমো লাভ কৰে কিন্তু চিকিৎসা গ্ৰহণত অনীহা। ব্যাপ্তিষ্টসকলৰ সমস্যাটো কমিছনাৰ চাহাবৰ পৰা অৱগত হ'ল এ আৰ টি কোম্পানীৰ কৰ্মকৰ্তাসকল। তেওঁলোকেই প্ৰথম চিন্তা কৰিলে— কোৱালিফাইড ডাক্তৰ অবিহনে নহ'ব, সৃষ্টি কৰিব লাগিব এদল চিকিৎসক। কোনো সভ্য সমাজে ৰোগৰ চিকিৎসাৰ অভাৱ নীৰৱে চাই থাকিব নোৱাৰে।

১৮৩৪ৰ পাঁচ জুনত লণ্ডন চহৰত জন্মগ্ৰহণ কৰা ডাঃ জন বেৰী হোৱাইটে লণ্ডন কলেজ অৰ ছাৰ্জনছৰ পৰা ডিগ্ৰী লৈ ইষ্ট ইণ্ডিয়া কোম্পানীত এছিছটেন্ট ছাৰ্জন হিচাপে যোগদান কৰিছিল। ১৮৫৭ত তেওঁক পঠোৱা হয় ভাৰতলৈ। ১৮৫৮ত তেওঁক আছাম লাইট ইনফেন্ট্ৰি বেটেলিয়নৰ ব্ৰিগেডিয়াৰ ছাৰ্জন হিচাপে নিযুক্তি দি অসমলৈ পঠোৱা হয়। সেই সময়ত তেওঁৰ বয়স আছিল মাত্ৰ ২৪ বছৰ। যদিওবা তেওঁৰ খিতাপ আছিল ব্ৰিগেডিয়াৰ ছাৰ্জন তেওঁৰ দায়িত্ব কিন্তু বহন কৰিছিল এ আৰ টি কোম্পানীয়েহে। সৈনিকসকলৰ স্বাস্থ্যৰ দিশটো চোৱা-চিতাৰ দায়িত্ব দিয়া হৈছিল ডাঃ হোৱাইটক; কিন্তু এ আৰ টি কোম্পানীৰ হৈ তেওঁ সাধাৰণ লোককো চিকিৎসা প্ৰদান কৰিব পাৰিছিল। পাছলৈ তেওঁৰ চাকৰি সাধাৰণ প্ৰশাসনৰ অধীনলৈ আনি চিভিল ছাৰ্জন হিচাপে নিযুক্তি দিয়া হৈছিল। সেয়া অৱশ্যে আসাম লাইট ইনফেন্ট্ৰি বেটেলিয়নৰ ব্ৰিগেডিয়াৰ পদৰ পৰা অব্যাহতি লোৱাৰ পাছতহে। তেওঁৰ অৱসৰৰ চন নিৰ্ধাৰণ কৰা হৈছিল ১৮৭০ত। ডাঃ হোৱাইটৰ কৰ্মক্ষেত্ৰ ডিব্ৰুগড় আৰু ইয়াৰ কাষৰীয়া অঞ্চল বুলি চৰকাৰে নিৰ্ধাৰণ কৰি দিছিল। যদিওবা কাষৰীয়া অঞ্চল বুলি কোৱা হৈছিল ডাঃ হোৱাইটৰ কৰ্মক্ষেত্ৰ লিডু-মাৰ্ঘেৰিটা পৰ্যন্ত বিস্তৃত আছিল। কয়লাৰ আৱিষ্কাৰ আৰু নিষ্কাসনৰ স'তেও ডাঃ বেৰী হোৱাইটৰ নাম জড়িত হৈ আছে। উল্লেখ্য যে টাইমছ অৰ আসাম বাতৰি কাকততো তেওঁৰ ২৫ শতাংশ বিনিয়োগ আছিল। তেওঁৰ চৰকাৰী খিতাপ বাতৰি প্ৰতিষ্ঠানৰ অংশীদাৰিত্ব জনপ্ৰিয়তা আৰু এ আৰ টি কোম্পানীৰ কয়লাৰ নিচিনা মূল্যৱান ক'লা সোণৰ নিষ্কাসন আৰু ব্যৱসায়ৰ স'তে এজন সঞ্চালক হিচাপে জড়িত হোৱাৰ দিশলৈ লক্ষ্য কৰি অনুমান কৰিব পৰা যায় যে তেওঁৰ আয় বুজন পৰিমাণৰে আছিল। আয়ৰ পথো হয়তো মসৃণ আছিল; কিন্তু জানি আচৰিত হ'ব লগা কথা এইটোহে যে তেওঁৰ আয়ৰ ধন এই অঞ্চলটোৰ ৰোগগ্ৰস্তৰ চিকিৎসা আৰু নৱ প্ৰজন্মৰ মাজত চিকিৎসা বিদ্যা বিলাই দিয়াৰ বাবেই ব্যয় হৈছিল। তেওঁ পত্নী-পৰিবাৰলৈ পঠোৱা ধনৰো কিছু অংশ আকৌ ঘূৰাই অনাই চিকিৎসা সৰঞ্জাম ক্ৰয় কৰাতহে ব্যৱহাৰ কৰিছিল।


১৮৭০ত ডাঃ হোৱাইটে সেনাবাহিনীৰ চাকৰিৰ পৰা আগতীয়া অৱসৰ গ্ৰহণ কৰি অসম চৰকাৰৰ অধীনত পূৰ্ণকালীন চিভিল ছাৰ্জন পদত যোগদান কৰে। ১২ বছৰ কাল উজনি অসমত তেওঁ তদানীন্তন লখিমপুৰ জিলাৰ চিভিল ছাৰ্জন হিচাপে সেৱা আগবঢ়াই ১৮৮২ত চৰকাৰী চাকৰিৰ পৰা স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰে। সেনাবাহিনীৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৮ বছৰ। অৱসৰ গ্ৰহণৰ পাছত তেওঁ সেনাবাহিনীৰ ৰেছকৰ্ছৰ সেই ঘৰকেইটাতে পোনপ্ৰথমবাৰৰ বাবে আৰম্ভ কৰে তেওঁৰ ব্যক্তিগত চিকিৎসালয়। তেওঁক সহায় কৰিবলৈ কে'বাজনো স্থানীয় যুৱক আগবাঢ়ি আহিছিল ইয়াৰ পাছৰ পৰাই ডাঃ হোৱাইটৰ আহৰি নাইকিয়া হ'ল। কেৱল ডিব্ৰুগড়ৰে নহয়, কাষৰীয়া চাবুৱা, তিনিচুকীয়া, (তেতিয়া বেংমৰা নামেৰে জনপ্ৰিয় আছিল), মাকুম, লিডু, মাৰ্ঘেৰিটা (নতুনকৈ পোৱা নাম) ডিগবৈ, দুলীয়াজান (তেতিয়া পৰিচিত আছিল দুলীয়াগাঁও নামেৰে) আদি অঞ্চলৰ ভিতৰুৱা গাঁওবোৰলৈ গৈ তেওঁ চিকিৎসা সেৱা আগবঢ়াব লাগে। তেওঁ সিদ্ধান্ত ল'লে আগ্ৰহী যুৱককেইজনক স্বাস্থ্য-শিক্ষাৰে প্ৰাথমিক পাঠ দি গাঁৱে-ভূঞে পঠাব লাগে। ৰোগ কঠিন পালে ৰোগীক লৈ আহিব ডিব্ৰুগড়লৈ।

প্ৰথমে নাম আছিল মেডিকেল স্কুল। ৰাইজে নাম দিলে ডাঃ হোৱাইটৰ মেডিকেল স্কুল। টাইমছ অৰ আসাম আৰু প্ৰচাৰ মাধ্যমে লিখিবলৈ ল'লে ডাঃ বেৰী হোৱাইট মেডিকেল স্কুল। ডাঃ জন বেৰী হোৱাইটে এটা কথা লক্ষ্য কৰিছিল যে যদিও এই অঞ্চলৰ মানুহ সাংস্কৃতিকভাৱে যথেষ্ট উন্নত, পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু উন্নত জীৱন-ধাৰাৰ প্ৰতি আগ্ৰহী, তথাপি এলোপেথিক চিকিৎসাৰ প্ৰতি মুঠেও আগ্ৰহী নহয়। বিশেষকৈ গাঁও অঞ্চলৰ মানুহে আধুনিক চিকিৎসাৰ পৰিৱৰ্তে বেজ-বেজালিতহে অধিক বিশ্বাস ৰাখে। শৰীৰৰ ঘাৰ তেজ-পুঁজেৰে বিষাক্ত হৈ পৰে, তেনে এটা শৰীৰ লৈ যমৰ যন্ত্ৰণা ভোগে; কিন্তু শল্য চিকিৎসা এওঁলোকৰ বাবে নৈবঃ নৈবঃ চঃ। এই মানুহখিনিক আধুনিক চিকিৎসাৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ সমাজৰ মুখিয়াল লোক আৰু প্ৰচাৰ মাধ্যমৰ যে বিকল্প নাই, সেয়া ডাঃ হোৱাইটে সুন্দৰকৈ বুজিছিল। ডাঃ বেৰী হোৱাইটে সেয়ে সমাজৰ মুখিয়াল পৰিয়ালৰ ল'ৰা-ছোৱালীক আধুনিক চিকিৎসা প্ৰণালীৰ বিষয়ে আগ্ৰহী কৰি তুলিবলৈ চেষ্টা কৰিছিল। ইয়াৰ মাজৰ পৰাই তেওঁ এদল স্বাস্থ্য-শিক্ষাৰ শিক্ষাৰ্থী গঢ়ি তুলিছিল। প্ৰচাৰ মাধ্যমেও ডাঃ হোৱাইটক সহযোগ আগবঢ়াইছিল। ১৮৯২ত ৰাধানাথ চাংকাকতিয়ে ডিব্ৰুগড়ত এটি প্ৰকাশন প্ৰতিষ্ঠান গঢ়ি তুলি বাতৰি কাকত এখন প্ৰকাশ কৰাৰ পৰিকল্পনা কৰিছিল। এই পৰিকল্পনাৰ প্ৰতি ডাঃ হোৱাইট আগ্ৰহী আছিল আৰু এটি প্ৰকাশন প্ৰতিষ্ঠানত তেওঁ ২৫ শতাংশ চেয়াৰ ক্ৰয় কৰিছিল। ১৮৯৪ত মাণিক চন্দ্ৰ বৰুৱা আৰু কালীৰাম বৰুৱাই গুৱাহাটীৰ পৰা 'আসাম' নামৰ এখন বাতৰি কাকত প্ৰকাশ কৰিছিল আৰু ১৮৯৫ত ডিব্ৰুগড়ৰ পৰা ৰাধানাথ চাংকাকতিয়ে 'দ্য টাইমছ অৰ আসাম' কাকতৰ প্ৰকাশ আৰম্ভ কৰিছিল। অৱশ্যে এই কাকত আৰম্ভ কৰাৰ সময়ত ডাঃ হোৱাইট লণ্ডনলৈ গৈছিল আৰু ১৮৯৬ত তেওঁৰ তাতে দেহাৱসান হৈছিল। আকৌ মূল সূত্ৰলৈ ঘূৰি যাওঁ।

ডাঃ বেৰী হোৱাইট মেডিকেল স্কুলত স্বাস্থ্য-শিক্ষাৰ প্ৰশিক্ষণ আৰম্ভ হ'ল; কিন্তু ভাৰতবৰ্ষৰ ঔপনিৱেশিক শাসনৰ মূল অভিকেন্দ্ৰ কলকাতাৰ পৰা প্ৰায় ১,৫০০ কিঃ মিঃ দূৰৈৰ আৰু ষ্টীমাৰৰ বাদে যোগাযোগৰো কোনো সুবিধা নথকা ডিব্ৰুগড়ত এখন মেডিকেল স্কুল পৰিচালনা কৰাটো যে কিমান কঠিন হ'ব পাৰে সেয়া অনুমান কৰাটোও টান। থেছিছ্কোপ মাত্ৰ দুডালমান, ব্লাড্ প্ৰেছাৰ জোখা যন্ত্ৰকেইটা ভাঙি-ছিঙি থাকিলগৈ এটা, থাৰ্মমিটাৰ থাকিল ছডাল। দৰৱ-পাতিও কমি আহিল। কমিছনাৰ চাহাবে স্কুল পাতিবলৈ অনুমতি দিছিল; কিন্তু চৰকাৰীভাৱে কোনো অনুদান দিয়াটো সম্ভৱ নহ'ব বুলি জনাই দিছিল। বেংগল ছাৰ্জনছ ৰুলছ আৰু মেডিকেল এডুকেছন এক্টত ব্যক্তিগত ভিত্তিত স্বাস্থ্য-শিক্ষাৰ অনুষ্ঠান খোলাৰ ব্যৱস্থা নাই। আগলৈ

ফোন ঃ ৯৪৩৫০২৮০০৮

# দীপান্বিতা হওক শব্দ প্ৰদূষণমুক্ত প্ৰকৃত পোহৰৰ উৎসৱ আৰু পৰিৱেশ হওক প্ৰকৃতিসম



## শব্দ আৰু দেৱালীৰ শব্দ

**শব্দই** কাৰ্য কৰিব পাৰে বাবে শব্দ এক প্ৰকাৰৰ শক্তি। মেঘৰ টুকুৰাৰ মাজত খুন্দা লাগিলে প্ৰচণ্ড শব্দৰ সৃষ্টি হয়। ই খিৰিকীৰ আইনা ভাঙিব পাৰে। বায়ুমণ্ডলত সৃষ্টি হোৱা অসহনীয়, আমনিদায়ক, অপ্ৰয়োজনীয় যিবোৰ শব্দই পৰিৱেশ এটাৰ সুস্থিৰতাত ব্যাঘাত জন্মায়, তেনেবোৰ শব্দই হ'ল কোলাহল অথবা প্ৰদূষিত শব্দ। যান-বাহনৰ ঘেৰ-ঘেৰণি, কল-কাৰখানাৰ অবিৰত বিকট শব্দ, উচ্চস্তৰত বজোৱা ৰেডিঅ', টিভি, ডেক আদিৰ পৰা অহা গান-বাজনাৰ শব্দ, মেঘৰ ঢেৰেকণিৰ শব্দ, বৰষুণৰ লগতে অহা ধুমুহাৰ শব্দ, ব্যস্ত বজাৰৰ কোলাহল আদিয়ে শব্দ প্ৰদূষণৰ সৃষ্টি কৰে।

**দীপান্বিতা ঃ** দীপাৱলী, দীপালী বা দেৱালী উৎসৱ হ'ল মূলতঃ পোহৰৰ উৎসৱ। ভাৰতবৰ্ষৰ প্ৰত্যেকটো পৰিয়ালৰ ঘৰৰ সন্মুখত শাৰী শাৰীকৈ চাকি লগাই জোনাক বিহীন অমাৱস্যাৰ এন্ধাৰ আঁতৰাই আশাৰ পোহৰেৰে চৌদিশ উদ্ভাসিত কৰাৰ অন্য এক জাতীয় সংস্কৃতি দেৱালী বা দীপান্বিতা। আজি-কালি পিছে দীপান্বিতা উৎসৱ উদ্‌যাপন কৰা হয় পোহৰৰ লগতে শব্দ প্ৰদূষণ কৰে। সেয়ে, বহুতৰে জীৱনত পোহৰৰ সলনি অন্ধকাৰ নামি অহাৰ উদাহৰণ প্ৰতিবছৰে বাঢ়ি অহাটো পৰিলক্ষিত হৈছে। দেৱালীত ফুটোৱা ফটকা, হিলৈ, ৰকেট, বোমা আদিৰ দ্বাৰা হোৱা অঘটনৰ ফলশ্ৰুতিত। ছাট মাৰি ধৰা পোহৰ যেনেকৈ ক্ষতিকাৰক, তেনেকৈ পৰিমাণতকৈ বেছি হোৱা অৰ্থাৎ মাত্ৰাধিক হৈ দূষিত হোৱা শব্দও আমাৰ বাবে বেছি ক্ষতিকাৰক, যি শব্দ প্ৰদূষণ হিচাপে আজি আমাৰ মাজত বেছি পৰিচিত।

শব্দ প্ৰদূষণ হোৱা মানে অসহনীয় শব্দ হোৱা, যি শব্দ নেকি আমাৰ শ্ৰৱনেন্দ্ৰিয় কাণে অসহ্য অনুভৱ কৰে। দেৱালীত ফুটোৱা ফটকা, হিলৈ, ৰকেট, বোমা আদিৰ শব্দ দৰাচলতে প্ৰদূষিত শব্দ। এই শব্দৰ কম্পনাংকই আমাৰ কৰ্ণ নলীৰ মাজেদি গতি কৰি কাণৰ ভিতৰত থকা কৰ্ণ পৰ্দা কঁপায় তোলাৰ লগে লগে আমাৰ মগজুৰে স্নায়ুতন্ত্ৰৰ জৰিয়তে সংকেত পায়, যাৰ বাবে আমি শব্দৰ কোলাহল শুনিবলৈ পাওঁ। চিকিৎসা বিজ্ঞানীসকলে এটা কথা প্ৰমাণ কৰিছে যে মানুহৰ কাণে যিকোনো কম্পনাংকৰ শব্দ তৰংগ গ্ৰহণ কৰি মগজুলৈ সংকেত পঠিয়াব নোৱাৰে। যাক আমি কাণতাল মাৰি ধৰা বুলি কওঁ। এনে হোৱাৰ ফলত দুৰ্বল স্নায়ুতন্ত্ৰৰ মানুহ সাধাৰণতে বধিৰ হৈ পৰে। মূৰৰ বিষ আৰু অৱচেতন অৱস্থাত পৰিব পাৰে, মানসিক ৰোগত ভুগিব পাৰে, অপুষ্টিহীনতাত ভুগিব পাৰে, উত্তেজনা, অনুভূতি আদি নাইকিয়া হৈ হতাশাত ভুগিব পাৰে, আনকি গাৰ ছাল, পৰ্যন্ত সেঁতা পৰি যাব পাৰে বুলি চিকিৎসা বিশেষজ্ঞসকলে ঠাঁৱৰ কৰিছে।

ইংৰাজীতে, শব্দৰ জোখমাখ লোৱা এটা একক আছে, যাক ডেচিবেল বোলা হয়। (ডেচিবেল হ'ল - দুটা ভিন্ন শব্দৰ প্ৰৱণতাৰ তাৰতম্যক ইহঁতৰ মাজৰ প্ৰৱণতাৰ আনুপাতিক হাৰক Log সংখ্যাৰ দহগুণ হিচাপে প্ৰকাশ কৰি পোৱা প্ৰাথমিক একক)। শব্দৰ পৰিমাণ ষাঠি (৬০) ডেচিবেলতকৈ বেছি হৈ গ'লে আৱাওৰ সৃষ্টি হয় বা শব্দ প্ৰদূষিত হয়। দেৱালীত একেৰাহে অৰ্থাৎ নেৰানেপেৰাকৈ ফটকা, হিলৈ, ৰকেটবোমা আদিত সৃষ্টি হোৱা শব্দৰ পৰিমাণ প্ৰায় আশী (৮০) ৰ পৰা নব্বৈ (৯০) ডেচিবেল। বজাৰত অবৈধভাৱে বিক্ৰী হোৱা 'আনাৰকলি' নামৰ বোমা বিস্ফোৰণত সৃষ্টি হোৱা শব্দৰ পৰিমাণ প্ৰায় (১০০) পৰা (১১০) ডিচিবেল, যাৰ শব্দই মানুহৰ কাণত গভীৰ চাপ পেলাই চিৰদিনৰ বাবে শ্ৰৱণ শক্তি লোপ কৰি দিব পাৰে।

আমাৰ দেশত শব্দ প্ৰদূষণ নিয়ন্ত্ৰণ কৰাৰ কাৰণে কোনো আইন বা নিয়ম-নীতি নাই। তথাপি উল্লেখ নকৰি নোৱাৰি যে খ্ৰীঃ ১৯৮১ত এই শব্দ প্ৰদূষণক আইন ১৯(১), ১৯৮১ ধাৰাত বায়ু প্ৰদূষিত কাৰক হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। কিয়নো শব্দ প্ৰদূষণে আমাৰ বায়ুমণ্ডলত বিৰূপ প্ৰভাৱ বিস্তাৰ কৰে। ইয়াৰ পাছত ১৯৮৭ত ভাৰত চৰকাৰৰ কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ আইনৰ অধীনত বায়ু প্ৰদূষণ সংশোধনীৰূপত ইয়াক গ্ৰহণ কৰা হৈছে। অসমত কিন্তু, এতিয়ালৈকে শব্দ প্ৰদূষণ প্ৰতিৰোধৰ বাবে অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডে বিশেষভাৱে এনেকুৱা উৎসৱত কোনো ধৰণৰ নিষেধাজ্ঞা জাৰি কৰা পৰিলক্ষিত হোৱা নাই।

### ডঃ মহানন্দ পাঠক

**শব্দ প্ৰদূষণৰ প্ৰভাৱসমূহ ঃ**

শব্দ প্ৰদূষণে জীৱ-জগতৰ ওপৰত প্ৰভাৱ পেলায়। বিশেষকৈ শব্দ প্ৰদূষণৰ ফলত হোৱা স্বাস্থ্য সম্বন্ধীয় প্ৰভাৱসমূহ হ'ল—

১। মানুহৰ শ্ৰৱণ ইন্দ্ৰিয় প্ৰভাৱিত হয়, উচ্চস্বৰৰ শব্দৰ আঘাতত শ্ৰৱণ শক্তি লোপ পায়।

২। কোলাহলৰ পৰিৱেশত বেছি সময় থাকিব লগা হ'লে মানুহৰ মানসিক আৰু শাৰীৰিক ভাৰসাম্য বিনষ্ট হ'ব পাৰে।

৩। অবিৰত কোলাহলে ৰক্ত পৰিবাহী সিৰা আৰু পেশী কিছুমান কোঁচ খুৱাই দিব পাৰে। ইয়াৰ ফলত ৰক্তচাপৰ হ্ৰাস বৃদ্ধি হ'ব পাৰে, অপুষ্টিহীনতাত ভুগিব পাৰে, আনকি গাৰ ছাল পৰ্যন্ত সেঁতা পৰি যাব পাৰে বুলি চিকিৎসা বিশেষজ্ঞসকলে ঠাঁৱৰ কৰিছে।

**শব্দ প্ৰদূষণৰ প্ৰতিৰোধ ঃ**

শব্দ প্ৰদূষণৰ কিছু পৰিমাণে প্ৰতিৰোধ কৰিবলৈ হ'ল—

১। মাত্ৰাধিক যান-বাহন চলাচল কৰা পথৰ দাঁতিত পৰিকল্পিতভাৱে বৃক্ষৰোপণ কৰিলে কোলাহলৰ প্ৰকোপ কম হয়। কাৰণ উপযুক্ত গছ-গছনিবোৰ হ'ল শব্দৰ উত্তম শোষক।

২। কল-কাৰখানা আদি উদ্যোগসমূহ জনবসতিপূৰ্ণ অঞ্চলৰ পৰা দূৰত স্থাপন কৰিব লাগে।

৩। ঔদ্যোগিক অঞ্চল, বিমানবন্দৰ আদিৰ চৌপাশে গছ-গছনি ৰোপণৰ জৰিয়তে এটা বেষ্টনী তৈয়াৰ কৰি শব্দ প্ৰদূষণ নিয়ন্ত্ৰণ কৰিব পাৰি। এনে বেষ্টনীক সেউজবেষ্টনী বুলি কোৱা হয়।

৪। উচ্চস্বৰত কোলাহল সৃষ্টি কৰা শব্দ পৰিবৰ্ধক যন্ত্ৰবোৰত শব্দ নিৰামক ব্যৱস্থা প্ৰয়োগ কৰিব লাগে।

৫। কোলাহল বা শব্দ প্ৰদূষণৰ কু-প্ৰভাৱবোৰৰ বিষয়ে সকলোৰে বুজিব পৰাকৈ শিক্ষা আঁচনি তৈয়াৰ কৰি কাৰ্যকৰী কৰিলে শব্দ প্ৰদূষণ বহুতো পৰিমাণে প্ৰতিৰোধ কৰিব পৰা যায়।


সেয়েহে আমি সাধাৰণ জনগণতো যাতে এনে ভয়াৱহ পৰিস্থিতিত পৰিব লগা নহয়, তাৰ বাবে কিছু চিন্তা-চৰ্চা কৰি কিছুমান পন্থা হাতত লোৱা উচিত। যেনে —

- কমশক্তি সম্পন্ন অৰ্থাৎ কমশব্দ সৃষ্টি কৰা ফটকা, হিলৈ, ৰকেট বোমা আদি ব্যৱহাৰত গুৰুত্ব দিব লাগে। এনে কৰিলে দুটকা ৰাহিও হ'ব, শব্দ প্ৰদূষণও নহয়।
- দেৱালীৰ দিনাখন ঘৰৰ ভিতৰত কেতিয়াও ফটকা হিলৈ আদি ফুটাব নালাগে। কিয়নো সি কম শক্তি সম্পন্ন হ'লেও ঘৰৰ ভিতৰত বেছি শব্দৰ সৃষ্টি কৰি শব্দ প্ৰদূষণ ঘটাব পাৰে, তথা সেই ফটকা বা হিলৈৰ বিস্ফোৰিত জুয়ে ঘৰ জ্বলাই দিব পাৰে।
- টিন, বাল্টি আদি ধাতুৰ পাত্ৰৰ ভিতৰত সুমুৱাই লৈও ফটকা বা হিলৈ আদি ফুটোৱাটো বিপদজ্জনক। এনে কৰিলে কেতিয়াবা ধাতুৰ পাত্ৰটো ভাঙি ছিগি টুকুৰা-টুকুৰ হৈ, সেই ধাতুৰ টুকুৰা ছিটিকি আহি দুৰ্ঘটনা ঘটাব পাৰে।
- দীপান্বিতা উৎসৱৰ দিনাখন বিশেষকৈ সন্ধিয়া পৰত পদূলি পোহৰাই তোলাৰ সময়ত উচ্চ শব্দ শক্তি সম্পন্ন ঢোল-পেঁপা, যিকোনো শব্দ পৰিবৰ্ধক যন্ত্ৰ ডেক, টেপৰেকৰ্ডাৰ আদি বজাবলৈ বন্ধ কৰাই শ্ৰেয়। যাতে পোহৰ আৰু প্ৰদূষিত শব্দই একেলগে ক্ৰিয়া নকৰে।

এতিয়া আহক, শব্দবোৰ বন্ধ কৰো, দীপান্বিতা হওক শব্দ প্ৰদূষণ মুক্ত প্ৰকৃত পোহৰৰ উৎসৱ আৰু পৰিৱেশ হওক প্ৰকৃতিসম।

ফোন ঃ ৯৮৬৪১৪৯২৫০

# দীপাৱলী আত্মাৰ জ্যোতি জ্বলোৱাৰ স্মৃতিপৰ্ব



**পৰম্পৰাগতভাৱে** ভাৰতবৰ্ষত চলি অহা উৎসৱসমূহৰ মাজত দীপান্বিতা বা দীপাৱলী পোহৰৰ উৎসৱ হিচাপে পালন কৰা হয়। সাধাৰণ বেশধাৰী ৰামে বান্দৰ সেনাৰ সহায়ত অতি বলৱান তথা প্ৰকাণ্ড জ্ঞানী কিন্তু অহংকাৰী ৰাৱণৰ ওপৰত বিজয়প্ৰাপ্ত কৰি নিজৰ অৰ্ধাংগিনি দেৱী সীতাক ৰাৱণৰ লংকাৰ অশোক বনৰ পৰা মুক্ত কৰিছিল। মৰ্যাদা পুৰুষোত্তম শ্ৰীৰাম তথা পৱিত্ৰতাৰ দেৱী সীতাৰ অযোধ্যালৈ প্ৰত্যাৱৰ্তন কৰি ৰাজগাদী গ্ৰহণ কৰাৰ আনন্দত আজিও দীপাৱলী ভাৰতবৰ্ষৰ ঘৰে ঘৰে পালন কৰা হয়।

ৰামায়ণ, মহাভাৰত আদি জনপ্ৰিয় শাস্ত্ৰবোৰ কেৱল পৌৰাণিক কাহিনী হয়, যাৰ ওপৰত ঐতিহাসিক প্ৰামাণিকতাৰ ওপৰত প্ৰশ্নচিহ্ন লাগিব পাৰে; কিন্তু উক্ত শাস্ত্ৰবোৰৰ ভিতৰত লুকাই থকা আধ্যাত্মিক প্ৰাসংগিকতাৰ ওপৰত প্ৰশ্নচিহ্ন কোনেও লগাব নোৱাৰে। বিজ্ঞানৰ সাধনে উপস্থাপন কৰা চিত্ৰনাট্যৰ ৰূপকথা আৰু ভক্তি মাৰ্গৰ ক্ৰিয়া-কাণ্ডবোৰৰ ওপৰত বৰ্তমান সমাজৰ এচামে ইয়াক কাল্পনিক কবিৰ ভাষা বা মনোৰঞ্জনৰ এক সাধন বুলি উপলুঙা কৰিলেও ইয়াৰ জনপ্ৰিয়তাই এতিয়াও প্ৰত্যেক ভাৰতীয়ৰ হৃদয়ৰ মণিকোঠাত স্থান দখল কৰি আছে। কাৰণ এই মহান শাস্ত্ৰবোৰত ৰূপায়িত চৰিত্ৰসমূহৰ মাজত চৈতন্য, বাস্তৱ ৰূপৰ সূক্ষ্ম অনুভূতি লুকাই আছে বাবে ইয়াৰ কাহানিবোৰে শ্ৰোতা বা দৰ্শকৰ হৃদয়ত সাঁচ বহুৱাই ৰাখিছে। এইখিনিতে এটা প্ৰশ্ন উদয় হয় যে ভক্তি মাৰ্গৰ চিত্ৰ বা চৰিত্ৰসমূহৰ যিবোৰ স্মৃতি সমাজত প্ৰচলিত হৈ আছে, সেইবোৰৰ কোন সময়ৰ কথা, কেতিয়া তেওঁলোকে এই চৰিত্ৰসমূহ ৰূপায়ণ কৰিছিল, যিবোৰৰ গুৰুত্ব আজিৰ দশকতো মানুহে এৰিব পৰা নাই। পৰম্পৰাগতভাৱে যিবোৰ উৎসৱ-পাৰ্বণ পালন কৰি আহিছো সেইবোৰ কোনে কেতিয়াৰ পৰা আৰম্ভ কৰি আহিছে, সেইবোৰৰ অন্তৰালত কি গভীৰ তত্ত্ব লুকাই আছে, কাৰণ চৰিত্ৰ ৰূপায়ণ কৰোঁতা নাথাকিলে তাৰ চিত্ৰও নাথাকিব। উদাহৰণস্বৰূপে গণেশ বা হনুমান আদিৰ চিত্ৰ আছে; তেন্তে চৰিত্ৰ ৰূপায়ণ কৰোঁতা নিশ্চয় কোনোবা আছিল। সেই চিত্ৰ বা চৰিত্ৰসমূহক কল্পনা বুলি ক'ব নোৱাৰি। হাতী বা বান্দৰ সদৃশ কোনোবা মনুষ্যই চৰিত্ৰ ৰূপায়ণ কৰিছিল কাৰণেই তাৰেই আধাৰ লৈ ভক্তি মাৰ্গৰ চিত্ৰসমূহ বনোৱা হৈছিল। এই সকলোবোৰ প্ৰশ্নৰ সমাধান তথা উপযুক্ত, মনঃপুত গভীৰ তত্ত্বৰ ব্যাখ্যা স্বয়ং সৃষ্টিৰ নিয়ন্তা পৰমপিতা পৰমাত্মাই আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ ৰেবছাইট আৰু এ.আই ভি ভি ইউ টিউবৰ জৰিয়তে বৰ্তমান সময়ত ব্যক্ত কৰি আছে। পৰমাত্মাই দিয়া সহজ ৰাজযোগ অথবা আধ্যাত্মিক জ্ঞানৰ দ্বাৰা বুজিব পাৰি যে বাস্তৱতে ভাৰতৰ পাঁচ হেজাৰবছৰীয়া ইতিহাসৰ প্ৰথমৰ দুটা যুগ সত্যযুগ আৰু ত্ৰেতাযুগত এই ভাৰতভূমিত ক্ৰমশঃ লক্ষ্মী-নাৰায়ণ তথা ৰাম-সীতাৰ দৰে দেৱী-দেৱতাৰ ৰাজ্য আছিল; কিন্তু তাত কংস, জ) ৰাসন্ধ বা ৰাৱণ, কুম্ভকৰ্ণৰ দৰে দানৱী মনুষ্য নাছিল; কিন্তু দ্বাপৰ যুগৰ পৰা দেৱী-দেৱতাসকলে আত্মাভিমান এৰি দেহ অভিমানী হৈ পৰাৰ কাৰণে বাম-মাৰ্গী হৈ পৰে আৰু ক্ৰমান্বয়ে পতনমুখী হ'বলৈ ধৰে। পতনৰ গৰ্তত ডুবাৰ পৰা বচাবলৈ ৰামায়ণ তথা মহাভাৰতৰ দৰে শাস্ত্ৰবোৰ ৰচনা কৰা হৈছিল। এই শাস্ত্ৰসমূহে তথা ধৰ্মপিতাসকলে উত্তৰোত্তৰ সংসাৰখনক পতনৰ পৰা ৰক্ষা কৰাৰ যৎপৰোনাস্তি প্ৰয়াসো কৰে; কিন্তু পতনৰ পৰা সম্পূৰ্ণৰূপে ৰক্ষা কৰিব নোৱাৰে।

পাঁচ হেজাৰ বছৰীয়া সৃষ্টি চক্ৰৰ চাৰি যুগ সত্য, ত্ৰেতা, দ্বাপৰ, কলিযুগ। কলিযুগৰ শেষ আৰু সত্যযুগৰ আদিতে এশ বছৰ পুৰুষোত্তম সংগম যুগ, এই সংগম যুগতে সমাজত ঘটি থকা সকলো ঘটনা-পৰিঘটনাৰ

### দিপালী পাটোৱাৰী কানু

শ্বুটিং আত্মাসকলৰ দ্বাৰা সূক্ষ্মৰূপে হৈ যায় আৰু সত্য, ত্ৰেতা, দ্বাপৰ, কলিযুগত বৃহৎ অৰ্থৎ হোৱা পৰিলক্ষিত হয়। দ্বাপৰ যুগৰ পৰা যিবোৰ পূজা-অৰ্চনা কৰি আহিছো সেইবোৰো সংগম যুগৰে স্বাক্ষৰ বহন কৰে। কলিযুগৰ শেষত কোনো দেৱী-দেৱতা নাথাকে। সত্য, ত্ৰেতা যুগৰ মৰ্যাদা পুৰুষোত্তম যোল্ল কলা সম্পন্ন ৰাম-কৃষ্ণকে আদি কৰি দেৱী-দেৱতা আত্মাসকলৰ লগতে মহান ধৰ্মাত্মা-মহাত্মাসকলৰ আত্মাও জন্ম-মৃত্যুৰ চক্ৰত আহি বৰ্তমান সময়ত আমাৰ নিচিনা সাধাৰণ মনুষ্য ৰূপত এই সংসাৰত ক'ৰবাত নহয় ক'ৰবাত পাৰ্ট বজাই আছে। কলিযুগৰ শেষত পাঁচ বিকাৰ কাম, ক্ৰোধ, লোভ, মোহ, অহংকাৰৰ বশৱৰ্তী হৈ সকলো পতিত, ভ্ৰষ্টাচাৰী আৰু তমো প্ৰধান হৈ পৰে অৰ্থাৎ পাঁচ বিকাৰৰূপী মায়াৰ মাজত আৱদ্ধ হৈ পৰে। যেতিয়া আত্মাৰূপী সকলো সীতা-ৰাৱণৰ ৰাজ্যত মায়াৰ লংকাৰ অশোক বনত আৱদ্ধ হৈ পৰে, তেতিয়া স্বয়ং নিৰাকাৰ ৰাম আহি এজন সাধাৰণ তনধাৰী (সাকাৰীৰাম)ৰ দ্বাৰা মৰ্যাদা পুৰুষোত্তম জীৱনৰ উদাহৰণ স্থাপিত কৰে আৰু সকলো আত্মাৰূপী সীতাকে পাঁচ বিকাৰৰূপী ৰাৱণৰ আয়ত্তৰ পৰা উদ্ধাৰ কৰে।

ৰাৱণ কোন? "ৰাৱয়তে লোকান ইতি ৰাৱণ" যিয়ে লোকক দুখ দিয়ে, কন্দুৱাই সেয়ে ৰাৱণ। ৰাৱণৰ আৱিৰ্ভাৱ দ্বাপৰ যুগৰ পৰাই হয়। সত্য, ত্ৰেতা যুগৰ সুখ-শান্তিৰ ঠাইত দ্বাপৰ যুগৰ পৰাই দুখ, অশান্তি, হাই-কাজিয়া আৰম্ভ কৰাৰ বাবে কোনোবা মনুষ্য আত্মাই নিমিত্ত হৈ পৰে আৰু যিয়ে অতি দুখ দিয়ে তেওঁৰ পুত্তলিকা দাহ কৰা হয়। এই পুৰুষোত্তম সংগম যুগতে ৰাৱণৰ দশ শিৰৰ চৰিত্ৰ ৰূপায়ণ কৰা আত্মাই নিশ্চয় বাস্তৱ চৰিত্ৰ ৰূপায়ণ কৰি আছে। ৰাৱণৰ দশমুখ অৰ্থাৎ কেনোৱা এশ শতাংশই কামী, ক্ৰোধী, লোভী, মোহী আৰু অহংকাৰী পাৰ্টধাৰী পুৰুষ লোক আৰু তেওঁলোকৰ সহযোগীনী পাঁচ স্ত্ৰী শক্তি যাক মন্দোদৰী মন্দ-বুদ্ধিৰ আত্মা বুলি কোৱা হয়, ৰামক ভগৱান বুলি জানে কিন্তু সংগ দিয়ে ৰাৱণৰ সেইবাবেই ৰাৱণক দশানন, প্ৰৱল পৰাক্ৰমী বুলি জনা যায়। শীতল পাৰ্ট বজোৱা সীতা সদৃশ সকলো আত্মাই কলিযুগৰ অন্তত ৰাৱণৰ মায়াজালৰ মাজত আৱদ্ধ হৈ পৰে তাৰ পৰা উদ্ধাৰ কৰিবৰ বাবে ভগৱান শ্ৰীৰামেও দেৱী-দুৰ্গাক আহ্বান কৰিছিল আৰু দেৱীৰ সহযোগৰ বাবেই ৰাৱণক বধ কৰা সম্ভৱ হৈছিল আৰু বিজয়প্ৰাপ্ত কৰিছিল। তাৰেই স্মৃতিৰূপে বিজয়া দশমীত দশহাৰা, ৰাৱণ বধ বা ৰাৱণক জ্বলোৱা হৈছিল অৰ্থাৎ নিজৰ ভিতৰত থকা বিকাৰবোৰৰ লগতে সমস্ত জগতৰ পৰা বিকাৰ নাশ কৰি স্বৰ্গ ৰাজ্য স্থাপন কৰা হৈছিল। ৰাৱণ বধৰ পাছত যেতিয়া সীতাক লৈ ৰাম অযোধ্যালৈ উভতি আহিছিল তেতিয়া অযোধ্যাবাসীয়ে সমস্ত জগত প্ৰকাশেৰে প্ৰকাশিত কৰি তুলিছিল। অৰ্থাৎ ৰাম ৰাজ্য স্থাপন হৈছিল।

দীপাৱলী প্ৰকৃততে আত্মাৰ জ্যোতি জ্বলোৱাৰহে স্মৃতি পৰ্ব। সংগম যুগত ৰামৰ শ্ৰীমত অনুসৰণ কৰি যিবোৰ আত্মাই প্ৰথম স্থান দখল কৰিব পাৰে তেওঁকেই সীতাৰ ৰূপত বা লক্ষ্মীৰ ৰূপত পূজা কৰা হয়। বাকী সকলোবোৰ আত্মাই ক্ৰমানুসাৰ সীতা প্ৰমাণিত হয়। সীতাৰ অৰ্থই হৈছে এনেকুৱা এক আত্মা যি হৃদয়েৰে সদায় এক প্ৰভু শ্ৰীৰামৰ সন্মুখত থাকে। দুখ দিওঁতা বা দশ শিৰেৰে দশ প্ৰকাৰৰ বুদ্ধি দিওঁতাসকলৰ ফালে পিঠি দিয়ে। যেনেদৰে সীতাক নিজৰ পৱিত্ৰতাৰ প্ৰমাণ দিবলৈ অগ্নিপৰীক্ষা দিব লগা হৈছিল তেনেদৰে ক্ৰমানুযায়ী সকলো আত্মাৰূপী সীতাকে নিজৰ মন, বচন আৰু কৰ্মত পৱিত্ৰতাৰ পৰীক্ষা দিব লগা হয়। ঘৰ গৃহস্থত থাকিও গৃহস্থ ধৰ্ম পালন কৰিও যিবোৰ আত্মাই নিৰাকাৰ ৰামক স্মৰণ কৰে, স্নেহ কৰে, মৰ্যাদাৰ পালন কৰে তেওঁলোকেই এই শৰীৰটোৰ দ্বাৰাই বনবাসীৰ পৰা স্বৰ্গবাসী হ'ব পাৰে।

দীপাৱলীত প্ৰথমে এটা দীপক জ্বলোৱা হয়, অৰ্থাৎ বিকাৰৰ ওপৰত বিজয়প্ৰাপ্ত কৰি দৈৱী গুণ ধাৰণ কৰিব পৰা ধৰ্মৰাজ, মায়াৰ যুদ্ধত স্থিৰ হ'ব পৰা যুধিষ্ঠিৰৰ আত্মাৰূপী দীপক পৰমাত্মাই দিয়া জ্ঞান এশ শতাংশই গ্ৰহণ কৰি আত্মাৰূপী দীপক জ্বলাই লয় আৰু তাৰ পাছত আঠটা বিশেষ আত্মাৰ দীপক জ্বলে আৰু তেওঁলোকৰ সংস্পৰ্শত আহি আন আত্মাসকলৰ আত্মাৰ জ্যোতি জ্বলি উঠে। এনেদৰে ইটোৰ পাছত সিটো দীপক জ্বলাই ঘৰৰ চাৰিওফালে পদূলি মুখত, দুৱাৰ মুখত আলোক সজ্জাৰে প্ৰজ্বলিত কৰা হয়। দীপাৱলীত ফট্‌কা বা আতচবাজী ফুটোৱাৰ যি প্ৰথা সেয়া প্ৰকৃততে আমাৰ মাজত থকা বিকাৰসমূহক জ্বলোৱাৰহে স্মৃতি বহন কৰে।

ৰামায়ণ শাস্ত্ৰৰ দশৰথ নন্দন ৰামৰ জন্মভূমি বুলি মান্যতা দিয়া উত্তৰ প্ৰদেশত নিৰাকাৰ ৰাম শিৱৰ সাকাৰী পাৰ্ট বৰ্তমান সময়ত চলি আছে কিন্তু সাধাৰণ মনুষ্য তনৰ দ্বাৰা। যিসকলে সাকাৰ তনত সেই নিৰাকাৰ ৰাম; সদাকল্যাণকাৰী শিৱক চিনি লৈ ঈশ্বৰীয় জ্ঞান আৰু সহজ ৰাজযোগৰ দ্বাৰা নিজৰ আত্মাৰ জ্যোতি জ্বলাব পাৰিব তেওঁৰেই জ্ঞানৰ প্ৰকাশ সমগ্ৰ বিশ্বতে বিয়পাব পাৰিব।

ফোন ঃ 9712440823

# পোহৰৰ উৎসৱ দীপাৱলীৰ প্ৰাসংগিকতা

**ভাৰতবৰ্ষৰ** বিভিন্ন পূজা-পাতল, আচাৰ অনুষ্ঠান পৰ্বৰ ভিতৰত দেৱালী বা দীপান্বিতা ও এক প্ৰধান পৰ্ব। দীপাৱলীৰ লগত লক্ষ্মী আৰু গণেশৰ সম্পৰ্ক অগাংগীভাৱে জড়িত। এই লক্ষ্মী আৰু গণেশেই ঐশ্বৰ্য আৰু বিঘিনিৰ দেৱতা। দীপাৱলীৰ দীপ প্ৰজ্বলিত কৰি য'ত হৰ্ষ-উল্লাস প্ৰকাশ কৰা হয়, তাত লক্ষ্মী আৰু গণেশকো পূজা কৰা হয়। লক্ষ্মী দেৱীক ঐশ্বৰ্য, বৈভৱ আৰু সমৃদ্ধিৰ প্ৰতীকৰূপে মনা হয়। ব্ৰহ্ম বৈৱৰ্ত পুৰাণত উল্লেখ আছে যে কাতি মাহৰ অমাৱস্যাত লক্ষ্মী পূজা কৰিলে ধন-ঐশ্বৰ্য প্ৰাপ্তি হয়। লক্ষ্মী আৰু গণেশক বুদ্ধি আৰু সমৃদ্ধিৰ দেৱতাৰূপে ভক্তি-ভাৱনাক প্ৰকাশ কৰি পূজা কৰা হয়। লোক বিশ্বাস অনুসৰি সিদিনা লক্ষ্মী দেৱী চাৰিওদিশে বিচৰণ কৰি ফুৰে আৰু য'তেই দীপেৰে আলোকিত হয় ত'তেই তেওঁ প্ৰকট হয় আৰু তেনে পৰিয়ালৰ ওপৰত প্ৰসন্ন হয়। বৈদিক আৰ্যসকলৰ আগমনৰ পূৰ্বেই লক্ষ্মী আৰু গণেশ পূজাৰ পৰম্পৰা প্ৰচলিত আছিল। মাটিৰে নিৰ্মিত লক্ষ্মী আৰু গণেশৰ মূৰ্তি বনাই তেওঁলোকে পূজা কৰিছিল। মহেঞ্জোদাৰোত পোৱা মৃণ্ময় মূৰ্তিসমূহৰ পৰা এই কথাৰ সম্ভেদ পোৱা গৈছে। সনাতন ধৰ্মাৱলম্বী লোকে দীপাৱলীত সমৃদ্ধি আৰু বৈভৱৰ দেৱীৰূপে মা লক্ষ্মীৰ পূজা কৰে; কিন্তু গণেশ অবিহনে দীপালীৰ পূজন সম্ভৱ নহয়, কিয়নো গণেশৰ পূজা অবিহনে কোনো মাংগলিক কৰ্ম সিদ্ধি নহয়। বোধহয় সেইবাবে গণেশে সাহিত্য আৰু কলাৰ মাজতো এক বিশেষ স্থান অধিকাৰ কৰি আছে।

### শ্যামসুন্দৰ জালান

পোহৰ অবিহনে জীৱনৰ আধ্যাত্মিক সত্তা জাগ্ৰত নহয়। পোহৰ আবিষ্কাৰৰ মূল মন্ত্ৰ, ঠিক তেনেকৈ সুখ, সমৃদ্ধি আৰু আনন্দৰ মূল পথ আৰু স্ৰোত। কিন্তু আজিৰ আধুনিক জাকজমতাই ভিতৰত থকা এন্ধাৰক শেষ কৰিব নোৱাৰে। সনাতন ভাৰতবৰ্ষ যিমান ধৰ্ম বা সম্প্ৰদায় আছে তাৰ প্ৰায়েই দীপান্বিতাৰ উৎসৱ পালন কৰে।

আৰ্য সমাজৰ প্ৰৱৰ্তক স্বামী দয়ানন্দ সৰস্বতীয়ে নিৰ্বাণ প্ৰাপ্ত কৰিছিল সেই কাৰণে স্বামীজীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি আৰ্য সমাজৰ লোকে দীপাৱলী উৎসৱ পালন কৰে। ঔৰংজেৱৰ কাৰাগাৰৰ পৰা শিখ ধৰ্ম গুৰু হৰগোবিন্দক দীপাৱলীৰ দিনা কাৰাগাৰৰ পৰা মুক্তি দিছিল সেই কাৰণে শিখ ধৰ্মালম্বীসকলে এই দিনটোত দীপ প্ৰজ্বলিত কৰি



দীপাৱলী পালন কৰি আহিছে। কথিত আছে যে হেজাৰ হেজাৰ বছৰ আগতে হেনো কৃষকসকলে খেতিৰ পৰা উৎপাদিত শস্য ঘৰলৈ আনি আনন্দত মতলীয়া হৈ পৰিছিল। ঋতু পৰিৱৰ্তন আৰু শৰৎ ঋতুৰ লগতে লক্ষ্মীৰ আগমনক লৈ দীপ প্ৰজ্বলিত কৰি দীপান্বিতা উৎসৱ পালন কৰিছিল। দীপান্বিতাই ধৰিত্ৰীক পোহৰ বিলাই অমাৱস্যাৰ আন্ধাৰক বিনাশ কৰিছিল। সেই পোহৰত কৃষি বিনষ্টকাৰী পোক-পৰুৱা জাহ গৈছিল। এনেকৈ কৃষি উৎসৱ লক্ষ্মীৰ পূজালৈ ৰূপান্তৰিত হৈছিল।

দৈত্যৰাজ হিৰণ্যকশিপুৱে নিজক ঈশ্বৰ বুলি ঘোষণা কৰিছিল। সমস্ত প্ৰজাক তেওঁক ঈশ্বৰ বুলি মানিবলৈ বাধ্য কৰাইছিল; কিন্তু তেওঁৰ নিজৰ পুত্ৰ ভক্ত প্ৰহ্লাদে ঈশ্বৰ বুলি মানিবলৈ অমান্তি হোৱাত প্ৰহ্লাদৰ ওপৰত ভীষণ অত্যাচাৰ কৰা হৈছিল। প্ৰহ্লাদক ঘৰৰ খুঁটাত বান্ধি থোৱা হৈছিল। প্ৰহ্লাদক প্ৰশ্ন কৰিছিল, এতিয়া কোৱা তোমাৰ ভগৱান ক'ত? উত্তৰত প্ৰহ্লাদে কৈছিল, মোৰ অন্তৰ্যামী ঈশ্বৰ মোৰ কাষতেই আছে। যদি আছে তেন্তে তোমাৰ ঈশ্বৰ প্ৰকট হোৱা নাই কিয়? ঠিক সেই সময়তেই ঘৰৰ খুঁটা ফালি তাৰ পৰা ভগৱান বিষ্ণু ওলাই আহিছিল। নৰসিংহৰ আধা শৰীৰ সিংহৰ আছিল। গধূলি বেলাত তীক্ষ্ণ নখেৰে নৰসিংহই হিৰণ্যকশিপুৰৰ পেট ফালি দিছিল। প্ৰফুল্লিত জনতাই সিদিনাৰ পৰা দীপ প্ৰজ্বলিত কৰি দীপাৱলী পালন কৰে। ৰাৱণক বধ কৰি সীতাক উদ্ধাৰ কৰি শ্ৰীৰামে যেতিয়া ১৪ বছৰ বনবাসৰ নিৰ্বাহ খাটি অযোধ্যালৈ উভতি আহিছিল, তেতিয়া পদূলিয়ে উৰুলিৰ ধ্বনি উঠিছিল। প্ৰদীপৰ ৰশ্মিয়ে গোটেই অযোধ্যাক আলোকিত কৰিছিল। তেতিয়াৰ পৰা দীপান্বিতা বা দীপাৱলীৰ উৎসৱ জনগণে পালন কৰি আহিছে।



## কাশ্মীৰত সেনাৰ স'তে দীপাৱলী উদ্‌যাপন কৰিব মোদীয়ে

**নিউজ ব্যুৰ', জম্মু, ৩ নৱেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দীপাৱলী উৎসৱ জম্মু-কাশ্মীৰৰ সুৰক্ষাত নিয়োজিত সেনা জোৱানৰ স'তে উদ্‌যাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে দীপাৱলীত জম্মুৰ ৰাজৌৰী জিলাৰ নৌচহৰাত উপস্থিত হৈ সেনাৰ স'তে উৎসৱৰ আনন্দ গ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীৰ আগমন উপলক্ষে ইতিমধ্যে অঞ্চলটোৰ নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। উল্লেখ্য যে মোদীয়ে প্ৰতি বছৰে সেনাৰ স'তে দীপাৱলী পালন কৰি আহিছে। সীমান্তত দেশৰ নিৰাপত্তাৰক্ষাত অহৰহ নিয়োজিত সেনাৰ মনোবল বৃদ্ধি কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে এই পদক্ষেপ গ্ৰহণ কৰি আহিছে।

## আমাৰ দলত যোগদান কৰক ঃ ইজৰাইলৰ প্ৰধানমন্ত্ৰীৰ প্ৰস্তাৱত কি ক'লে মোদীয়ে ?




**নিউজ ব্যুৰ', গ্লাছগো, ৩ নৱেম্বৰ ঃ** আন্তৰ্জাতিক সন্মিলনত অংশ ল'বলৈ গৈ দল সলনি কৰাৰ প্ৰস্তাৱ লাভ কৰিলে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ভাৰতৰ প্ৰধানমন্ত্ৰীক দেশৰ কোনো ৰাজনৈতিক দলেই নহয়, এই প্ৰস্তাৱ আগবঢ়ালে সুদূৰ ইজৰাইলৰ শাসনাধিষ্ঠিত দলে। ইজৰাইলৰ ৰাষ্ট্ৰপ্ৰধান নাফটালি বেনেটে মোদীক দিলে দল সলনি কৰাৰ এই প্ৰস্তাৱ। কিন্তু কিয়, এই প্ৰস্তাৱ দিলে বেনেটে ? ইয়াৰ কাৰণ দাঙি ধৰি মোদীক বহুল প্ৰশংসা কৰি ইজৰাইলৰ ৰাষ্ট্ৰপ্ৰধানে কয়, 'আপুনি ইজৰাইল সবাতোকৈ জনপ্ৰিয় ব্যক্তি। আপুনি আমাৰ দলত যোগদান কৰক।' বেনেটৰ মুখত এই কথা শুনি হাঁহিবলৈ ধৰে ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে। গ্লাছগোত অনুষ্ঠিত হোৱা জলবায়ু পৰিৱৰ্তন বিষয়ক চিঅ'পি ২৬ শীৰ্ষ বৈঠকত এইদৰে ইজৰাইলৰ ৰাষ্ট্ৰপ্ৰধানৰ পৰা ভূয়সী প্ৰশংসা আৰু দল সলনি কৰাৰ প্ৰস্তাৱ লাভ কৰিলে মোদীয়ে। উল্লেখ্য যে যোৱা জুনত ইজৰাইলত এটা যুগৰ শাসনৰ পাছত বেঞ্জামিন নেটানিয়াহুৰে ক্ষমতা হেৰুৱাইছিল আৰু মাত্ৰ এটা ভোটৰ ব্যৱধানত জয়লাভ কৰি দেশৰ প্ৰধানমন্ত্ৰী নিযুক্ত হৈছিল বেনেট। ইজৰাইলৰ নৱ নিযুক্ত প্ৰধানমন্ত্ৰীৰ স'তে গ্লাছগোত প্ৰথমবাৰলৈ মুখামুখি হ'ল মোদী।



## দেশত এদিনত আক্ৰান্ত ১১,৯০৩, মৃত্যু ৩১১ জনৰ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৩ নৱেম্বৰ ঃ** যোৱা ২৪ ঘণ্টাত ভাৰতত পুনৰ ক'ভিডত আক্ৰান্ত হ'ল ১১,৯০৩ জন লোক। বুধবাৰ পৰ্যন্ত দেশত মুঠ ক'ভিড আক্ৰান্তৰ সংখ্যা হ'ল তিনি কোটি ৪৩ লাখ আঠ হেজাৰ ১৪০ জন। ইফালে, বিগত ২৪ ঘণ্টাত পুনৰ ৩১১ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। ক'ভিডৰ সমগ্ৰ পৰ্বটোত দেশত মুঠ চাৰি লাখ ৫৯ হেজাৰ ১৯১ জন লোকে প্ৰাণ হেৰুৱালে। বৰ্তমানে দেশত এক লাখ ৫১ হেজাৰ ২০৯ জন ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে।

## কাবুলত আইছিছৰ আক্ৰমণত নিহত তালিবান কমাণ্ডাৰ



**নিউজ ব্যুৰ', কাবুল, ৩ নৱেম্বৰ ঃ** কাবুলৰ সামৰিক চিকিৎসালয়ত ইছলামিক ষ্টেট (আইছিছ) খোৰছান গোটে সংঘটিত কৰা বোমা আক্ৰমণত প্ৰাণ হেৰুৱালে তালিবান সেনাৰ উচ্চপদস্থ কমাণ্ডাৰে। এই আক্ৰমণত ২৫ জন লোক নিহত হ'ল। মৃতকৰ মাজত তালিবানৰ কমাণ্ডাৰ হামদুল্লাহ মখলিছো আছে। তেওঁ তালিবানৰ হক্কানী নেটৱৰ্কৰ সদস্য আছিল। যোৱা আগষ্টত তালিবানে আফগানিস্তানৰ ক্ষমতা দখল কৰাৰ পাছৰে পৰা এয়ে প্ৰথম শীৰ্ষস্থানীয় তালিবান নেতাৰ সন্ত্ৰাস আক্ৰমণত মৃত্যু হ'ল। স্বাভাৱিকতে মখলিছৰ মৃত্যুৰ ঘটনাই কাবুলত উত্তেজনা বৃদ্ধি কৰিছে। উল্লেখ্য যে মঙলবাৰে বিয়লিবেলা আইছিছে কাবুলৰ সামৰিক চিকিৎসালয় এখনত প্ৰথমে আত্মঘাতী বিস্ফোৰণ আৰু তাৰ পাছত গুলিবৰ্ষণৰ ঘটনা সংঘটিত কৰিছিল। এই আক্ৰমণত ২৫ জন লোকৰ প্ৰাণহানিৰ লগতে ৫০ জনৰো অধিক লোক গুৰুতৰভাৱে আহত হৈছে।

## কৰ'নাৰ মাজতে দেশত ডেংগীৰ প্ৰকোপ বৃদ্ধি, ন ৰাজ্যলৈ বিশেষজ্ঞৰ দল প্ৰেৰণ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ নৱেম্বৰ ঃ** কৰ'না কালতে দেশজুৰি নতুন আতংক বিয়পালে ডেংগীৰ সংক্ৰমণে। মহবাহিত এই ৰোগৰ প্ৰকোপ বৃদ্ধি পাইছে কে'বাখনো ৰাজ্যত। সেয়েহে পৰিস্থিতিৰ বুজ ল'বলৈ দ্ৰুত বিশেষজ্ঞৰ দল প্ৰেৰণ কৰিলে কেন্দ্ৰই। নখন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চললৈ বিশেষজ্ঞৰ দল কেন্দ্ৰই প্ৰেৰণ কৰিছে। হাৰিয়ানা, পঞ্জাৱ, ৰাজস্থান, কেৰালা, তামিলনাডু, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, দিল্লী আৰু জম্মু-কাশ্মীৰলৈ প্ৰেৰণ কৰা হৈছে বিশেষজ্ঞৰ দল। এই ৰাজ্যসমূহত ডেংগীৰ সংক্ৰমণ ব্যাপক হাৰত বৃদ্ধি পাইছে। জানিব পৰা অনুসৰি, কেন্দ্ৰই প্ৰেৰণ কৰা বিশেষজ্ঞৰ দলে সংশ্লিষ্ট ৰাজ্য স্বাস্থ্য বিভাগক জনস্বাস্থ্য সন্দৰ্ভত প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়াব।

### প্ৰায়বোৰ মহানগৰতে ধনতেৰছত স্বৰ্ণ ক্ৰয়ৰ বাবে শাৰীত থিয় দি ভিৰ লাখ লাখ গ্ৰাহকৰ ঃ ৪০ শতাংশ গ্ৰাহক বৃদ্ধি

# ধনতেৰছত দেশত বিক্ৰী হ'ল ৭৫ হেজাৰ কোটি টকাৰ স্বৰ্ণ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৩ নৱেম্বৰ ঃ** কনফেডাৰেচন অৱ অল ইণ্ডিয়া ট্ৰেডাৰ্ছ (কেইট)ৰ পৰিসংখ্যা অনুসৰি, ধনতেৰছৰ দিনা মঙলবাৰে দেশত মুঠ ৭৫,০০০ কোটি টকাৰ স্বৰ্ণ আ-অলংকাৰ বিক্ৰী হ'ল। কেইটৰ তথ্যত প্ৰকাশ পোৱা মতে, মঙলবাৰে ভাৰতত প্ৰায় ১৫ টন স্বৰ্ণ আ-অলংকাৰ বিক্ৰী হ'ল। সংস্থাটোৰ তথ্য অনুসৰি, দিল্লীত ১০০০ কোটি টকা, মহাৰাষ্ট্ৰত ১,৫০০ কোটি টকা আৰু উত্তৰ প্ৰদেশত ৬০০ কোটি টকাৰ স্বৰ্ণ আভূষণ ধনতেৰছত বিক্ৰী হ'ল। ইফালে, দক্ষিণ ভাৰততো কালি ২,০০০ কোটি টকাৰ সোণ বিক্ৰী হৈছিল। দীপাৱলীৰ পূৰ্বে স্বৰ্ণ আ-অলংকাৰৰ বজাৰত ধনতেৰছে ইতিবাচক প্ৰভাৱ পেলালে বুলি কেইটে জানিবলৈ দিয়ে। উল্লেখ্য যে কৰ'নাৰ সংক্ৰমণৰ ফলত দেশৰ স্বৰ্ণ বজাৰ যথেষ্ট প্ৰভাৱিত হৈছিল। কিন্তু ধনতেৰছে কালি সোণৰ ক্ৰয়-বিক্ৰয়ত যথেষ্ট আশাৰ সৃষ্টি কৰিলে। সোণৰ মূল্য সৰ্বকালৰ তুলনাত বৰ্তমানে প্ৰায় আঠ হেজাৰ টকা হ্ৰাস পাইছে আৰু ইয়াৰে ইতিবাচক প্ৰভাৱ প্ৰত্যক্ষ হ'ল ধনতেৰছত। যোৱা আগষ্টত প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য ৫৭ হেজাৰ টকা আছিল। কিন্তু মঙলবাৰে ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য আছিল ৪৬,০০০-৪৭,০০০ টকা। কেইটে লগতে প্ৰকাশ কৰা অনুসৰি, দিল্লী, মুম্বাইসহ দেশৰ প্ৰায়বোৰ মহানগৰতে মঙলবাৰে ধনতেৰছ উপলক্ষে স্বৰ্ণ ক্ৰয়ৰ বাবে লাখ লাখ লোকে ভিৰ কৰিছিল। প্ৰায়বোৰ স্বৰ্ণ আ-অলংকাৰৰ বিপণীত ক্ৰেতাৰ ভিৰ ইমানে অধিক হৈছিল যে সোণ কিনিবলৈ গ্ৰাহকে শাৰীত থিয় দিব লগা হৈছিল। তদুপৰি অনলাইনৰ জৰিয়তেও যথেষ্টসংখ্যক লোকে ধনতেৰছত স্বৰ্ণ ক্ৰয় কৰিলে। সাধাৰণতে ভাৰতত ধনতেৰছত ২০-৩০ টন সোণ বিক্ৰী হৈ আহিছে আৰু এইবাৰ সামান্য অধিক পৰিমাণত বিক্ৰী বৃদ্ধি পালে। যোৱা বছৰৰ তুলনাত বিপণীলৈ গৈ ধনতেৰছত স্বৰ্ণ ক্ৰয় কৰা গ্ৰাহকৰ সংখ্যা ৪০ শতাংশ বৃদ্ধি পালে বুলিও কেইটে জানিবলৈ দিয়ে।





## ছয় নৱেম্বৰলৈকে ই ডিৰ জিম্মাত থাকিব লাগিব অনিল দেশমুখ

**নিউজ ব্যুৰ'**
**মুম্বাই, ৩ নৱেম্বৰ ঃ** মহাৰাষ্ট্ৰৰ প্ৰাক্তন গৃহমন্ত্ৰী অনিল দেশমুখক বিশেষ আদালতে অহা ছয় নৱেম্বৰলৈকে প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ জিম্মালৈ প্ৰেৰণ কৰিলে। উল্লেখ্য যে ই ডিয়ে যোৱা সোমবাৰে নিশা দেশমুখক গ্ৰেপ্তাৰ কৰিছিল। গ্ৰেপ্তাৰৰ পূৰ্বে ই ডিয়ে দেশমুখক একেৰাহে ১২ ঘণ্টা জেৰা কৰিছিল। জেৰাৰ সময়ত দেশমুখে ই ডিৰ প্ৰশ্নৰ উত্তৰ সঠিকভাৱে দিয়া নাছিল বুলি তদন্তকাৰী বিষয়াই অভিযোগ কৰিছিল। উল্লেখ্য যে দেশমুখৰ বিৰুদ্ধে অবৈধভাৱে বিত্তীয় লেনদেন আৰু ধন সংগ্ৰহৰ অভিযোগ উত্থাপন হৈছিল। মুম্বাইৰ প্ৰাক্তন আৰক্ষী আয়ুক্ত পৰমবীৰ সিঙে দেশমুখৰ বিৰুদ্ধে একাংশ আৰক্ষীৰ সহযোগত মুম্বাইৰ পানশালা আৰু ৰেস্তোৰাঁৰ পৰা প্ৰতিমাহে এশ কোটি টকাৰ গুণ্ডাকৰ সংগ্ৰহৰ অভিযোগ আনিছিল।

## কৰ'না প্ৰতিৰোধৰ মন্ত্ৰ দি মোদীয়ে ক'লে 'হৰ ঘৰ টিকা, ঘৰ ঘৰ টিকা'



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ নৱেম্বৰ ঃ** বিদেশ ভ্ৰমণৰ পৰা স্বদেশলৈ উভতি অহাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশত কৰ'নাৰ টিকাকৰণত পিছপৰি থকা জিলাসমূহৰ সন্দৰ্ভত সংশ্লিষ্ট ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ স'তে আলোচনা কৰে। এই আলোচনাৰ সময়ত মোদীয়ে 'হৰ ঘৰ টিকা, ঘৰ ঘৰ টিকা' (প্ৰতি ঘৰত টিকা, ঘৰে ঘৰে টিকা)ৰ মন্ত্ৰ দি কয় যে এতিয়া আমি সকলোৱে ক'ভিড প্ৰতিৰোধৰ ক্ষেত্ৰত কঠোৰতা অৱলম্বন কৰা জৰুৰী। উল্লেখ্য যে দেশৰ ১৩খন ৰাজ্যৰ ৪৮ জিলাত ক'ভিডৰ প্ৰথমপালি টিকাকৰণৰ হাৰ ৫০ শতাংশৰ তলত আছে। টিকাকৰণৰ গতি দ্ৰুত কৰিবলৈ মোদীয়ে কয় যে এতিয়া দেশে 'হৰ ঘৰ টিকা, ঘৰ ঘৰ টিকা' মন্ত্ৰৰে টিকাকৰণ অভিযান আগুৱাই নিব লাগিব।




## ভাৰতত নিচা সেৱনকাৰী ৬৫ শতাংশ আসক্তৰ বয়স ১৮ অনুৰ্ধ্ব

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ নৱেম্বৰ ঃ** ভাৰতত বিভিন্ন ধৰণৰ নিচাযুক্ত দ্ৰব্য সেৱনকাৰীৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। বিগত তিনি বছৰত দেশত নিচাযুক্ত দ্ৰব্যৰ ব্যৱসায় পাঁচগুণ বৃদ্ধি পালে। মুম্বাইৰ লগতে বলিউডত দেশৰ ভিতৰতে সৰ্বাধিক গতিত নিচাযুক্ত দ্ৰব্যৰ ব্যৱসায় আৰু প্ৰচলন বৃদ্ধি পাইছে। পৰিসংখ্যা অনুসৰি ভাৰতত উপলব্ধ নিচাযুক্ত দ্ৰব্যসমূহৰ ৮৪ শতাংশ পাকিস্তানৰ ফালৰ পৰা সৰবৰাহ কৰা হয়। পাকিস্তানৰ সীমান্তৱৰ্তী ৰাজস্থান আৰু পঞ্জাৱৰ লগতে মুম্বাইতো সৰ্বপ্ৰথমে এনেবোৰ নিষিদ্ধ নিচাযুক্ত দ্ৰব্য বিক্ৰী কৰা হয়। নিচাযুক্ত দ্ৰব্যৰ ব্যৱসায়ীয়ে প্ৰকাশ কৰা অনুসৰি, তেওঁলোকে শিক্ষানুষ্ঠানৰ আশে-পাশে নিষিদ্ধ মাদকৰ বেহা চলাই আহিছে। চাইল্ড লাইন ইণ্ডিয়া ফাউণ্ডেচনৰ এক প্ৰতিবেদনৰ তথ্য মতে, ভাৰতত নিচা সেৱনকাৰী ৬৫ শতাংশ আসক্তৰ বয়স হৈছে ১৮ বছৰতকৈ তলত। এই বয়সৰ লোকৰ মাজত দেশত নিচা আসক্তৰ সংখ্যা বৃদ্ধি পাইছে।

### বসবাসৰ অনুপযোগী হ'ল দেশৰ ৰাজধানী ঃ দীপাৱলীৰ পাছত হ'ব অধিক প্ৰদূষিত

## দীপাৱলীৰ পূৰ্বেই ভয়াৱহভাৱে প্ৰদূষিত দিল্লীৰ বায়ুমণ্ডল

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ নৱেম্বৰ ঃ** দিল্লী আৰু ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলৰ বায়ুমণ্ডল বিগত তিনিদিন ধৰি সৰ্বাধিক প্ৰদূষিত হৈছে। বিগত ২৪ ঘণ্টাত ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ অধিকাংশ চহৰৰ লগতে দিল্লীৰ বায়ুমণ্ডল প্ৰদূষণৰে বসবাসৰ অনুপযোগী হৈ উঠিছে। ৰাজধানী চহৰখনৰ সৰ্বাধিক প্ৰদূষিত অঞ্চলত সম্প্ৰতি প্ৰদূষিত বায়ুৰ সূচাংক ৩৪৫ শতাংশলৈ বৃদ্ধি পাইছে। নৰেলা ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ সবাতোকৈ প্ৰদূষিত অঞ্চল হিচাপে চিহ্নিত হৈছে। দীপাৱলীৰ পূৰ্বেই দিল্লীৰ বায়ুমণ্ডল সৰ্বাধিক প্ৰদূষিত হ'ল। প্ৰদূষণ বিশেষজ্ঞৰ মতে, দীপাৱলীৰ পাছত দেশৰ ৰাষ্ট্ৰীয় ৰাজধানীৰ বায়ুমণ্ডল সম্পূৰ্ণভাৱে বসবাসৰ অনুপযোগী হ'ব। উল্লেখ্য যে প্ৰতি বছৰে দীপাৱলীৰ পাছত কে'বাদিনলৈকে দিল্লীৰ বায়ুমণ্ডল সৰ্বাধিক প্ৰদূষিত হৈ থাকে। দিল্লীৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে দীপাৱলীত আতচবাজীৰ পৰা ৰাজধানীবাসীক বিৰত থাকিবলৈ প্ৰতি বছৰে প্ৰশাসনে আহ্বান জনাই আহিছে। কিন্তু এনে আহ্বানক আওকাণ কৰি ব্যাপক হাৰত আতচবাজী কৰাৰ ফলত দিল্লীৰ বায়ু প্ৰদূষণৰ সমস্যাটো দীপাৱলীৰ সময়ত সবাতোকৈ ভয়াৱহ হৈ উঠে।






## পাকিস্তানত সাংবাদিকৰ বিৰুদ্ধে হিংসা বৃদ্ধি, বিশেষ ৱেবছাইট মুকলি

**নিউজ ব্যুৰ', কৰাচী, ৩ নৱেম্বৰ ঃ** পাকিস্তানত সাংবাদিকৰ বিৰুদ্ধে বৃদ্ধি পোৱা হিংসাত্মক ঘটনাৰ সন্দৰ্ভত সংবাদ সংগঠনে চৰকাৰৰ বিৰুদ্ধে এটা বিশেষ ৱেবছাইট মুকলি কৰিলে। এতিয়ালৈকে ইমৰান খানৰ চৰকাৰে দুই ডজনৰো অধিক সাংবাদিকক দেশখনত গ্ৰেপ্তাৰ কৰিছে। ইমৰান চৰকাৰৰ এই কাৰ্যৰ বিৰুদ্ধে থিয় দি পাকিস্তানৰ সংবাদপত্ৰৰ সম্পাদক আৰু সাংবাদিকসকলে চৰকাৰৰ পদক্ষেপৰ সন্দৰ্ভত নিৰীক্ষণৰ উদ্দেশ্যৰে এডিটৰ্ছ ফৰ ছেফটি নামৰে এটা বিশেষ ৱেবছাইট মুকলি কৰিলে। এই ৱেবছাইটত সাংবাদিকৰ বিৰুদ্ধে দেশখনত সংঘটিত হোৱা নিৰ্যাতন আৰু হিংসাত্মক ঘটনাৰ সবিশেষ তথ্যপাতি উপলব্ধ হ'ব। উল্লেখ্য যে ২০০২ৰ পৰা বৰ্তমানলৈকে পাকিস্তানত ৭৬ জন সাংবাদিক হত্যাৰ বলি হ'ল।

## কংগ্ৰেছক তৃণমূল কংগ্ৰেছে ক'লে ঃ আহক একেলগে বিজেপিক পৰাভূত কৰো



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ নৱেম্বৰ ঃ** পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ পাছৰে পৰা কংগ্ৰেছৰ প্ৰতি মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছৰ আচৰণ সলনি হোৱাটো প্ৰত্যক্ষ হৈ আহিছে। তৃণমূল কংগ্ৰেছৰ মুখপাত্ৰ ডেৰেক অ'ব্ৰায়ানে কংগ্ৰেছলৈ পুনৰ বন্ধুত্বৰ প্ৰস্তাৱ আগবঢ়োৱাৰ লগতে গোৱা বিধানসভাৰ আগন্তুক নিৰ্বাচনত কংগ্ৰেছৰ স'তে একেলগে ৰণনীতি নিৰ্ধাৰণ কৰি বিজেপিক পৰাভূত কৰিবলৈ বিচাৰিছে। সদ্যসমাপ্ত বিধানসভাৰ উপ-নিৰ্বাচনৰ পাছত তৃণমূল কংগ্ৰেছৰ আত্মবিশ্বাস বৃদ্ধি পালে আৰু দলটোৰ নেতা অ'ব্ৰায়ানে কংগ্ৰেছলৈ প্ৰস্তাৱ আগবঢ়াই কয় যে দল দুটাই নিজৰ মাজত দ্বন্দ্ব সৃষ্টি কৰাৰ পৰিৱৰ্তে বিজেপিক পৰাভূত কৰিবলৈ হাত মিলোৱা উচিত। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত তৃণমূল কংগ্ৰেছৰ নেতাজনে এইদৰে কয়, 'আমি নিজৰ মানসিকতা সলনি কৰিব লাগিব। কেৱল কথা কৈ অহাৰ পৰিৱৰ্তে আমি বিৰোধীয়ে একেলগে কাম কৰা উচিত। বিৰোধীয়ে নিজৰ মাজত যুঁজ কৰাৰ প্ৰয়োজন নাই। আমাৰ একমাত্ৰ লক্ষ্য হৈছে বিজেপিক পৰাভূত কৰা।'

## ক'ভিডৰ নতুন প্ৰজাতিৰ ব্যাপক সংক্ৰমণ অব্যাহত চীনত



**নিউজ ব্যুৰ', বেইজিং, ৩ নৱেম্বৰ ঃ চীনত আকৌ এবাৰ কৰ'না ভাইৰাছৰ সংক্ৰমণ উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। অতি সংক্ৰামক 'ডেল্টা প্লাছ' প্ৰজাতিৰ ব্যাপক সংক্ৰমণৰ ফলত চীনৰ ১৯ খন প্ৰদেশৰ বাসিন্দা আক্ৰান্ত হৈছে। যোৱা তিনি অক্টোবৰলৈকে দেশখনত ৯৩ জন স্থানীয় বাসিন্দা ক'ভিডত নতুনকৈ আক্ৰান্ত হৈছিল। আনহাতে, ১১ জন লোকৰ দেহত উপসৰ্গহীন ক'ভিডৰ সংক্ৰমণো ধৰা পৰিছিল। ৰাজধানী বেইজিঙত যোৱা ২৪ ঘণ্টাত ন জন লোক নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল। বেইজিঙত সম্প্ৰতি ৩৮ জন সক্ৰিয় ক'ভিড ৰোগী আছে। উল্লেখ্য যে ২০২১ৰ ফেব্ৰুৱাৰীৰ পাছত এয়ে প্ৰথমবাৰ বেইজিঙত সৰ্বাধিকসংখ্যক কৰ'না আক্ৰান্তক চিনাক্ত কৰা হৈছে। ক'ভিডৰ নতুন সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি চীনৰ কে'বাখনো প্ৰদেশত স্থানীয় প্ৰশাসনে ক'ভিড বিধি জাৰি কৰাৰ লগতে তলাবন্ধও ঘোষণা কৰিছে।**

# ছেমৰ দাবী ঃ পূজাই আৰিয়ানক ৰক্ষা কৰিবলৈ ৫০ লাখ দিছিল, এন চি বিৰ বিষয়া দুৰ্নীতিগ্ৰস্ত নহয়

**নিউজ ব্যুৰ', মুম্বাই, ৩ নৱেম্বৰ ঃ** মুম্বাইৰ প্ৰমোদতৰীৰ নিষিদ্ধ মাদক দ্ৰব্যৰ পাৰ্টি আয়োজনৰ গোচৰত পুনৰ কিছু নতুন তথ্য ফাদিল হ'ল। এই গোচৰত চৰ্চিত হোৱা ছেম ডিছুজাই দাবী কৰা অনুসৰি, মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ ব্যক্তিগত প্ৰবন্ধক পূজা দদলানিয়ে আৰিয়ান খানক গ্ৰেপ্তাৰৰ পৰা ৰক্ষা কৰিবলৈ নগদ ধন দিছিল। ছেমে এক সাক্ষাৎকাৰত কয় যে কিৰণ গ'ছাভিয়ে পূজাক বাৰ্তা প্ৰেৰণ কৰি আৰিয়ানৰ পৰা নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)ৰ বিষয়াই কোনো সামগ্ৰী লাভ কৰা নাই বুলি অৱগত কৰিছিল। আৰিয়ানক ৰক্ষা কৰিবলৈ প্ৰয়োজনীয় সহায় প্ৰদানৰ বাবদ গ'ছাভিয়ে পূজাৰ পৰা ৫০ লাখ টকা বিচাৰিছিল। ইয়াৰ পাছতে পূজাই গ'ছাভিক ৫০ লাখ টকা আদায় দিছিল। কিন্তু পাছত যেতিয়া গ'ছাভি এজন প্ৰৱঞ্চক বুলি জানিব পাৰে, তেতিয়া ছেমে পূজাক উক্ত ধনৰাশি ওভতাই দিছিল। গ'ছাভিয়ে নিজকে এন চি বিৰ ঘনিষ্ঠ বুলি প্ৰদৰ্শন কৰিছিল যদিও প্ৰকৃততে তেওঁৰ স'তে তদন্তকাৰী সংস্থাটোৰ বিষয়াৰ কোনো সম্পৰ্ক নাছিল বুলিও ছেমে দাবী কৰে। এই সাক্ষাৎকাৰত এন চি বিৰ বিষয়া দুৰ্নীতিগ্ৰস্ত নহয় বুলিও ছেমে দাবী কৰিছে। উল্লেখ্য যে নিষিদ্ধ মাদকৰ গোচৰত অন্যতম সাক্ষী প্ৰভাকৰ ছাইলে নিজৰ শপতনামাত অন্যান্য চাঞ্চল্যকৰ তথ্যৰ লগতে ব্যৱসায়ী ছেম ডিছুজাৰ নামো উল্লেখ কৰিছিল। এ বি পি নিউজৰ এক সাক্ষাৎকাৰত ছেমে কয় যে শ্বাহৰুখৰ মেনেজাৰ পূজাই গ'ছাভিক ৫০ লাখ টকা দিছিল যদিও পাছত সেই ধন তেওঁৰ পৰা ওভতাই লোৱা হৈছিল। ছেমে এই সাক্ষাৎকাৰত লগতে কয় যে এন চি বিৰ বিষয়া সমীৰ ৱাংখেড়ে দুৰ্নীতিগ্ৰস্ত নহয়। গ'ছাভিয়ে ৱাংখেড়েৰ ঘনিষ্ঠ হোৱাৰ অভিনয় কৰি শ্বাহৰুখ পুত্ৰৰ মুক্তিৰ বিনিময়ত পূজাৰ পৰা ধন সৰকাব বিচাৰিছিল বুলি ছেমে এই সাক্ষাৎকাৰত দাবী কৰে।





## ফটকা নিষিদ্ধকৰণত অসন্তুষ্ট অভিনেত্ৰী কংগনা

**নিউজ ব্যুৰ', মুম্বাই, ৩ নৱেম্বৰ ঃ ন্যায়ালয়ৰ নিষেধাজ্ঞাৰ পাছত এইবাৰৰ দীপাৱলীত ফটকা আৰু আতচবাজীৰ পৰা বিৰত থাকিবলৈ বলিউডৰ বহু অভিনেতা-অভিনেত্ৰীয়ে অনুৰাগীসকলক আহ্বান জনাইছে। কিন্তু এই ক্ষেত্ৰত বিপৰীতমুখী স্থিতি গ্ৰহণ কৰিলে বলিউডৰ সদা বিতৰ্কিত অভিনেত্ৰী কংগনা ৰণৌটে। দীপাৱলীৰ ফটকা ফুটোৱাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনোৱা লোকসকলক কটাক্ষ কৰিলে এইগৰাকী অভিনেত্ৰীয়ে। সামাজিক মাধ্যমৰ জৰিয়তে ফটকা নিষিদ্ধকৰণৰ বিৰুদ্ধে থিয় দি কংগনাই কয় যে ফটকা নিষিদ্ধ কৰাৰ দাবী উত্থাপন কৰা লোকসকলে পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে দীপাৱলীত তিনিদিনৰ বাবে নিজৰ গাড়ী ব্যৱহাৰ কৰাৰ পৰা বিৰত থকা উচিত। 'দীপাৱলীত সকলো পৰিৱেশ কৰ্মীক পৰামৰ্শ দি কওঁ যে যেতিয়া আপুনি কাৰ্যালয়লৈ যাব, তেতিয়া তিনিদিনলৈকে আপোনাৰ গাড়ীখন ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকক।' ইনষ্টাগ্ৰামত অভিনেত্ৰীগৰাকীয়ে এইদৰে পৰামৰ্শ দিয়ে। উল্লেখ্য যে প্ৰবীণ অভিনেতা অনিল কপুৰৰ কন্যা ৰিয়া কপুৰে সামাজিক মাধ্যমৰ জৰিয়তে এইবাৰৰ দীপাৱলীত দেশবাসীক ফটকা ফুটোৱাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছিল আৰু অনিল কন্যাৰ এই আহ্বানৰ প্ৰত্যুত্তৰ দি কংগনাই পৰামৰ্শ আগবঢ়ায়।**

## কৰ'না, ডেংগীৰ পাছত এইবাৰ দিল্লীত ছোৱাইন ফ্লুৰ আগমন, ৬০ দিনত ৪৪ গুণ সংক্ৰমণ বৃদ্ধি

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ নৱেম্বৰ ঃ** কৰ'না মহামাৰী আৰু ডেংগীৰ সংক্ৰমণৰ পাছত এইবাৰ দিল্লীবাসীয়ে আন এক সংক্ৰমিত ৰোগৰ আতংকত ভুগিছে। ৰাষ্ট্ৰীয় ৰাজধানীত ছোৱাইন ফ্লু অৰ্থাৎ গাহৰি জ্বৰৰ সংক্ৰমণৰ ঘটনা বৃদ্ধি পাইছে। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি, বিগত ৬০ দিনত দিল্লীত ছোৱাইন ফ্লুৰ সংক্ৰমণ ৪৪ গুণ বৃদ্ধি পাইছে। যোৱা জুলাইলৈকে দিল্লীত ছোৱাইন ফ্লুত আক্ৰান্ত ৰোগীৰ সংখ্যা দুজনতে সীমিত আছিল। কিন্তু বিগত ৬০ দিনত দেশৰ ৰাজধানী চহৰখনত ছোৱাইন ফ্লুত আক্ৰান্ত ৰোগীৰ সংখ্যা ৮৮ জনলৈ বৃদ্ধি পালে। অৱশ্যে বৰ্তমানলৈকে দিল্লীত এজনো ছোৱাইন ফ্লু ৰোগীৰ মৃত্যু হোৱা নাই। কিন্তু আক্ৰান্তৰ সংখ্যা কম সময়ৰ ভিতৰত অধিক হোৱাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য বিভাগে সতৰ্কতা অৱলম্বন কৰিছে। ২০১৬ত ৰাজধানী চহৰখনত ১৯৩ ছোৱাইন ফ্লু আক্ৰান্তক চিনাক্ত কৰা হৈছিল। তদুপৰি উক্ত বৰ্ষত সাতজন ছোৱাইন ফ্লু আক্ৰান্তই প্ৰাণ হেৰুৱাইছিল। ২০১৭ত ২৮৩৫ লোক ছোৱাইন ফ্লুত আক্ৰান্ত আৰু ১৬ জনৰ মৃত্যু হৈছিল। অৱশ্যে ২০১৮ত ২০৫জন এই জ্বৰত আক্ৰান্ত আৰু দুজনৰ মৃত্যু হৈছিল। ২০১৯ত ৩৬২৭ জন আক্ৰান্ত আৰু ৩১ জনৰ মৃত্যু হৈছিল। ২০২০ত ৪১২ জন লোক ছোৱাইন ফ্লুত আক্ৰান্ত হৈছিল যদিও এজনো ৰোগীৰ মৃত্যু হোৱা নাছিল।



# মিঠাতেল অবিহনে জ্বলিব দুঘণ্টাৰো অধিক সময় ঃ জামুগুৰিহাটত বিশেষ চাকি

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৩ নৱেম্বৰ ঃ** ৰাজ্যত দেখা দিয়া অত্যধিক মিটাতেলৰ দাম বৃদ্ধিৰ সময়ত যাতে মিঠাতেলৰ চাকি জ্বলাই অধিক ধন খৰচ কৰি পোহৰৰ উৎসৱ দীপান্বিতা উদ্‌যাপন কৰিব লগা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ জীৱিকা আত্ম সহায়ক গোটে জামুগুৰিহাটৰ বজাৰলৈ উলিয়াই দিছে এক বিশেষ চাকি। এই আত্ম সহায়ক গোটটিয়ে নিজা চিন্তাৰে চাকিৰ উপৰিও পোহৰৰ উৎসৱৰ বজাৰলৈ উলিয়াই দিছে ধূপ আৰু ফুলদানি। মুঠ ১০ গৰাকী সদস্যাৰে গঠিত এই গোটটোৱে জামুগুৰিহাটৰ বজাৰলৈ উলিয়াই দিয়া বিশেষ চাকিটো মিঠাতেলৰ অবিহনে দুঘণ্টাৰো অধিক সময় জ্বলি থাকিব বুলি সদস্যসকলে জানিবলৈ দিছে। এই চাকিটো এক বিশেষ মম জাতীয় পদাৰ্থৰে নিৰ্মাণ কৰা হৈছে। ইতিমধ্যে ১০ হেজাৰ চাকি তৈয়াৰ কৰা গোটটোৱে ইতিপূৰ্বে ছয় হেজাৰ চাকি বিক্ৰী কৰিছে বুলি মন্তব্য কৰে গোটটিৰ সভানেত্ৰী মনি দাস আৰু সম্পাদিকা পম্পী শইকীয়াই। পোহৰৰ উৎসৱৰ প্ৰতি লক্ষ্য ৰাখি বজাৰলৈ উলিয়াই দিয়া এই বিশেষ চাকিৰ প্ৰতি ৰাইজৰ আকৰ্ষণ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

# টিহুত ফটকা ফুটোৱা নহয়- পোহৰেৰে দীপাৱলী পালনৰ আহ্বান



অগ্ৰদূত বাৰ্তা

**টিহু, ৩ নৱেম্বৰ ঃ** পোহৰৰ উৎসৱ দীপাৱলীত ফটাক ফুটোৱাৰ পৰিৱৰ্তে মাটিৰ চাকি জ্বলাই পোহৰৰ উৎসৱ পালন কৰি এখন প্ৰদূষণ মুক্ত সমাজ গঢ়ি তুলিবলৈ আহ্বান জনাইছে টিহু ছোৱালী হাইস্কুলৰ এজাক শিক্ষাৰ্থীয়ে। আজি দুপৰীয়া টিহু ছোৱালী হাইস্কুলৰ ইক' ক্লাবৰ উদ্যোগত শিক্ষানুষ্ঠানখনৰ নৱম শ্ৰেণীৰ এজাক শিক্ষাৰ্থীয়ে টিহু নগৰৰ ৰাজপথত হাতে হাতে প্লেকাৰ্ড প্ৰদৰ্শন কৰি 'দেৱালীত ফটকা নহয়, মাটিৰ চাকিৰ পোহৰেৰে উৎসৱ পালন কৰক', শব্দ প্ৰদূষণ, বায়ু প্ৰদূষণ ৰোধ কৰক', ফটকাৰ পৰিৱৰ্তে চৌদিশ পোহৰেৰে উজ্জ্বলাই তোলক' আদি ধ্বনি সম্বলিত প্লেকাৰ্ড লৈ ৰাইজক সজাগ কৰা পৰিলক্ষিত হয়। শিক্ষাৰ্থীসকলে লগতে টিহু পৰিদৰ্শন বঙলাৰ সন্মুখত 'ফটকা নুফুটাব' শীৰ্ষক এখন সজাগতামূলক বাটৰ নাট প্ৰদৰ্শন কৰি ধোঁৱা আৰু শব্দহীন পোহৰেৰে এক আধ্যাত্মিক চিন্তাচৰ্চাৰে দীপাৱলী পালন কৰাৰ বাবে ৰাইজলৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে। বাটৰ নাটখনত শিক্ষাৰ্থী ক্ৰমে বৃষ্টিমণি কলিতা, ৰীমা দেৱী, প্ৰিয়া দাস, ভায়োলিনা কলিতা, উপাসনা বড়ো আৰু উদিস্মিতা বৈশ্যই অভিনয় কৰে। ইপিনে, প্ৰতিবছৰে দীপাৱলীৰ নামত একাংশই ফটাক, আতচবাজী আদি ফুটাই শব্দ, বায়ু প্ৰদূষিত কৰাৰ লগতে নিশা জিৰণি লোৱা চৰাই-চিৰিকটি, জীৱ-জন্তু আদিৰ জীৱন দুৰ্বিষহ কৰি তোলা বুলি শিক্ষাৰ্থীসকলে গভীৰ উদ্বেগ প্ৰকাশ কৰে। শিক্ষাৰ্থীসকলৰ এনে অভিনৱ সজাগতামূলক অভিযানৰ মুকলি কৰে টিহু ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী লাৱণ্য ডেকাই। প্ৰধান শিক্ষয়িত্ৰী ডেকাই দীপাৱলীৰ তাত্ত্বিক দিশ ব্যাখ্যা কৰি সাম্প্ৰতিক সময়ত সৃষ্টি হোৱা প্ৰদূষণৰ ভয়াবহতা সম্পৰ্কে ব্যাখ্যা কৰে।

# সেউজ দীপাৱলী উদ্‌যাপনৰ আহ্বানেৰে নগাঁৱত পদযাত্ৰা

বিশেষ সংবাদদাতা

**নগাঁও, ৩ নৱেম্বৰ ঃ** পান্থতৰু সংৰক্ষণী, অসমৰ উদ্যোগত আজি নগাঁৱত দীপাৱলীত জনসাধাৰণে ফটকা আতচবাজী পৰিত্যাগ কৰি সেউজ দীপাৱলী উদ্‌যাপন কৰিবলৈ আহ্বান জনায় নগাঁও মহাবিদ্যালয়ৰ সন্মুখৰ পৰা এটি সজাগতামূলক পদযাত্ৰা উলিয়ায়। মৌনভাৱে উলিওৱা উক্ত পদযাত্ৰাটোত পান্থতৰু সংৰক্ষণী অসমৰ কে'বাজনো সদস্যৰ লগতে নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে যোগ দি নতুন বজাৰৰ মাজেৰে বৈ নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ সন্মুখত শেষ কৰে। প্ৰায় ৪০ জন সদস্য আৰু ছাত্ৰ-ছাত্ৰী অংশগ্ৰহণ কৰা পদযাত্ৰাটোত অংশগ্ৰহণ কৰি প্ৰত্যুষৰঞ্জন ভাগৱতীয়ে বায়ু প্ৰদূষণ, শব্দ প্ৰদূষণৰ সৃষ্টি হোৱাতকৈ ফটকাবিহীন দীপাৱলী উদ্‌যাপন কৰিবলৈ সকলোকে আহ্বান জনায়। নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ যুগস্নাভ বড়োৱে ৰাইজক পোহৰৰ উৎসৱ দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰি কয় যে দীপাৱলীৰ এই শুভক্ষণত ৰাইজলৈ বিনম্ৰ আহ্বান জনাওঁ যে দীপাৱলীৰ এই সময়ছোৱাত আতচবাজী-ফটকা ব্যৱহাৰ কৰাৰ পৰা বিৰত হৈ সেউজ দীপাৱলী উদ্‌যাপনেৰে এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে যেন। পান্থতৰু সংৰক্ষণী, অসমৰ সম্পাদক বুবুল শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে উৎসৱৰ নামত মৃত্যুৰ বিভীষিকা আৰু নালাগে, নালাগে বায়ু প্ৰদূষণ। জীৱশ্ৰেষ্ঠ মানৱ জাতিয়ে নিজৰ শ্ৰেষ্ঠতা প্ৰমাণ কৰিবৰ বাবেই পৰিবেশৰ প্ৰতি দায়বদ্ধ হোৱা দৰকাৰ। বোমা-ফটকাবিহীন সেউজ দীপাৱলী আজিৰ সময়ৰ দাবী। পৰিহাৰ কৰক বায়ু প্ৰদূষণ সৃষ্টি কৰা আতচবাজীৰ চিঞৰ।

# বৰভাগ কলেজৰ কৰ্মচাৰী অমল বৰুৱাৰ আকস্মিক বিয়োগ

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ৩ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত কমাৰকুছি গাঁও নিবাসী তথা বৰভাগ কলেজৰ কৰ্মচাৰী অমল বৰুৱা (৫৩)ৰ আজি পুৱা প্ৰায় ন বজাত নলবাৰী ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। উল্লেখ্য যে ১৯৯১ত বৰভাগ কলেজৰ শিক্ষা বিভাগৰ সহায়ক হিচাপে কৰ্মত যোগদান কৰা বৰুৱাৰ আকস্মিক মৃত্যুই শোকস্তব্ধ কৰি তোলে কলেজ কৰ্তৃপক্ষৰ লগতে অঞ্চলটোৰ ৰাইজক। সুদক্ষ খেলুৱৈ তথা কবি হিচাপে সমাদৃত বৰুৱাক যোৱা এক নৱেম্বৰত নলবাৰীৰ চিকিৎসালয়ৰ পৰা পৰিয়ালৰ লোকে নিজ গৃহলৈ নিছিল। কালি পুনৰ তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটাত নলবাৰীৰ ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায় যদিও আজি পুৱা তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত ইহসংসাৰত তেওঁ পত্নীসহ একমাত্ৰ পুত্ৰ আৰু এগৰাকী কন্যাসহ বহু আত্মীয়ক এৰি গৈছে।


E-PROCUREMENT NOTICE [illegible]

[illegible]

Janasanyog/C/7546/21

No. SIPRD-[illegible]

NOTIFICATION

[illegible] Block Project Manager (PMAY-G) [illegible] Office of the Commissioner, Panchayat & Rural Development, Assam [illegible] Dated 25th Jan'2021.

| Name of Post | Date | Time |
|---|---|---|
| Block Project Manager (PMAY-G) | [illegible] | [illegible] |

[illegible]

Janasanyog/D/8727/21

A D V E R T I S E M E N T

[illegible]

Venue of Interview - [illegible], District-Kalbari
[illegible]

[illegible]

Age: The applicant should not be below 21 years and above [illegible] years of age on 1st January 2021

[illegible]

N.B.: No TA/DA shall be paid to the candidates for attending the interview.

[illegible]

CONDITIONS:

1. [illegible]
2. [illegible]
3. The applicants must have valid Employment Exchange Registration Card of Assam.
4. [illegible]

Superintendent CUM Member Secretary IMC
Industrial Training Institute, Kalbari

C V

[illegible]

Janasanyog/D/8636/21

## মূল্যবৃদ্ধিৰ বিৰুদ্ধে লখিমপুৰত এছইউচিআইৰ প্ৰতিবাদ

**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ৩ নৱেম্বৰ ঃ** ছ'চিয়েলিষ্ট ইউনিটি চেণ্টাৰ অৱ ইণ্ডিয়া, কমিউনিষ্টৰ, লখিমপুৰ শাখাই আজি লখিমপুৰ নগৰত বয়বস্তুৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদী সমদল উলিয়ায়। নগৰৰ মাজেৰে প্ৰতিবাদী সমদল কৰি উপায়ুক্তৰ কাৰ্যালয়ত ধৰ্ণা দিয়াৰ লগতে প্ৰতিবাদকাৰীসকলে উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। প্ৰতিবাদকাৰীসকলে পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছসহ অত্যাৱশ্যকীয় সামগ্ৰীৰ লেকামহীন মূল্যবৃদ্ধি ৰোধ কৰা, অত্যাৱশ্যকীয় সামগ্ৰীৰ খুচুৰা আৰু পাইকাৰী উভয়তে পূৰ্ণাংগ ৰাষ্ট্ৰীয় বাণিজ্য প্ৰৱৰ্তন কৰা, অস্বাভাৱিক হাৰত বৃদ্ধি হোৱা বাছৰ ভাড়া ৰোধ কৰা আজি দাবী জনায়।

## তেজপুৰৰত ৰোগগ্ৰস্ত আৰ্থিকভাৱে দুৰ্বলক সাহায্য বিতৰণ বিধায়কৰ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৩ নৱেম্বৰ ঃ** ৰাজ্যৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ ৰোগগ্ৰস্তসকলৰ লগতে ছাত্ৰ-ছাত্ৰীৰ কিছু সকাহ হোৱাকৈ ৰাজ্যজুৰি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ৰোগীৰ বাবে ১৫ হেজাৰ আৰু আৰ্থিক অনাটনত ভোগা ছাত্ৰ-ছাত্ৰীৰ বাবে পাঁচ বা ছয় হেজাৰ টকাকৈ আগবঢ়োৱা সাহায্য তেজপুৰতো বিতৰণ কৰা হৈছে। তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই ইতিমধ্যে তেজপুৰৰ গাঁও পঞ্চায়ত তথা পৌৰসভাৰ অন্তৰ্গত অঞ্চলত প্ৰথম পৰ্যায়ত ৪২ গৰাকী ৰোগীলৈ আৰু পাছৰ পৰ্যায়ত ১৮৯জন ৰোগীৰ প্ৰতিজনকে ১৫ হেজাৰ টকাৰ চেক বিতৰণ কৰে। বিয়লি তেজপুৰৰ উষাপুৰ গাঁও পঞ্চায়তৰ লগতে গৰৈমাৰী আৰু তেজপুৰ পৌৰসভাৰ মুঠ ১৩টা ৱাৰ্ডৰ নিৰ্বাচিত হিতাধিকাৰীক এই সাহায্য আগবঢ়ায়। বিধায়কজনে লগতে কয় যে মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা ইয়াৰ বাবে ৰাজ্যৰ বিধায়কসকলক ৫০লাখকৈ টকা আৱণ্টন দিয়া হৈছে। বৰ্তমান পৰ্যন্ত তেজপুৰত ২৩১ গৰাকীক তিনিলাখ ৪৬৫ টকা আদায় দিয়া হৈছে। বিধায়ক ৰাভাই আৰু কয় যে এই পৰ্যন্ত সমষ্টিটোত ছাত্ৰ-ছাত্ৰীসকলক এই সাহায্য আদায় দিয়া হোৱা নাই যদিও ইয়াৰ প্ৰক্ৰিয়া অব্যাহত আছে আৰু উপযুক্ত ছাত্ৰ-ছাত্ৰীসকলক নিৰ্বাচন কৰি শীঘ্ৰেই এই সাহায্য আগবঢ়োৱা হ'ব। এই সাহায্য প্ৰদান প্ৰক্ৰিয়া সন্দৰ্ভত বিধায়ক ৰাভাই লগতে কয় যে এনে হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰত তেওঁ সতৰ্কতাৰে দৃষ্টি ৰাখিছে আৰু প্ৰকৃততে এই সাহায্য লাভ কৰিবলগীয়া হিতাধিকাৰীয়েই যাতে এই সাহায্য লাভ কৰে তাৰ বাবে তেওঁ সতৰ্কতা অৱলম্বন কৰিছে।

## পাটাছাৰকুছিৰ বৰপুখুৰী পাৰত দীপাৱলীৰ সন্ধিয়া সম্প্ৰীতিৰ আলোকৰ আয়োজন

**পাটাছাৰকুছি, ৩ নৱেম্বৰ ঃ** পোহৰৰ উৎসৱ দীপাৱলীলৈ মাজত মাথোঁ এটা দিন। দীপাৱলীক কেন্দ্ৰ কৰি সৃষ্টি হৈছে এক উৎসৱমুখৰ পৰিৱেশ। দীপাৱলীৰ দিনা ধৰিত্ৰীক পোহৰাবলৈ ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে পাটাছাৰকুছিৰ প্ৰাগজ্যোতি ক্লাবৰ উদ্যোক্তাসকলৰ লগত ৰাইজেও সাজু হৈ উঠিছে। অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান পাটাছাৰকুছি প্ৰাগজ্যোতি ক্লাবৰ উদ্যোগত অহা চাৰি নৱেম্বৰত পাটাছাৰকুছিৰ ঐতিহ্যমণ্ডিত বৰপুখুৰীৰ পাৰত দীপাৱলীৰ সন্ধিয়া সম্প্ৰীতিৰ আলোক মেলাৰ আয়োজন কৰা হৈছে। পৰিৱেশ অনুকূল এই আলোক উৎসৱ ৫-৫৯ বজাত সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তি ধনী-দুখীয়া তথা জাতি-ধৰ্ম নিৰ্বিশেষে শিশুৰ পৰা বৃদ্ধলৈ ডেৰকুৰি পুৰুষ-মহিলাই মুখ্য বন্তি প্ৰজ্বলক হিচাপে বন্তি জ্বলাই আৰম্ভ কৰিব। বজালী জিলাৰ উপায়ুক্ত ভাৰত ভূষণ দেৱ চৌধুৰীৰ লগতে সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তিয়ে মুখ্য বন্তি প্ৰজ্বলক হিচাপে উপস্থিত থাকিব লগা এই আলোকমেলাত উপস্থিত আনসকলেও বন্তি জ্বলাই অংশগ্ৰহণ কৰিব পৰাৰ ব্যৱস্থা কৰিছে। বিভিন্ন জাতি, জনগোষ্ঠীৰ লোকৰ মহামিলনেৰে দীপাৱলীত ১৫ শ চাকিৰ পোহৰে আলোকিত কৰি তুলিব ঐতিহ্যপূৰ্ণ বৰপুখুৰী পাৰ। এই আলোক উৎসৱৰ চাকিৰ পোহৰে প্ৰাণৱন্ত কৰি তুলিব ঐতিহ্যপূৰ্ণ বৰপুখুৰীক। উল্লেখ্য যে পাটাছাৰকুছি বিদ্যাপীঠৰ গাতে লাগি থকা হাবি-জংঘলেৰে আৱৰি দীৰ্ঘদিন ধৰি পৰিত্যক্ত হৈ থকা পাটাছাৰকুছিৰ ঐতিহ্যমণ্ডিত বৰপুখুৰীটো বজালী জিলাৰ উপায়ুক্ত ভাৰত ভূষণ দেৱ চৌধুৰীৰ বিশেষ তৎপৰতাত বজালী জিলা প্ৰশাসনৰ উদ্যোগত আৰু দুটামান চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত তথা স্থানীয় প্ৰাগজ্যোতি ক্লাবৰ বিশেষ সহযোগত এটি অভিযানৰ জৰিয়তে অলপতে পৰিষ্কাৰ কৰি তোলা হৈছিল।

## চাৰিদুৱাৰত সেনাৰ নিযুক্তি প্ৰশিক্ষণ কৰ্মশালা

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ৩ নৱেম্বৰ ঃ** শোণিতপুৰ জিলাৰ চাৰিদুৱাৰস্থিত ব্যক্তিগত খণ্ডৰ বিদ্যালয় জ্ঞান বিকাশ একাডেমীৰ উদ্যোগত তথা ভাৰতীয় সেনাৰ সহযোগত যোৱা পহিলা নৱেম্বৰৰ পৰা চাৰিদুৱাৰত আৰম্ভ হৈছে সেনাত নিযুক্তিৰ প্ৰশিক্ষণ কৰ্মশালা। 'বল অৱ ফায়াৰ' ডিভিজনৰ অধীনস্থ চাৰিদুৱাৰস্থিত সেনাবাহিনীয়ে আগবঢ়াইছে এই প্ৰশিক্ষণ। উল্লেখ্য যে বিগত ছবছৰ ধৰি এই প্ৰশিক্ষণ আগবঢ়াই অহা হৈছে। এতিয়ালৈকে প্ৰায় দুশ যুৱক-যুৱতীয়ে বিভিন্ন বিভাগত নিযুক্তি পাবলৈ সক্ষম হৈছে বুলি বিদ্যালয় কৰ্তৃপক্ষই সংবাদ মাধ্যমক অৱগত কৰে। অসমৰ বিভিন্ন প্ৰান্তৰ যুৱক-যুৱতীয়ে এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি আহিছে। সম্পূৰ্ণ বিনামূলীয়াকৈ আগবঢ়োৱা এই প্ৰশিক্ষণ সকলোৰে বাবে মুকলি। সবিশেষ জানিবলৈ জ্ঞান বিকাশ একাডেমীৰ অধ্যক্ষৰ স'তে ৮৭৫১৮৯৪৬৩১ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে অথবা পোনপটীয়াকৈ চাৰিদুৱাৰ খেলপথাৰত অংশগ্ৰহণ কৰিব পাৰিব বুলি বিদ্যালয় কৰ্তৃপক্ষই জানিব দিয়ে। ইতিমধ্যে এই নিযুক্তি প্ৰশিক্ষণ কৰ্মশালাৰ স্থানীয় ৰাইজে শলাগ লৈছে।

## কৃষ্ণাই আঞ্চলিক আক্ৰাছুৰ সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ৩ নৱেম্বৰ ঃ** কৃষ্ণাই আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ স্থায়ী কাৰ্যালয়ত কালি সমিতিখনৰ পঞ্চম দ্বিবাৰ্ষিক প্ৰতিনিধি সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে সন্থাৰ প্ৰাক্তন সভাপতি ৰূপক ৰায়ে। সভাখনত কোচ ৰাজবংশী সন্মিলনীৰ ৰাজ্যিক সদস্য অৰুণ ৰায়, বিমল ৰায়, কামেশ্বৰ বৰ্মন, গিৰিন বৰ্মন, প্ৰাক্তন সম্পাদক প্ৰফুল্ল ৰায়, নমল চন্দ্ৰ ৰায়কে ধৰি বহুকেইজন ব্যক্তি উপস্থিত থাকে। সভাত পুৰণি সমিতিখন ভংগ কৰি নতুন সমিতি এখন গঠন কৰা হয় সভাখনত। জনগোষ্ঠীটোৰ উত্তৰণৰ ক্ষেত্ৰত নতুন সমিতিখনে কেনে ধৰণৰে আগুৱাই লৈ যাব লাগে সেই সন্দৰ্ভত সকলোৰে বক্তব্য ৰখাৰ উপৰি অনাগত দিনত কৃষ্ণাই আঞ্চলিক আক্ৰাছুৱে পূৰ্বৰে পৰা কৰি অহা দাবীসমূহৰ ক্ষেত্ৰতো সঠিক কাৰ্যপন্থাৰে অবিৰতভাৱে কাম কৰি যোৱাৰ বাবে অগ্ৰসৰ হ'ব বুলিও মতপোষণ কৰে। নৱগঠিত সমিতিখনত চন্দন বৰ্মনক সভাপতি, কপিল সিংহা আৰু ধীৰেশ্বৰ ৰায়ক উপ-সভাপতি, বিদ্যুৎ ৰায়ক সাধাৰণ সম্পাদক, অনুপ ৰায় আৰু নৱ কুমাৰ ৰায়ক সহঃ সাধাৰণ সম্পাদকসহ মুঠ ৩১ জন সদস্য অন্তৰ্ভুক্ত কৰা হয়।

■ মঙলদৈত কৰ্মচাৰী পৰিষদৰ উদ্যোগত কৰ্মচাৰী ছহিদ ত্যাগৰ আলোচনাচক্ৰ

# ছহিদ কৰ্মচাৰীৰ ত্যাগক মূল্য নিদিলে চৰকাৰে

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৩ নৱেম্বৰ ঃ** 'ছহিদৰ ত্যাগক সন্মান জনাই ছহিদৰ পৰিয়ালক আৰু গুলিবিদ্ধসকলক ৰাজ্য চৰকাৰে আৰ্থিক সাহায্য আগবঢ়াইছে, কিন্তু অসম চুক্তি অনুসৰি সীমান্ত ছীল কৰা, ছয় নম্বৰ দফা কাৰ্যকৰী কৰাৰ বাবে সময়ে সময়ে আন্দোলনকাৰী নেতৃত্বক সৈ সমিতি গঠন কৰা দৃষ্টিগোচৰ হৈছে যদিও অসমৰ খিলঞ্জীয়া জনতাক চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত আশ্বস্ত কৰিব পৰা নাই।' এই মন্তব্য সদৌ অসম কৰ্মচাৰী পৰিষদৰ মুখ্য উপদেষ্টা বাসৱ চন্দ্ৰ কলিতাৰ। মঙলদৈত কেন্দ্ৰীয় 'কৰ্মচাৰী ছহিদ দিৱস' উপলক্ষে অনুষ্ঠিত 'ছহিদৰ ত্যাগৰ মূল্যাংকন শীৰ্ষক আলোচনাচক্ৰত মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰি কৰ্মচাৰী পৰিষদৰ নেতা কলিতাই এইদৰে ক্ষোভ প্ৰকাশ কৰি আৰু কয় যে অসম আন্দোলনৰ সময়ত ৰাজ্যিক কৰ্মচাৰীসকলে চূড়ান্ত ত্যাগ কৰিলে, দেশতকৈ চাকৰি ডাঙৰ নহয় বুলি ৰাজপথলৈ ওলাই আহি ৬৮ গৰাকী কৰ্মচাৰী ছহিদ হ'ল। আন্দোলনকাৰীয়ে চৰকাৰ গঠন কৰিলে কিন্তু কৰ্মচাৰীৰ ত্যাগক মূল্য নিদিলে। সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰদীপ দত্তই উদ্বোধন কৰা আলোচনাচক্ৰত মুখ্য আলোচক কলিতাই প্ৰসংগ ক্ৰমে আৰু কয় যে সম্প্ৰতি মুখ্যমন্ত্ৰীয়ে পেঞ্চনাৰসকলৰ প্ৰমাণপত্ৰ ঘৰৰ পৰাই দিব পাৰিব বুলি কোৱা কথাটো ভাল হৈছে, কিন্তু কৰ্মচাৰীৰ বিনামূলীয়া চিকিৎসা সেৱা আঁচনিখন আজিলৈ হৈ নুঠাত কৰ্মচাৰীসকলে জীয়াই থকাৰ বাবে জীৱনদায়িনী কিনিব নোৱাৰি বিনা চিকিৎসাই মৃত্যুক আঁকোৱালি ল'বলগীয়া হৈছে। মঙলদৈ জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকাই পৰিচালনা কৰা আলোচনাচক্ৰত আলোচনা আগবঢ়ায় ক্ৰমে বিশিষ্ট শিক্ষাবিদ দিনেশ্বৰ চহৰীয়া, সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰদান শ্যামন্ত দাস, উপ-সভাপতি দ্বীপেন শৰ্মা, যুটীয়া সম্পাদক ৰুহুল আমিন, কাৰ্যনিৰ্বাহক সদস্য দিলীপ কলিতা, গুৱাহাটী জিলা কৰ্মচাৰী পৰিষদৰ যুটীয়া সম্পাদক মনোজ লহকৰ আৰু মঙলদৈ জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি সুৰেন্দ্ৰ বৰুৱাই। সদৌ অসম কৰ্মচাৰী পৰিষদৰ উদ্যোগত আৰু মঙলদৈ জিলা কৰ্মচাৰী পৰিষদৰ সহযোগত যোৱা এক নৱেম্বৰত দিনজোৰা কাৰ্যসূচীৰে মঙলদৈ সনাতন ধৰ্মসভা প্ৰাংগণত অনুষ্ঠিত কেন্দ্ৰীয় 'কৰ্মচাৰী ছহিদ দিৱস' উপলক্ষে আলোচনা চক্ৰৰ পূৰ্বে পতাকা উত্তোলন কৰে সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰদীপ দত্তই, ছহিদ তৰ্পণ অনুষ্ঠানত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কাৰ্যসূচী ৰূপায়িত কৰে ক্ৰমে অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা বিশিষ্ট সমাজসেৱক ৰামেশ্বৰ চহৰীয়া আৰু পৰীক্ষিত শৰ্মাই।



## চিকিৎসাৰ অভাৱ ঃ ডিগবৈ তৈল শোধনাগাৰৰ মুখ্য প্ৰৱেশদ্বাৰত তীব্ৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ৩ নৱেম্বৰ ঃ** এছিয়াৰ প্ৰাচীনতম তৈল শোধনাগাৰ ডিগবৈ তৈল শোধনাগাৰৰ মুখ্য প্ৰশাসনিক কাৰ্যালয়ৰ মুখ্য প্ৰৱেশদ্বাৰৰ সন্মুখত ডিগবৈৰ জাতীয়-জনগোষ্ঠীয় দল-সংগঠনে কালি তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম ছাত্ৰ সন্থাকে আদি কৰি গোৰ্খা, আছা, আটছা, টাই আহোম ছাত্ৰ সন্থাৰ সহযোগত ৰূপায়িত কাৰ্যসূচীত কেন্দ্ৰীয় চৰকাৰ তথা ডিগবৈ শোধনাগৰৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ বিৰোধে তীব্ৰ ক্ষোভ উজাৰে। বিভিন্ন সময়ত ডিগবৈৰ স্থানীয় জাতীয়- জনগোষ্ঠীয় দল-সংগঠনে ডিগবৈ তৈল শোধনাগাৰত যোগ্যতা ভিত্তিত থলুৱা নিবনুৱাৰ সংস্থাপন, এছিয়াৰ প্ৰাচীনতম তৈল শোধনাগাৰৰ শোধন ক্ষমতা বৃদ্ধি আৰু ডিগবৈ তৈল শোধনাগাৰৰ দ্বাৰা পৰিচালিত একমাত্ৰ বৃহৎ চিকিৎসালয়খনৰ বিভিন্ন বিভাগত চিকিৎসকৰ অভাৱ হোৱা হেতুকে ডিগবৈবাসীয়ে উন্নত চিকিৎসাৰ বাবে অসুবিধাৰ সন্মুখীন হৈ আহিছে। উক্ত দাবীসমূহ পুৰণৰ সন্দৰ্ভত বিভিন্ন সময়ত জাতীয়-জনগোষ্ঠীয় দল-সংগঠনসমূহে স্মাৰকপত্ৰৰ জৰিয়তে আলোচনাত মিলিত হৈ অহাৰ পাছতো আজি পৰ্যন্ত দাবীসমূহ পুৰণৰ ক্ষেত্ৰত কোনো গুৰুত্ব আৰোপ নকৰাৰ ক্ষোভত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰায় দুই শতাধিক ছাত্ৰ নেতাৰ উপস্থিতিত ৰূপায়ণ কৰা প্ৰতিবাদী কাৰ্যসূচীত 'কেন্দ্ৰীয় চৰকাৰ হায় হায়, ৰাজ্য চৰকাৰৰ কাম নাই, নৰেন্দ্ৰ মোদী মুৰ্দাবাদ, ৰামেশ্বৰ তেলী মুৰ্দাবাদ, থলুৱা বিৰোধী শোষণ নীতি নচলিব, আই অ' চি কৰ্তৃপক্ষ গ' বেক' আদি শ্ল'গানেৰে প্ৰতিবাদস্থলী উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰা জাতীয়-জনগোষ্ঠীয় দল-সংগঠনৰ ছাত্ৰ-নেতাসকলে তৈল শোধনাগাৰৰ কৰ্তৃপক্ষৰ লগতে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰে। আৰু লগতে অনতিপলমে যদি উক্ত দাবীসমূহ পুৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে আগন্তুক দিনত ডিগবৈ তৈল শোধনাগাৰৰ কাম-কাজ বন্ধ কৰি দিয়াৰ হুংকাৰ প্ৰদান কৰে।

## সাংবাদিকৰ সুৰক্ষাৰ দাবী জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছাম

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ৩ নৱেম্বৰ ঃ** সাংবাদিকৰ সুৰক্ষাৰ দাবীত সৰৱ হৈ পৰিছে জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আচাম। কালি সংগঠনটোৰ তিনিচুকীয়া জিলা সমিতিয়ে তিনিচুকীয়া জিলা উপায়ুক্তৰ জৰিয়তে এখন স্মাৰকপত্ৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰে। জিলা উপায়ুক্তৰ হৈ স্মাৰকপত্ৰ গ্ৰহণ কৰে অতিৰিক্ত উপায়ুক্ত মনজিৎ বৰকাকতিয়ে। স্মাৰকপত্ৰ প্ৰদান কাৰ্যসূচীত জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আচামৰ সদস্য তথা জ্যেষ্ঠ সাংবাদিক ৰূপম কাকতি, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সীমান্ত চেতিয়া, সাধাৰণ সম্পাদক মনোৰঞ্জন মৰাণ, সহকাৰী সাধাৰণ সম্পাদক ৰাণদ্বীপ দুৱৰা আদি উপস্থিত আছিল। উল্লেখ্য যে সাংবাদিকক আক্ৰমণৰ ঘটনাক গৰিহণা দি এইবোৰৰ তদন্ত কৰিবলৈ, সাংবাদিক হত্যাকাৰীক কঠোৰ শাস্তি বিহিবলৈ দাবী জনোৱাৰ লগতে কৰ্মৰত সাংবাদিকক সুৰক্ষা প্ৰদানৰ দাবী জনায়। আজিৰ দিনটোত সাংবাদিক নিৰ্যাতন শেষ কৰাৰ পণ লৈ সমগ্ৰ বিশ্বতে জাৰ্ণেলিষ্ট ইউনিয়ন আৰু জাৰ্ণেলিষ্ট ফেডাৰেছনে সংকল্প গ্ৰহণ কৰে।

## হাজোত মণ্ডল বিজেপিৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩ নৱেম্বৰ ঃ** বিজেপিৰ হাজো আৰু উত্তৰ হাজো মণ্ডল বিজেপিৰ উদ্যোগত হাজো বিজেপিৰ মুখ্য কাৰ্যালয়ত যোৱা পহিলা নৱেম্বৰত এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। হাজোত বিজেপিৰ ভেটি শক্তিশালী কৰাৰ লক্ষ্যৰে অনুষ্ঠিত হয় কাৰ্যনিৰ্বাহক সভাখন। উপস্থিত থাকে স্থানীয় বিধায়িকা সুমন হৰিপ্ৰিয়া, হাজো মণ্ডল বিজেপিৰ সভাপতি ভূপেন কলিতা, উত্তৰ হাজো মণ্ডল বিজেপিৰ সভাপতি তিলক শৰ্মা, পঞ্চতীৰ্থ জিলা পৰিষদৰ সদস্য বিপুল দাস, দুই নম্বৰ হাজো গাঁও পঞ্চায়তৰ সভানেত্ৰী তিলমা মেধি, উত্তৰ কামৰূপ জিলা অনুসূচিত জাতি মৰ্চাৰ সভাপতি নগেন মালাকৰ, উত্তৰ হাজো মণ্ডলৰ সাধাৰণ সম্পাদক মৃণাল কলিতা, হাজো মণ্ডল বিজেপি যুৱ মৰ্চাৰ প্ৰাক্তন সভাপতি ভাস্কৰ ভৰালী, বিজেপিৰ উত্তৰ হাজো সংখ্যালঘু মৰ্চাৰ সভাপতি চাকিমুদ্দিন আহমেদ, জনতা যুৱ মৰ্চাৰ উত্তৰ হাজো মণ্ডলৰ সভাপতি অপূৰ্ব মজুমদাৰ, হাজো ক্ষেত্ৰীহাৰদিয়া গাঁও পঞ্চায়তৰ সভাপতি মৃণাল কলিতা, হাজো মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক মিলন জ্যোতি ঠাকুৰীয়া প্ৰমুখ্যে হাজো মণ্ডল বিজেপিৰ কে'বাজনো বিষয়ববীয়া।

■ বিনামূলীয়া চিকিৎসা স্বাস্থ্য শিবিৰ আয়োজন

## বাসুগাঁৱত ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস পালন



**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা/কাজলগাঁও, ৩ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস চিৰাং জিলা ভিত্তিত কালি দিনজোৰা কাৰ্যসূচীৰে বাসুগাঁৱত পালন কৰা হয়। স্থানীয় মাৰোৱাৰী ধৰ্মশালা প্ৰাংগণত আয়োজন কৰা অনুষ্ঠানত পুৱা স্বচ্ছতা অভিযান চলোৱাৰ অন্তত চিৰাং জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ৰাতুল চন্দ্ৰ বৰদলৈয়ে বিনামূলীয়া স্বাস্থ্য শিবিৰ মুকলি কৰে। ধনন্তৰী জয়ন্তীৰ লগত সংগতি ৰাখি ধনন্তৰী প্ৰতিচ্ছবিত মালা অৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে ক্ৰমে উদ্‌যাপন সমিতিৰ সভাপতি অলোক কুমাৰ বসুমতাৰী আৰু অমৃত পাটগিৰীয়ে। উদ্‌যাপন সমিতিৰ সভাপতি অলোক কুমাৰ বসুমতাৰীৰ সঞ্চালনাত অনুষ্ঠিত সজাগতা সভা উদ্বোধন কৰে চিৰাং জিলা যুটীয়া স্বাস্থ্য ডাঃ ৰাতুল কুমাৰ বৰদলৈয়ে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ আগবঢ়ায় জিলা নডেল বিষয়া ডাঃ ৰাজু দাসে। আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ আৰু উপাধ্যক্ষ ক্ৰমে লক্ষ্মীনাথ ব্ৰহ্ম আৰু লোকনাথ বৰ্মনে। ড° সনাতন কলিতাই আঁত ধৰা সজাগতা সভাত শলাগৰ শৰাই আগবঢ়ায় ড° অক্ষয় কলিতাই। দুই শতাধিক লোকে স্বাস্থ্য পৰীক্ষা আৰু বিনামূলীয়া ঔষধ যোগান ধৰা চিকিৎসা শিবিৰত ডাঃ মুনিন্দ্ৰধৰ শৰ্মা, ডাঃ হাছমত আলী, ডাঃ মৃত্যুঞ্জয় সৰকাৰ, ডাঃ ৰত্ন কুমাৰ দাস, ডাঃ কুমুদ শৰ্মা, ডাঃ এ আলম আৰু ডাঃ অলোক সৰকাৰে চিকিৎসা সেৱা আগবঢ়ায়। ডাঃ সনাতন কলিতা আৰু উদ্‌যাপন সমিতিৰ সম্পাদক কে কিশোৰ ৰায়ে আঁত ধৰা অনুষ্ঠানত বাসুগাঁও ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সমূহ বিষয়া-কৰ্মচাৰী, আশাকৰ্মী আৰু উদযাপন সমিতিৰ কৰ্মকৰ্তাই সহযোগ আগবঢ়ায়।

## চাহ জনগোষ্ঠীৰ জাতিৰ তালিকা গৃহীত

**অগ্ৰদূত বাৰ্তা**

**মেলামাটি, ৩ নৱেম্বৰ ঃ** যোৰহাট শাখা চাহ মজদুৰ সংঘৰ সভাকক্ষত যোৱা পহিলা নৱেম্বৰত চাহ জনগোষ্ঠীৰ জাতীয় সংগঠন, প্ৰাক্তন ছাত্ৰ নেতা আৰু বুদ্ধিজীৱীসকলক লৈ এক গুৰুত্বপূৰ্ণ যৌথ আলোচনা সভা অনুষ্ঠিত হয়। অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ উদ্যোগত আয়োজিত যৌথ সভাত মহাসভাই ইতিমধ্যে প্ৰস্তুত কৰি বিতৰণ কৰা জাতিৰ তালিকাখনৰ ওপৰত আমন্ত্ৰিত অতিথিসকলে প্ৰয়োজনীয় সংশোধন আৰু সংযোজনৰ পৰামৰ্শ আগবঢ়াই তালিকাখন গৃহীত কৰে। মহাসভাৰ সভাপতি তেৰছ গোৱালাৰ সঞ্চালনা আৰু সাধাৰণ সম্পাদক অৰুণ কাঁৱৰে উদ্দেশ্য ব্যাখ্যাৰে আঁত ধৰা যৌথ আলোচনা সভাখনত জনগোষ্ঠীটোৰ ভালে সংখ্যক বিশিষ্ট ব্যক্তি, সমাজ সংগঠনৰ প্ৰতিনিধি আৰু মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ তথা সৰ্বভাৰতীয় পৰ্যায়ৰ চাওতাল নেতা পৃথিৱী মাঝি, 'জননী বাৰ্তা'ৰ সম্পাদক মাখনলাল বাঢ়ৈ, অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মানিকলাল মাহত্ব, আটছাৰ প্ৰাক্তন কেন্দ্ৰীয় সভাপতি, সাধাৰণ সম্পাদক ক্ৰমে সীমাঞ্চল দিগাল আৰু কামাখ্যা প্ৰসাদ তাছা, অসম চাহ মজদুৰ সংঘ যোৰহাট শাখাৰ সভাপতি বিলাতী তাঁতী, ৩৬ জনজাতি (অনুসূচিত কৰণীয়) পৰিষদৰ জয় প্ৰকাশ চাওৱা, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ প্ৰতিনিধি বেনেদিত তপ্প', ৰবিদাস সন্মিলনীৰ ৰাজেশ ৰবিদাস প্ৰমুখ্যে কে'বাজন বিশিষ্ট ব্যক্তিয়ে বক্তব্য ৰাখে। তালিকাখন তিনিটা শ্ৰেণীত শ্ৰেণীভুক্ত কৰি মুঠ ৯১ জাতি সম্প্ৰদায় গৃহীত কৰা হয়। গৃহীত তালিকাখন চৰকাৰৰ ঘৰত দাখিল কৰা আৰু চৰকাৰৰ দ্বাৰা জাতিৰ প্ৰমাণপত্ৰ প্ৰদান প্ৰক্ৰিয়াৰ সংশোধনীৰ বিষয়ত চাহ জনগোষ্ঠীৰ সকলো পক্ষৰ লগত পুনৰ যৌথ আলোচনা সভা অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ লোৱা হয়।

## 'শিক্ষক বিকাশ আৰু শিকন' আলোচনাচক্ৰৰ সামৰণি ঃ মূল্যাংকণ পৰীক্ষা

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ৩ নৱেম্বৰ ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ ফাৰ্মাচী শিক্ষাৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান আজাৰাস্থিত গিৰিজানন্দ চৌধুৰী ইনষ্টিটিউট অৱ ফাৰ্মাচিউটিকেল ছায়েন্সৰ প্ৰতিষ্ঠান চৌহদত যোৱা ২৫ৰ পৰা ২৯ অক্টোবৰলৈ অনুষ্ঠিত হয় 'লীডাৰশ্বীপ এণ্ড এক্সেলেঞ্চ ইন ৱৰ্ক প্লেচ' শীৰ্ষক পাঁচদিনীয়া শিক্ষক বিকাশ আৰু শিকন' আলোচনাচক্ৰৰ। সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ তথা গিৰিজানন্দ চৌধুৰী ইনষ্টিটিউট অৱ ফাৰ্মাচিউটিকেল ছায়েন্স প্ৰতিষ্ঠানৰ দ্বাৰা আয়োজিত অনলাইন আলোচনাচক্ৰখনৰ প্ৰথম দিনৰ কাৰ্যসূচী হিচাপে শ্ৰীমন্ত শংকৰ একাডেমীৰ সভাপতি ৰাতুল দাস, প্ৰতিষ্ঠানখনৰ অধ্যক্ষ ড° গৌৰাংগ দাস, শিক্ষক বিকাশ অনুষ্ঠানটোৰ সমন্বয়ক তথা প্ৰতিষ্ঠানৰ প্ৰাধ্যাপক ড° দীপাংকৰ সাহাই অংশগ্ৰহণকাৰীসকলক উদ্দেশি আদৰণি সম্ভাষণ আগবঢ়ায়। সৰ্বমুঠ ১৪ খন কাৰিকৰী বৈঠক অনুষ্ঠিত হোৱা অনুষ্ঠানত মুখ্য বক্তাৰূপে বক্তৃতা প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° এছ কে ঘোষ, অসম তথা উত্তৰ-পূব ভাৰতৰ শ্লেট আয়োগৰ সদস্য সম্পাদক ড° মুকুলেশ বৰুৱা, এমকিয়োৰ প্ৰাইভেট লিমিটেডৰ সাধাৰণ প্ৰবন্ধক ড° বিন্নু সিঙৰ লগতে দেশৰ আগশাৰীৰ ভিন্ন প্ৰতিষ্ঠানৰ ১১ জনকৈ সমল ব্যক্তিয়ে। সৰ্বভাৰতীয় পৰ্যায়ৰ কে'বাখনো বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষকসকলে অংশগ্ৰহণ কৰা আলোচনাচক্ৰৰ অন্তিম দিনৰ কাৰ্যসূচী হিচাপে অংশগ্ৰহণকাৰীসকলৰ মাজত এটি মূল্যাংকন পৰীক্ষাৰো আয়োজন কৰা হয়। ইয়াৰ পাছতেই সমন্বয়ক তথা প্ৰতিষ্ঠানখনৰ প্ৰাধ্যাপক ড° সাহাই সকলোকে উদ্দেশ্যি শলাগৰ শৰাই আগবঢ়োৱাৰ লগতে নিমন্ত্ৰিত অতিথি বক্তাসকলক প্ৰতিষ্ঠানৰ তৰফৰ পৰা ধন্যাবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

## হাৰমতী ডিক্ৰুং উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক কাৰ্যালয় সহায়কৰ বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**বান্দৰদেৱা, ৩ নৱেম্বৰ ঃ** লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱাৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান হাৰমতী ডিক্ৰুং উচ্চ মাধ্যমিক বিদ্যালয়ৰ (সংলগ্ন) প্ৰতিষ্ঠাপক শিক্ষক তথা কাৰ্যালয় সহায়ক লক্ষী শইকীয়াক যোৱা ৩১ অক্টোবৰত কৰ্ম জীৱন শেষ হোৱাত চৰকাৰী বিধি অনুসৰি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী শিক্ষক গোট বিদ্যালয় পৰিচালনা সমিতিয়ে বিদায় সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানত সভাপতিত্ব কৰে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক (উচ্চ প্ৰাথমিক) তৰুণ চন্দ্ৰ হাজৰিকাই। উল্লেখ্য যে ৮০ দশকৰ সময়ছোৱাত বান্দৰদেৱা অঞ্চলত শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত কোনো অগগতি লাভ কৰা নাছিল। সেই সময়ত অঞ্চলৰ এজন অগ্ৰণী সমাজ সংগঠক প্ৰয়াত কৃষ্ণবাহাদুৰ ৰায়ৰ দূৰদৰ্শিতা তথা অনগ্ৰসৰ অঞ্চলত শিক্ষা প্ৰসাৰৰ লক্ষ্য স্থিৰ কৰি ডিক্ৰুং নদীৰপাৰৰ হাবি-জংঘল কাটি প্ৰথমে এখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰি অতি চালুকীয়াভাৱে অগ্ৰসৰ হয়। এই ক্ষেত্ৰত পূৰ্ণ সহযোগিতা আগবঢ়াই বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তৰুণ চন্দ্ৰ হাজৰিকাই। ইয়াৰ পাছৰে পৰা অঞ্চলত শিক্ষা প্ৰসাৰৰ অগ্ৰগতি হ'বলৈ ধৰে। শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত অনুষ্ঠানৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত কেৱল অঞ্চলবাসীৰ সহায়ৰ ওপৰতে নিৰ্ভৰ কৰিব লগা হয়। আন্তঃগাঁথনিৰ অভাৱৰ বাবে ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদানৰ ক্ষেত্ৰত বিশেষ অগ্ৰগতি লাভ কৰিব পৰা নাছিল। বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত সেই (৯০ দশক) সময়ত শিক্ষাৰ দৰে সেৱাত মনোনিবেশ কৰা শিক্ষক ক্ৰমে নৰেন্দ্ৰ হাজৰিকা, কমল ফুকন, ধৰ্মেশ্বৰ বৰা বোধেন শইকীয়াৰ লগতে অৱসৰপ্ৰাপ্ত লক্ষী শইকীয়াৰ অৱদান অতি উল্লেখনীয় আছিল। শিক্ষাৰ দৰে পৱিত্ৰ সেৱাত ৯০ দশকতে যোগদান কৰে যদিও ২০১৩ৰ পৰাহে চৰকাৰী বিধি অনুসৰি মাহেকীয়া বেতন লাভ কৰিবলৈ সক্ষম হয়। এনেদৰে সুদীৰ্ঘ বছৰ শিক্ষকৰ লগতে কাৰ্যালয় সহায়ক হিচাপে কৰ্মজীৱন অতিবাহিত কৰি যোৱা ৩১ অক্টোবৰত অৱসৰ গ্ৰহণ কৰে। বিদায় শিক্ষকজনক বিদ্যালয়ৰ ছাত্ৰ একতা সভা শিক্ষক গোট পৰিচালনা সমিতিৰ ফালৰ পৰা চেলেং চাদৰ মানপত্ৰ ছাতি, সঁফুৰা ফুলাম গামোচা আৰু মহাপুৰুষৰৰ ঘোষা পুথিৰে সম্বৰ্ধনা জ্ঞাপন কৰি তেওঁৰ সুস্বাস্থ্যৰ লগতে দীৰ্ঘায়ু কামনাৰ্থে পৰমপিতাৰ ওচৰত আশীৰ্বাদ বিচাৰে। বিদ্যালয়ৰ প্ৰধান চিদানন্দ হাজৰিকাই আঁত ধৰা সম্বৰ্ধনা সভাখনত শলাগৰ শৰাই আগবঢ়ায় শিক্ষক কৰ্মচাৰী গোটৰ সম্পাদক বোধেন শইকীয়াই।

## বৰপেটা নগৰ মণ্ডল বিজেপিৰ কাৰ্যনিৰ্বাহক সভা

**বিশেষ সংবাদদাতা**

**বৰপেটা, ৩ নৱেম্বৰ ঃ** বিজেপিৰ বৰপেটা নগৰ মণ্ডলৰ এখন কাৰ্যনিৰ্বাহক সভা যোৱা পহিলা নৱেম্বৰত বৰপেটা পৌৰসভাৰ অন্তৰ্গত তিনি নম্বৰ ৱাৰ্ডৰ ঐতিহ্যপূৰ্ণ মিলন মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হয়। বিজেপিৰ বৰপেটা নগৰ মণ্ডলৰ সভাপতি প্ৰাণগোপাল দাসৰ পৌৰোহিত্যত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভা পৰিচালনা কৰে নগৰ মণ্ডলৰ সাধাৰণ সম্পাদক ৰূপম চৌধুৰীয়ে। মণ্ডল সভাপতিজনে আদৰণি ভাষণ প্ৰদান কৰাৰ পাছত সভাত উপস্থিত থকা বিজেপিৰ বৰপেটা জিলাৰ সাধাৰণ সম্পাদিকা তথা বৰপেটা নগৰৰ প্ৰভাৰী নিপা কলিতাই আগন্তুক দলীয় কাৰ্যসূচী তথা বিশেষকৈ আগন্তুক পৌৰসভা নিৰ্বাচনৰ তৎপৰতাৰ বিষয়ে তথ্য সমৃদ্ধ বক্তব্য দাঙি ধৰে। সভাত বৰপেটা জিলা মহিলা মৰ্চাৰ সভানেত্ৰী জয়া দাস বৰুৱাই অংশগ্ৰহণ কৰি দলৰ বিভিন্ন দিশ সন্দৰ্ভত গঠনমূলক ভাষণ প্ৰদান কৰে। সভাত নগৰৰ সাধাৰণ সম্পাদকদ্বয়, উপ-সভাপতি, সম্পাদক, শক্তি কেন্দ্ৰৰ আহ্বায়ক, মৰ্চাৰ সভাপতি তথা কাৰ্যনিৰ্বাহক সদস্যই বক্তব্য আগবঢ়ায়।

■ মৰিগাঁও জিলাৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ উপায়ুক্তৰ

■ ওজৰ আপত্তি থাকিলে ৩০ নৱেম্বৰৰ ভিতৰত দাখিল কৰিবলৈ আহ্বান

# মৰিগাঁৱৰ তিনি সমষ্টিত তিনি সহস্ৰাধিক ভোটাৰ বৃদ্ধি

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৩ নৱেম্বৰ ঃ** ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি কালি মৰিগাঁও নিৰ্বাচন জিলাৰ তিনিটা বিধানসভা সমষ্টিৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰে জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াই। এই উপলক্ষে জিলা উপায়ুক্তই জিলা উপায়ুক্ত সভাকক্ষত জিলাখনৰ ৰাজনৈতিক দলৰ প্ৰতিনিধি আৰু সংবাদ মাধ্যমক সম্বোধন কৰি কয় জাগীৰোড, মৰিগাঁও আৰু লাহৰীঘাট বিধানসভা সমষ্টিক সামৰি প্ৰকাশ পোৱা খচৰা ভোটাৰ তালিকাত ওজৰ-আপত্তি থাকিলে আজিৰে পৰা ৩০ নৱেম্বৰৰ ভিতৰত দাখিল কৰিব লাগিব। বিআইঅ'ৰ জৰিয়তে ওজৰ-আপত্তি কৰিব পাৰিব। ওজৰ আপত্তি সমূহ ২০ ডিচেম্বৰত নিষ্পত্তি কৰা হ'ব আৰু তাৰ ভিত্তিত চূড়ান্ত ভোটাৰ তালিকা ২০২২ৰ ৫ জানুৱাৰীত প্ৰকাশ পাব বুলি মন্তব্য কৰে। ইফালে, ২০২১ৰ বিধানসভা নিৰ্বাচনৰ পৰা কালি দিনটোলৈ জিলাখনৰ তিনিটা বিধানসভা সমষ্টিত ৩০৪৭ জন ভোটাৰ বৃদ্ধি হোৱা বুলি মন্তব্য কৰি জাগীৰোড বিধানসভা সমষ্টিত ২,৩৮,৩৯১ জনৰ পৰা ২,৩৯,৩৪৬ জন, মৰিগাঁৱত ১,৯২,২১৯ৰ পৰা ১,৯৩,৬০২ আৰু লাহৰীঘাটত ১,৮৬,৫৩৭ৰ পৰা ১,৮৭,২৪৬ জন বৃদ্ধি হোৱা বুলি জনায়। অতিৰিক্ত উপায়ুক্ত গৰ্গ মোহন দাস, নিৰ্বাচন বিষয়া দ্বীপময় ঠাকুৰীয়াৰ লগতে ৰাজনৈতিক দল বিজেপি, কংগ্ৰেছ, চিপিআই, অসম জাতীয় পৰিষদৰ উপৰি সংবাদ মাধ্যমৰ ব্যক্তিসকলে অংশগ্ৰহণ কৰা সভাখনত উপায়ুক্ত ঘৰফলীয়াই জিলাখনত যাতে এখন প্ৰকৃত শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰিব পৰা যায় তাৰ বাবে সকলোকে সহায় সহযোগিতা কৰিবলৈ আহ্বান জনায়। আনহাতে, স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত গৰ্গমোহন দাসে জিলাখনত এতিয়াও বহু লোকে প্ৰথম পালি প্ৰতিষেধক গ্ৰহণ কৰা নাই আৰু দ্বিতীয় পালি গ্ৰহণ কৰিবলৈ এতিয়াও বহুলোক বাকী আছে বুলি প্ৰকাশ কৰি প্ৰথম পালি গ্ৰহণ নকৰা আৰু দ্বিতীয় পালি গ্ৰহণ কৰিবলৈ বাকী থকা সকলক প্ৰতিষেধক ল'বলৈ অনুৰোধ জনায়।

■ বিজেপি প্ৰাৰ্থী তালুকদাৰৰ বিজয়ৰ পাছতেই সৰ ৰাজ্যিক বিজেপিৰ সভাপতি

# অচল নোটৰ দৰে হৈ পৰিল বিৰোধী ঃ কলিতা

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৩ নৱেম্বৰ ঃ** ‘অসমত এতিয়া বিৰোধী দল অচল নোটৰ দৰে হৈ পৰিছে। তদুপৰি মূল্যবৃদ্ধিৰ সমস্যাটো ৰাজ্যখনৰ জাতীয় নতুবা চিন্তা কৰিবলগীয়া কোনো ধৰণৰ স্থায়ী সমস্যা নহয়। কাৰণ কিবা কাৰণত মূল্যবৃদ্ধি ঘটিলেও কিছুদিন পাছত মূল্যবৃদ্ধিৰ সমস্যা হ্ৰাস পাব।’ এই মন্তব্য ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ। যোৱা ৩০ অক্টোবৰত অনুষ্ঠিত ভৱানীপুৰ সমষ্টিৰ উপ-নিৰ্বাচনৰ কালি ঘোষণা কৰা ফলাফলত বিজেপিৰ প্ৰাৰ্থীজন ২৫ হেজাৰৰো অধিক ভোটৰ ব্যৱধানত জয়লাভ কৰাৰ পাছতেই সাংবাদিকে বিজেপি সভাপতিজনৰ মন্তব্য জানিবলৈ বিচৰাত তেওঁ সাংবাদিকৰ আগত এই মন্তব্য কৰে। উল্লেখ্য যে মূল্যবৃদ্ধি তথা বিভিন্ন সমস্যাৰে ৰাজ্যৰ ভাৰাক্ৰান্ত বিজেপি নেতৃত্বাধীন চৰকাৰখন ৰাইজৰ কোপদৃষ্টিত পৰিলেও ৰাজ্যখনত অনুষ্ঠিত পাঁচটাকৈ বিধানসভা উপ-নিৰ্বাচনৰ চাৰিটা সমষ্টিতেই বিজেপিয়ে নিজাকৈ বিজয় সাব্যস্ত কৰে। একমাত্ৰ গোসাঁইগাঁও সমষ্টি দলটোৰ সহযোগী ইউপিপিএলে লাভ কৰে। আনহাতে, কালি ঘোষণা কৰা উপ-নিৰ্বাচনৰ ফলাফলে বিজেপি দল আৰু চৰকাৰখনক একপ্ৰকাৰ স্বস্তিৰ নিশ্বাস প্ৰদান কৰাৰ মাজতে বিৰোধী দলসমূহক কটু সমালোচনা কৰি সভাপতি কলিতাই কয় যে কালিৰ উপ-নিৰ্বাচনে দেখুৱাই দিলে বিৰোধী দল এতিয়া অচল নোটৰ দৰে। অচল নোট ৰাইজে কেতিয়াও নলয়। ঠিক তেনেদৰে উপ-নিৰ্বাচনৰ দ্বাৰা বিৰোধী দলসমূহকো ৰাইজে প্ৰত্যাখ্যান কৰিলে। তেওঁলোকে এতিয়া আমাক সমালোচনা কৰাৰ নৈতিক অধিকাৰ নাই। কালি ভৱানীপুৰ বিধানসভা সমষ্টিৰ প্ৰাৰ্থী ফণীধৰ তালুকদাৰৰ বিজয়ৰ আনুষ্ঠানিক ঘোষণা কৰাৰ আগমুহূৰ্তত পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ সন্মুখত কে'বা শতাধিক কৰ্মী-সমৰ্থকৰ বিজয় উল্লাসৰ মাজত কলিতাই সাংবাদিকক কয় যে আমি বিৰোধী দলক পাঁচ গ'ল দিম বুলি চেলেঞ্জ কৰিছিলো আৰু সেই চেলেঞ্জ অৰ্থাৎ পাঁচ গল দিবলৈ আজি এই মুহূৰ্তত সক্ষম হ'লো। তদুপৰি বহুত কিবা কিবি দিম বুলি প্ৰতিশ্ৰুতি দিয়া কংগ্ৰেছৰ বৰ্তমান গলকীপাৰেই নাই বুলি তেওঁ কটাক্ষ কৰে। বিজেপি সভাপতিজনে তেওঁলোকৰ এই বিজয়ক আগন্তুক দীপাৱলীৰ বিশেষ উপহাৰ বুলি উল্লেখ কৰি বিৰোধী দল কংগ্ৰেছ আৰু ৰাইজৰ দলৰ অখিল গগৈলৈ সেই উপলক্ষে মিঠাই পঠিয়াব বুলি মন্তব্য কৰে।



*ডিগবৈত যান্ত্ৰিক বিজুতিৰ বাবে দপ্‌দপাই জ্বলি উঠিল পথৰ দাঁতিত ৰখাই থোৱা বাহন, বুধবাৰে।*

## ঐতিহ্যমণ্ডিত নিমুৱা বুঢ়াগোহাঁই থানত শ্ৰীশ্ৰীজগদ্ধাত্ৰী পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৩ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত নিমুৱা বুঢ়াগোহাঁই থানত অহা ১০ পৰা ১৪ নৱেম্বৰলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে ৪১ সংখ্যক শ্ৰীশ্ৰীজগদ্ধাত্ৰী পূজা অনুষ্ঠিত হ'ব। পূজা পৰিচালনা কৰিবলৈ থানেশ্বৰ লহকৰক সভাপতি, ভবেন চন্দ্ৰ বড়োক কাৰ্যকৰী সভাপতি, খনীন্দ্ৰ কুমাৰ লহকৰ আৰু প্ৰদীপ ৰাজবংশী সম্পাদকদ্বয়, বৈকুণ্ঠ কুমাৰ দাসক সহযোগী সম্পাদকৰূপে লৈ এখন সমিতি গঠন কৰি দিছে থান পৰিচালনা সমিতিয়ে। কাৰ্যসূচী অনুসৰি, ১০ নৱেম্বৰত বনভাগ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ যোগেন্দ্ৰ কলিতাই বন্তি প্ৰজ্বলন কৰি জগদ্ধাত্ৰী পূজাৰ আৰম্ভ কৰিব। তাৰ পাছতে নিমুৱা বুঢ়াগোহাঁই থানৰ পতাকা উত্তোলন কৰিব পূজা আৰু থান পৰিচালনা সমিতিৰ সভাপতি থানেশ্বৰ লহকৰে। ধৰ্মীয় পতাকা উত্তোলন কৰিব মহকুমা স্বাস্থ্য বিষয়া ডাঃ দিলীপ কলিতাই। স্মৃতি তৰ্পণ কৰিব থান পৰিচালনা সমিতিৰ উপ-সভাপতি হৰিনাথ লহকৰে। সন্ধিয়া পূজা স্থলীৰ মুখ্য দ্বাৰ উদ্বোধন কৰিব নলবাৰী সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই। তাৰ পাছতে পূজা মণ্ডপৰ দ্বাৰ উন্মোচন কৰিব সমাজকৰ্মী আনন্দ কলিতাই। সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব অগপৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক অমল নাৰায়ণ পাটোৱাৰী, অৱসৰী অভিযন্তা বিনোদ শৰ্মা আৰু নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰে। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব ঘগ্ৰাপাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ মল্ল পাটোৱাৰীয়ে। তাৰ পাছতে নাগাৰা নাম পৰিৱেশন কৰিব হেমন্ত হালৈয়ে। ২১ নৱেম্বৰত দেৱীৰ সপ্তমী বিহিত পূজা। আবেলি ওজাপালি প্ৰদৰ্শন আৰু সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলনৰ পাছতে নাগাৰা নাম পৰিৱেশন কৰিব ভূপালী কলিতাই। ১২ নৱেম্বৰত দেৱীৰ অষ্টমী বিহিত পূজা। পুৱা আয়তীৰ নাম আৰু আবেলি ওজাপালি অনুষ্ঠান। সন্ধিয়া নাগাৰা নাম পৰিৱেশন কৰিব সুনীল পাঠকে। ১৩ নৱেম্বৰত দেৱীৰ মহানৱমী বিহিত পূজা। পুৱা আয়তীৰ নাম। আবেলি ওজাপালি প্ৰদৰ্শনৰ পাছত সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন। সন্ধিয়া আৰতিৰ পাছতে নাগাৰা নাম পৰিৱেশন কৰিব অঞ্জনা দাসে। ১৪ নৱেম্বৰত দেৱীৰ দশমী বিহিত পূজা, সমূহীয়া পুষ্পাঞ্জলি আৰু দেৱীৰ বিসৰ্জন। আবেলি প্ৰতিমা বিসৰ্জন দি ৪১ সংখ্যক শ্ৰীশ্ৰীজগদ্ধাত্ৰী পূজাৰ সামৰণি পৰিব।

## শিক্ষকৰ সমস্যা-শিক্ষানীতিত গুৰুত্ব আৰোপ

■ বৰপেটা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৬০ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশনৰ সামৰণি

**কলগাছিয়া, ৩ নৱেম্বৰ ঃ** বৰপেটা খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত বৰপেটা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৬০ সংখ্যক দ্বি-বাৰ্ষিক বৰপেটা অধিবেশনৰ সামৰণি পৰে। বৰপেটা জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত ক'ভিড-১৯ৰ নীতি-নিয়ম মানি যোৱা ৩১ অক্টোবৰত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অধিবেশনত চাফাই কামেৰে আৰম্ভ হয়। পতাকা উত্তোলন কৰে বৰপেটা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ৰবীন দাসে। স্মৃতি তৰ্পণ কৰে বৰপেটা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ভবেশ তালুকদাৰে। পুথিভঁৰাল চৌহদত গছপুলি ৰোপণ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নাৰায়ণ দাসে। প্ৰতিনিধি পঞ্জীয়ন আৰু জাতীয় সংগীতেৰে আৰম্ভ হোৱা মুকলি সভাত সভাপতিত্ব কৰে বৰপেটা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ৰবীন দাসে। উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ছমচেৰ আহমেদ। আদৰণি ভাষণ প্ৰদান কৰে অভ্যৰ্থনা সভাৰ সভাপতি হৰেন্দ্ৰ নাথ দাসে। সভাত বৰপেটাৰ অতিৰিক্ত উপায়ুক্ত লখিমী দত্ত, বৰপেটা জিলা শিক্ষা বিষয়া মনোৰঞ্জন কলিতা আৰু অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামী উপস্থিত থাকে। তদুপৰি উপ-আৰক্ষী অধীক্ষক ড° প্ৰদীপ শইকীয়াই শিক্ষকৰ সমস্যাৰ লগতে নতুন শিক্ষা নীতিৰ ওপৰত বক্তব্য দিয়ে। স্মৃতিগ্ৰন্থ উন্মোচন কৰে বৰপেটা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সম্পাদক আলহাজ আলী আজগৰে। উক্ত সভাতেই বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক হৰেন্দ্ৰ নাথ দাসে শাৰীৰিক অসুস্থতাৰ মাজতো সহকাৰী পৰিদৰ্শক নিয়তী পাঠকৰ সহযোগত ৰাজ্যিক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল গোস্বামী আৰু মুকলি সভাৰ সভাপতি ৰবীন দাসৰ জৰিয়তে চলিত বৰ্ষৰ ৩১ অক্টোবৰত পাব লগা অৱসৰকালীন ধনৰ মঞ্জুৰিকৃত আদেশৰ কপি প্ৰদান কৰে। আনহাতে, আবেলি সভাপতি ৰবীন দাসৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি আৰু বিষয়বাব বাছনি

## সৰুপথাত যুৱ-ছাত্ৰ পৰিষদৰ সুধাকণ্ঠ দিৱসৰ আয়োজন

**উৰিয়ামঘাট, ৩ নৱেম্বৰ ঃ** সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ ধনশিৰি মহকুমাৰ সমিতিৰ উদ্যোগত সুধাকণ্ঠ দিৱস উদ্‌যাপন কৰা হ'ব। অহা পাঁচ নৱেম্বৰত দিনজোৰা কাৰ্যসূচীৰে হ'বলগীয়া দিৱসৰ পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কৰিব ক্ৰমে সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ধনশিৰি মহকুমা সমিতিৰ সভাপতি কৃষ্ণম সন্দিকৈ আৰু সম্পাদক কৈল্যাণ বৰাই। দুটা শাখাত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ পাছতেই ভূপেন্দ্ৰ সংগীতৰ আধাৰত নৃত্য আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উক্ত দিৱস উপলক্ষে সমল কেন্দ্ৰৰ সমন্বয়ক ভাৰত চুতীয়াৰ সভাপতিত্বত হ'বলগীয়া মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব গোলাঘাট ডি আৰ কলেজৰ প্ৰবক্তা দেৱজিৎ ফুকন। মুকলি সভাত সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বিৰাজ তালুকদাৰ, সাধাৰণ সম্পাদক ছাহিদুৰ ৰহমান, সহঃ সাধাৰণ সম্পাদক নিপন গগৈ, গোলাঘাট জিলা সমিতিৰ উপ-সভাপতি কুলদীপ সন্দিকৈ, সাধাৰণ সম্পাদক ৰাকেশ গগৈ, ধনশিৰি মহকুমাৰ মহকুমাধিপতি জাবিৰ ৰাহুল সুৰেশ, সৰুপথাৰ ৰাজহ চক্ৰ বিষয়া হেমাংগ নবিছ, ধনশিৰি মহকুমাৰ মহকুমা আৰক্ষী বিষয়া ত্ৰিনয়ন ভূঞা আৰু বিশিষ্ট ব্যক্তি হিচাপে গোলাঘাট জিলা সাংবাদিক সংস্থাৰ সাধাৰণ সম্পাদক দ্বীপেন বৰা, ধনশিৰি মহকুমাৰ সাংবাদিক সংস্থাৰ সভাপতি মামুদ আলী, সম্পাদক অৰনী শৰ্মা, সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰৱক্তা ড° প্ৰণৱ ঢেকীয়াল ফুকনৰ উপৰি বহুতো ব্যক্তি উপস্থিত থাকিব। উল্লেখ্য যে আমন্ত্ৰিত শিল্পীসকলৰ দ্বাৰা হ'ব লগা সাংস্কৃতিক সন্ধিয়া বিদ্যুৎ বিকাশ বৰাই উদ্বোধন কৰিব বুলি সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ধনশিৰি মহকুমা সমিতিৰ সভাপতি কৃষ্ণম সন্দিকৈ আৰু সম্পাদক কৈলাণ বৰাই জানিবলৈ দিয়ে।

■ ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা আয়োজন

## অৱসৰপ্ৰাপ্ত শিক্ষক ৰাজেন্দ্ৰ নাথ দাসৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**জালাহ, ৩ নৱেম্বৰ ঃ** বাগ্‌সা জিলাৰ জালাহ ৰাজহ চক্ৰৰ অন্তৰ্গত পশ্চিম খাগ্ৰাবাৰী নিৱাসী তথা অৱসৰপ্ৰাপ্ত শিক্ষক ৰাজেন্দ্ৰ নাথ দাস (৮৭)ৰ কালি বাৰ্ধক্যজনিত কাৰণত নিজ বাসগৃহত মৃত্যু হয়। এজন সুদক্ষ ফুটবল খেলুৱৈ হিচাপে অঞ্চলটোত পৰিচিত প্ৰয়াদ দাস জিলাখনৰ অঞ্চলী এম ভি স্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই পুত্ৰৰ লগতে বহু গুণমুগ্ধক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

## শুৱালকুছিত সুধাকণ্ঠৰ মৃত্যু দিৱসৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ৩ নৱেম্বৰ ঃ** লৌহ পুৰুষ প্ৰেমদাকান্ত শৰ্মা সংগীত বিদ্যালয়ৰ সৌজন্যত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতি দিৱস অহা পাঁচ আৰু ছয় নৱেম্বৰত পালনৰ যো-জা চলোৱা হৈছে। সূচী মতে, পাঁচ নৱেম্বৰত সমাজসেৱক চন্দফৰ মেধীৰ বন্তি প্ৰজ্বলন। ড° হাজৰিকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব সমাজসেৱক মাধৱ বৈশ্যই। ছয় নৱেম্বৰত বিয়লি সংগীত বিদ্যালয়ৰ সভাপতি নৰেশ শৰ্মাৰ দ্বাৰা মঞ্চ উদ্বোধন। বৰগীত পৰিবেশনৰ পাছত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা ভূপেন্দ্ৰ সংগীত পৰিৱেশন। উপস্থিত থাকিব নেমকেয়াৰ হাস্পতালৰ অধ্যক্ষ ডাঃ হিতেশ বৰুৱা, আন্তৰ্জাতিক ক্ৰীড়াবিদ কৈলাশ শৰ্মা আৰু চিকিৎসক ডাঃ শ্যমন্ত কলিতা।

## তিনিদিনীয়া কাৰ্যসূচীৰে ৯২ সংখ্যক ফুলপানীছিগা ৰাস মহোৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ৩ নৱেম্বৰ ঃ** ১৯৩০ৰ পৰা শিৱসাগৰ জিলাৰ ঐতিহাসিক জাঁজী ফুলপানীছিগাত আঞ্চলিক ৰাসোৎসৱ কলা-কৃষ্টি কেন্দ্ৰ নামঘৰত উদ্‌যাপন কৰি অহা ৰাস মহোৎসৱে চলিত বৰ্ষত ৯২ বছৰত স্থাপন কৰে। অহা ১৮ নৱেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱ উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা পুৱা প্ৰভাতী বন্দনাৰ পাছতে আঠ বজাত যোৰহাটস্থিত অসম মহিলা বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অতিথি অধ্যাপক, কবি ড° মাণিক শইকীয়াই ধৰ্মধ্বজা উত্তোলন কৰি তিনিদিনীয়া ৰাস মহোৎসৱৰ কাৰ্যসূচী আৰম্ভ কৰিব। ইয়াৰ পাছতে ৰাস মহোৎসৱৰ উদ্‌যাপন সমিতিৰ প্ৰাক্তন সভাপতি যাদৱ দত্তই স্মৃতি তৰ্পণ আৰু জাঁজী ৰাজ্যিক চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসক ডাঃ মণিৰাম কলিতাই বৃক্ষৰোপণ কাৰ্যসূচী সমাপন কৰিব। ইপিনে, উক্ত অনুষ্ঠানৰ পাছতে চাৰিলেনযুক্ত পথ নিৰ্মাণৰ বাবে ক্ষতিগ্ৰস্ত হোৱা তথা প্ৰয়াত লক্ষ্মী নাথ গগৈ পৰিয়ালে আগবঢ়োৱা অনুষ্ঠানৰ মূল তোৰণখনৰ পুনৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হ'ব। আনহাতে, ভাগৱত শোভাযাত্ৰা অনুষ্ঠানটো উদ্বোধন কৰিব সমাজকৰ্মী বিপিন ভৰালীয়ে। দিনটোৰ অন্যান্য কাৰ্যসূচীসমূহৰ ভিতৰত আছে শৰাই অৰ্পণ, ভাগৱত পাঠ, নাম প্ৰসংগ, কীৰ্তন পাঠ আৰু দিহা নাম আদি। আনহাতে, সন্ধিয়া বন্তি প্ৰজ্বলন, শৰাই অৰ্পণ, নাম প্ৰসংগ আৰু গায়ন প্ৰদৰ্শনৰ পাছতেই আঞ্চলিক শিল্পীবৃন্দই শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসক্ৰীড়া নাট পৰিবেশন কৰিব। দ্বিতীয় দিনা পুৱা শৰাই অৰ্পণ, নাম প্ৰসংগ আৰু কীৰ্তন পাঠৰ পাছতেই মহিলাৰ দিহা নাম অনুষ্ঠিত হ'ব। সন্ধিয়া নাম-প্ৰসংগ, গায়ন প্ৰদৰ্শনৰ পাছতেই বিশিষ্ট অভিনেতা, ভাওনা শিল্পী, প্ৰয়াত সোণাৰাম দত্ত সোঁৱৰণী সন্মান প্ৰদান অনুষ্ঠান। কংসৰ চৰিত্ৰত অভিনয় কৰা শিল্পীক এই সন্মান প্ৰদান কৰিব আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাই। ইয়াৰ পাছতে স্থানীয় শিল্পী সমাজে কংস বধ নাটৰ ভাওনা প্ৰদৰ্শন কৰিব। সামৰণিৰ দিনা পুৱা নাম-প্ৰসংগ, কীৰ্তন পাঠ আৰু দুপৰীয়া ভাগৱত পাঠ অনুষ্ঠিত হ'ব। আনহাতে, সন্ধিয়া নাম-প্ৰসংগৰ পাছতে গায়ন প্ৰদৰ্শন কৰা হ'ব। তদুপৰি যোৰহাট চোলাধৰা তপন বেজবৰুৱা আৰু পৰিয়ালবৰ্গই আগবঢ়োৱা পাপৰ পৰাভৱ অতিথিৰ সিংহাসন লাভ ভাওনা প্ৰদৰ্শন কৰিব যোৰহাট মৰিজাঁজী দ-গাঁৱৰ হৰগৌৰী ভাওনা দলে। ইতিমধ্যে হিমাদ্ৰিজ্যোতি দত্তক সভাপতি, ৰাতুল দত্তক উপ-সভাপতি, বিশ্বজিত নেওগক সাধাৰণ সম্পাদক, মহেন্দ্ৰ গগৈ আৰু দিগন্ত শইকীয়াক যুটীয়া সহকাৰী সম্পাদকৰূপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। অভ্যৰ্থনা সমিতিৰ লগতে ফুলপানীছিগা আঞ্চলিক ৰাসোৎসৱ কলা-কৃষ্টি কেন্দ্ৰ নামঘৰ পৰিচালনা সমিতিৰ সভাপতি মুহিধৰ নেওগ, উপ-সভাপতি, অশোক দত্ত, সম্পাদক পুষ্পধৰ নেওগ আৰু সহকাৰী সম্পাদক অসীম দত্তই ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে।

## মৰাণত সুধাকণ্ঠৰ মৃত্যু দিৱসৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৩ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্যখনৰ লগতে মৰাণতো অহা পাঁচ নৱেম্বৰত সংগীত সূৰ্য, ভাৰতৰত্ন, সুধাকণ্ঠ আদি নানা উপাধিৰে বিভূষিত ড° ভূপেন হাজৰিকাৰ দশম মৃত্যুবাৰ্ষিকী দিৱসত অসমীয়া যুৱ মঞ্চ আৰু মৰাণবাসী ৰাইজৰ সহযোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে পালনৰ আয়োজন চলিছে। এই উপলক্ষে ইতিমধ্যে কাজল দাসক সভাপতি, প্ৰাঞ্জল কোঁৱৰক কাৰ্যকৰী সভাপতি আৰু বিপুল গগৈক সম্পাদকৰূপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি, সেইদিনা পুৱা পতাকা উত্তোলন কৰিব অসমীয়া যুৱ মঞ্চ মৰাণ আঞ্চলিক সমিতিৰ সভাপতি নৱজিত চুতীয়াই। স্মৃতি তৰ্পণ কৰিব উদ্‌যাপন সমিতিৰ সভাপতি কাজল দাসে। পাছত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন। সন্ধিয়া অসমীয়া যুৱ মঞ্চৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি দেৱজিত ভৰালীৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হ'ব। নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব বাল্য বিকাশ বিদ্যালয়ৰ প্ৰধান শিক্ষক ড° স্বপন কুমাৰ চুতীয়াই। সভাত উপস্থিত থাকিব অসম চৰকাৰৰ ৰাজহ মন্ত্ৰী যোগেন মহন, শক্তি, যুৱ ক্ৰীড়া, সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, বিধায়ক চক্ৰধৰ গগৈ, মৰাণৰ জ্যেষ্ঠ সাংবাদিক বাছা বৰা, শোভিত কুমাৰ ছেত্ৰী আৰু ত্ৰৈলোক্য চেতিয়া। সন্ধিয়া ভূপেন্দ্ৰ সংগীতৰ সংগীতানুষ্ঠান চৰাইদেউ জিলাৰ অতিৰিক্ত উপায়ুক্ত জাৰেদ আৰমানে উদ্বোধন কৰিব।

## শ্ৰীশ্ৰীচামগুৰি সত্ৰত ৰাসোৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৩ নৱেম্বৰ ঃ** মাজুলী জিলাৰ মুখা শিল্পৰ বাবে বিখ্যাত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীচামগুৰি সত্ৰত শ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি আঞ্চলিক ৰাইজৰ সহযোগত এই বছৰো দুদিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ ৰাসোৎসৱৰ আয়োজন কৰিছে। সেই উপলক্ষে সৰ্বানন্দ গোস্বামীক সভাপতি আৰু বিপুল বৰদলৈক সম্পাদকৰূপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত কেলিগোপাল অংকীয়া নাটকেৰে সম্পূৰ্ণ সত্ৰীয়া পৰম্পৰাৰে সত্ৰখনত ৰাসোৎসৱ অনুষ্ঠিত হ'ব। বৰ্তমান বিয়লিৰ পৰা নিশা পৰ্যন্ত সত্ৰৰ নামঘৰত আখৰা অনুষ্ঠিত হৈছে আৰু মুখাশিল্পীসকলে ন ন কৌশল যুক্ত মুখা নিৰ্মাণৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। অহা ১৯ আৰু ২০ নৱেম্বৰত অনুষ্ঠিত হ'ব লগা ৰাসোৎসৱত ভক্ত দৰ্শকৰ উপস্থিতি আৰু সহায়-সহযোগিতা উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

## শামুকীয়া গতিত চলা বিধ্বস্ত কমাৰবন্ধা পথত যাতায়াতৰ দুৰ্ভোগ

■ শীঘ্ৰে মেৰামতিৰ দাবী ৰাইজৰ



অগ্ৰদূত বাৰ্তা

**চিনামৰা, ৩ নৱেম্বৰ ঃ** জৰাজীৰ্ণ ৰূপ লোৱা যোৰহাট-গোলাঘাট সংযোগী ঐতিহাসিক কমাৰবন্ধা পথটোৱে যাতায়াতৰ ক্ষেত্ৰত জনসাধাৰণে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। পথ গুচি পুখুৰীলৈ পৰ্যবসিত হোৱা যোৰহাট চৰাইবাহীৰ পৰা চুঙী পৰ্যন্ত পথাংশই পথচাৰীৰ জীৱনলৈ আশংকা কঢ়িয়াই আনিছে। উল্লেখ্য যে ২০১২তে বিধ্বস্ত পথটো গড়কাপ্তানী বিভাগৰ দ্বাৰা নিৰ্মাণ কৰিবলৈ লোৱা হয়। কিন্তু ৰহস্যজনকভাৱে পথটোৰ নিৰ্মাণকাৰ্য শামুকীয়া গতিত আগবঢ়াৰ ফলত এতিয়া ধান পকে মানে টুনীৰ মৰণৰ দৰে হৈছেগৈ পথটো। জহি-খহি যোৱা পথটোৰ সামৰিক বাহিনীৰ বাহনৰ লগতে যোৰহাট-গোলাঘাট নগৰলৈ অতি চমুক সংযোগী মূল থেক যাতায়তী পথটোত পুৱাৰে পৰা নিশা পৰ্যন্ত পথচাৰীৰ লানি নিছিগা সোঁত। এনে অৱস্থাত ভগ্ন পথটোৰে সামৰিক বাহিনীৰ গাড়ীসমূহে শিক্ষাৰ্থীক ব্যাঘাত জন্মোৱা বুলিও ৰাইজে অভিযোগ কৰিছে। জনসাধাৰণৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি উল্লিখিত পথছোৱা মেৰামতি কৰি দিবলৈ ৰাইজে গড়কাপ্তানী বিভাগৰ ওচৰত আহ্বান জনাইছে। অন্যথা পথ বন্ধৰ দৰে কাৰ্যসূচী ল'বলৈ ৰাইজক বাধা নকৰিবলৈ গড়কাপ্তানী বিভাগক ৰাইজে সকীয়াই দিছে। ইফালে, পথ নিৰ্মাণৰ গতি খৰতকীয়া কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষ তথা মন্ত্ৰীয়ে ঠিকাদাৰক নিৰ্দেশ দিবলৈকো দাবী জনাইছে ভুক্তভোগী ৰাইজে।

## শিশু কল্যাণ প্ৰকল্প বিষয়াক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**টিহু, ৩ নৱেম্বৰ ঃ** টিহু সংহত শিশু কল্যাণ প্ৰকল্পৰ সদ্য অৱসৰপ্ৰাপ্ত প্ৰকল্প বিষয়া নিৰূপমা গোস্বামীক যোৱা পহিলা নৱেম্বৰত কাৰ্যালয়টোৰ বিষয়া-কৰ্মচাৰীসকলে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে নিৰূপমা গোস্বামীৰ স্থলাভিষিক্ত প্ৰকল্প বিষয়া অচ্যুত তালুকদাৰৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বিদায়ী গোস্বামীক ফুলাম গামোচা, শৰাই আদিৰে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। নিম্নবৰ্গৰ সহায়ক বনমালী পাঠকে আঁত ধৰা সভাখনত টিহু আঞ্চলিক কৰ্মচাৰী পৰিষদৰ হৈ সম্পাদক সঞ্জীৱ দাসে ফুলাম গামোচাৰে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত প্ৰকল্প বিষয়া অচ্যুত তালুকদাৰ, পৰিসংখ্যা বিভাগৰ সহায়ক মনোজ মেনা, খণ্ড সমন্বয়ক স্মিতম প্ৰকাশ দত্ত আদিয়ে বক্তব্য ৰখাৰ উপৰি উচ্চবৰ্গৰ সহায়ক মুনিন কলিতা, সহকাৰী খণ্ড সমন্বয়ক নিশাশ্ৰী হালৈ, মুখ্য সেৱিকা ক্ৰমে লাৱণ্য ৰাভা, নীলিমা দাস, কনিকা ৰাভা, চিত্ৰা ব্ৰহ্ম, ময়ূৰী বৰ্মনৰ লগতে অংগনৱাড়ী কৰ্মীসকলে গোস্বামীক বিদায় সম্ভাষণ জ্ঞাপন কৰে।

## এখন শিক্ষানুষ্ঠানৰ সকলো দিশ নিৰ্ভৰ কৰে বিদ্যালয় প্ৰধানজনৰ ওপৰত

■ শ্ৰীমন্ত শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ত বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ বজালী উদয়পুৰৰ শ্ৰীমন্ত শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মহেশ্বৰ কলিতাক কালি বিদ্যালয়ৰ শিক্ষক গোট আৰু ছাত্ৰ একতা সভাৰ তৰপৰ পৰা বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই উপলক্ষে বিদ্যালয় প্ৰাংগণত আয়োজিত সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকজনক ফুলাম গামোচা, জাপি, শৰাই, সম্বৰ্ধনা পত্ৰ আৰু কিতাপৰ টোপোলাৰে বিদায় সম্বৰ্ধনা জনোৱা হয়। অৱসৰপ্ৰাপ্ত শিক্ষক পৰিন্দ্ৰ নাথ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি দীনেশ চন্দ্ৰ কলিতা, ৰামচন্দ্ৰ কলিতা, সাংবাদিক কিশোৰ কুমাৰ কলিতাৰ উপৰি ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে অৱসৰী প্ৰধান শিক্ষকজনৰ বিদ্যায়তনিক দিশ আৰু প্ৰশাসনিক দিশৰ গুৰুত্বৰ ওপৰত মনোজ্ঞ ভাষণ প্ৰদান কৰে। সভাত সাংবাদিক কিশোৰ কুমাৰ কলিতাই ভাষণ প্ৰদান কৰি কয় যে এখন শিক্ষানুষ্ঠানৰ সকলো দিশ নিৰ্ভৰ কৰে বিদ্যালয় প্ৰধানজনৰ ওপৰত। অৱশ্যে এই ক্ষেত্ৰত সহকাৰী শিক্ষকসকলে ঐকান্তিকতাৰে সহযোগ নকৰিলে বিদ্যালয়ৰ শৈক্ষিক দি চম্ভাল কৰাটো সহজসাধ্য নহয়। তেওঁ কয় যে সুদীৰ্ঘ কাল প্ৰধান শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰা প্ৰধান শিক্ষক মহেশ্বৰ কলিতাই সকলোৰে লগত মিলিজুলি অতি দক্ষতাৰে বিদ্যালয় পৰিচালনা কৰিব পাৰিছিল। অনুষ্ঠানত বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰঞ্জিত কলিতা, মজিবুৰ ৰহমান, গুণেশ্বৰ কলিতা আৰু মাধৱ কলিতাই প্ৰধান শিক্ষকজনৰ স'তে কটোৱা সুদীৰ্ঘ কাল সান্নিধ্যৰ কথা সোঁৱৰণ কৰে। উল্লেখ্য যে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক, অভিভাৱিকা, বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া উপস্থিত থকা সভাখনত ভালেকেইগৰাকী অভিভাৱকে প্ৰধান শিক্ষকজনৰ বিদ্যায়তনিক দিশৰ ওপৰত বক্তব্য প্ৰকাশ কৰি অনাগত দিশত পূৰ্ণ সহযোগ কৰি যাবলৈ আহ্বান জনায়। সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মহেশ্বৰ কলিতাই সম্বৰ্ধনা গ্ৰহণ কৰি বিদ্যালয়খনৰ স'তে সুদীৰ্ঘ কাল সংপৃক্ত হৈ কটোৱা দিনবোৰৰ কথা সোঁৱৰণ কৰে। তদুপৰি পৰৱৰ্তী সময়ত শিক্ষক-কৰ্মচাৰীসকলক সদ্ভাৱেৰে ছাত্ৰ-ছাত্ৰীসকলক পাঠদান কৰি যাবলৈ আহ্বান জনায়।

## বৰভাগত ইলোৱা বিজ্ঞান মঞ্চৰ সাংগঠনিক সভা

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ৩ নৱেম্বৰ ঃ** দক্ষিণ বৰভাগ হাইস্কুলত যোৱা দুই নৱেম্বৰত ইলোৱা মঞ্চৰ এখন সাংগঠনিক সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বাবুল চন্দ্ৰ ডেকাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষক কুলেশ চন্দ্ৰ ডেকাই। কৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক অখিল শৰ্মা, দক্ষিণ বৰভাগ হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হৰমোহন শৰ্মা, গংগাপুখুৰী বৰকুৰিহা হাইস্কুলৰ সহ প্ৰধান শিক্ষক অপূৰ্ব ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল আজিজ আহমেদ, আৰংগমৌ মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰবীন পাটোৱাৰী, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ময়ুৰ ৰহমান, চাজিদ আহমেদ, সমাজসেৱী যুৱক দিপুল বৈশ্য, স্বাস্থ্যকৰ্মী জয়কৃষ্ণ গোস্বামী, শিক্ষক প্ৰশান্ত নাৰায়ণ চৌধুৰী উপস্থিত থাকে।

## খুমটাইত একেদিনাই সাতখনকৈ জলজীৱন আঁচনি উদ্বোধন বিধায়কৰ

**দেৰগাঁও, ৩ নৱেম্বৰ ঃ** দেৰগাঁৱৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত খুমটাই আৰু দেৰগাঁৱৰ বিভিন্ন স্থানৰ সাতখনকৈ নতুন আঁচনিৰ প্ৰকল্প কালি উদ্বোধন কৰে বিধায়ক মৃণাল শইকীয়া। উদ্বোধনী অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা সহকাৰী অভিযন্তা, প্ৰমুখ্যে বহু কেইজন বিষয়ববীয়া উপস্থিত থাকে। বিধায়কজনে ভাষণ প্ৰসংগত এই আঁচনিকেইখন ৰাইজক বিশুদ্ধ খোৱাপানী ঘৰে ঘৰে যোগান ধৰি এক স্বাস্থ্যকৰ পৰিৱেশৰ সৃষ্টি কৰিব বুলি আশা প্ৰকাশ কৰে।

■ বঙাইগাঁও-চিৰাং জিলাৰ সংক্ষিপ্ত ভোটাৰ তালিকা প্ৰকাশ

## বঙাইগাঁৱত ৮৪৮, চিদলীত ২৮১৭ গৰাকী ভোটাৰ বৃদ্ধি

অগ্ৰদূত ব্যুৰ'/অগ্ৰদূত বাৰ্তা

**বঙাইগাঁও/কাজলগাঁও, ৩ নৱেম্বৰ ঃ** ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশ মৰ্মে আজি বঙাইগাঁও জিলাৰ লগতে চিৰাং জিলাৰ সদৰ কাজলগাঁৱতো সংক্ষিপ্ত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। বঙাইগাঁও জিলা উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত এক অনুষ্ঠানত জিলা নিৰ্বাচনী বিষয়া তথা উপায়ুক্ত ডাঃ এম এছ লক্ষ্মীপ্ৰিয়াই সমষ্টিৰ ভোটাৰ তালিকা প্ৰকাশ কৰে। সেই অনুসৰি, চলিত ২০২১ ভিত্তিবৰ্ষ হিচাপে লৈ যোৱা ন আগষ্টৰ পৰা ৩১ অক্টোবৰৰ ভিতৰত কৰা প্ৰক্ৰিয়া অনুসৰি বঙাইগাঁও বিধানসভা সমষ্টিত মুঠ ভোটাৰ সংখ্যা হৈছে ১,৭৬,৮২৩ গৰাকী।

ইয়াৰে পুৰুষ ভোটাৰৰ সংখ্যা হৈছে ৮৭৫৭০ আৰু মহিলা ভোটাৰ হৈছে ৮৯২৫১ গৰাকী। সমষ্টিটোত তৃতীয় লিংগৰ ভোটাৰ সংখ্যা হৈছে দুগৰাকী। এইবাৰ সমষ্টিটোত ভোটাৰৰ সংখ্যা ৮৪৮ জনলৈ বৃদ্ধি পাইছে। বঙাইগাঁও জিলাৰ জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে আগন্তুক ২০২২ৰ পাঁচ জানুৱাৰীত পূৰ্ণাংগ ভোটাৰ তালিকা প্ৰকাশ পাব। জিলাখনৰ বঙাইগাঁও বিধানসভা সমষ্টিত মুঠ ‘ডি’ ভোটাৰৰ সংখ্যা ২৫৮ গৰাকী। অনুষ্ঠানত মহকুমাধিপতি (সদৰ) মগেন নৰহ আৰু অতিৰিক্ত উপায়ুক্ত এছ গগৈৰ লগতে জিলা তথ্য আৰু জনসংযোগ বিষয়া বিনুৰাণী ৰাজবংশী উপস্থিত থাকে। আনহাতে, আজি ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশ মৰ্মে চিৰাং জিলাতো সংক্ষিপ্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। জিলাখনৰ চিদলী জনজাতি বিধানসভা সমষ্টিৰ লগতে বিজনী বিধানসভা সমষ্টিৰ সংক্ষিপ্ত ভোটাৰ তালিকা সংশ্লিষ্ট জিলা সদৰ কাজলগাঁৱত জিলা প্ৰশাসনে আৰু বিজনীত মহকুমা প্ৰশাসনে সংক্ষিপ্ত ভোটাৰ তালিকা প্ৰকাশ কৰে। কাজলগাঁওস্থিত জিলা কেন্দ্ৰৰ সভাকক্ষত অনুষ্ঠিত এক অনুষ্ঠানত কাজলগাঁও সদৰ মহকুমাধিপতি তথা ভাৰপ্ৰাপ্ত জিলা নিৰ্বাচনী বিষয়া ৰাহিদুল ইছলামে চিদলী সমষ্টিৰ ভোটাৰ তালিকা প্ৰকাশ কৰে। চলিত ২০২১ৰ ভিত্তি বৰ্ষ হিচাপে লৈ বিগত ন আগষ্টৰ পৰা ৩১ অক্টোবৰৰ ভিতৰত কৰা প্ৰক্ৰিয়া অনুসৰি সমষ্টিটোত মুঠ ভোটাৰৰ সংখ্যা হৈছে ২০৭৮৫৫ জন। ইয়াৰে পুৰুষ ভোটাৰৰ সংখ্যা হৈছে ১০৩৮৫৯ জন আৰু মহিলা ভোটাৰ হৈছে ১০৩৯৯১ গৰাকী। সমষ্টিটোত তৃতীয় লিংগৰ ভোটাৰ হৈছে পাঁচগৰাকী। এইবাৰ সমষ্টিটোত ভোটাৰৰ সংখ্যা পাইছে ২৮১৭লৈ বৃদ্ধি পাইছে। সমষ্টিটোত মুঠ ভোট গ্ৰহণ কৰা মতে, আজিৰে পৰা ৩০ নৱেম্বৰৰ ভিতৰত কোনো লোকক নাম অন্তৰ্ভুক্তি, নাম কৰ্তন, কোনো আপত্তি থাকিলে সংশ্লিষ্ট ভোট গ্ৰহণ কেন্দ্ৰ সমূহত প্ৰক্ৰিয়া সমূহ কৰা হ'ব। আগন্তুক ২০২২ৰ পাঁচ জানুৱাৰীত পূৰ্ণাংগ ভোটাৰ তালিকা প্ৰকাশ পাব। অনুষ্ঠানত চিৰাং জিলা তথ্য আৰু জনসংযোগ বিষয়া গগন নাৰ্জাৰী উপস্থিত থাকে। ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ লগতে সংবাদ মাধ্যমৰ লোকসকল উপস্থিত থাকে।




## ‘কিউ’ৰ পাছত ‘ইউ’ কিয় ?

ইংৰাজী বৰ্ণমালাৰ দুটা অন্যতম বৰ্ণ হ’ল ‘Q’ আৰু ‘U’। তোমালোকে এটা কথা লক্ষ্য কৰিবাচোন, যিবোৰ ইংৰাজী শব্দ ‘কিউ’ (Q) বৰ্ণটোৰে আৰম্ভ হয়, সেইবোৰত ‘কিউ’ বৰ্ণৰ পাছতে থাকে ‘ইউ’ (U) বৰ্ণ। যেনে— Quick, Quiet, Queen, Quack, Qualify, Quarter ইত্যাদি। ইংৰাজী অভিধানখন চালেই কথাটো ধৰিব পাৰিবা। কিন্তু ‘কিউ’ৰ পাছত সদায় বাৰু ‘ইউ’ আছে কিয়? নিশ্চিতভাৱে ই জানিবলগীয়া কথা।



‘কিউ’ বৰ্ণটো মূলতঃ ফৰাচী। অৰ্থাৎ ফৰাচী অভিধানৰ পৰা ইংৰাজী ভাষালৈ ‘কিউ’ আখৰটোৰ আগমন ঘটিছে। নৰমেনসকলে সেই বৰ্ণটো ইংৰাজী বৰ্ণমালালৈ আনিলে। ১০৬৬ত ইংলণ্ডত নৰমেন সাম্ৰাজ্য আৰম্ভ হোৱাৰ আগলৈকে ইংৰাজসকলৰ মাজত ‘কিউ’ বৰ্ণৰ কোনো অস্তিত্বই নাছিল। নৰমেন ভাষাবিদসকলে ফৰাচীসকলৰ অনুকৰণত ইংৰাজী বানানত কেতবোৰ পৰিৱৰ্তন আনে। ফৰাচীসকলে কে (K)ৰ পৰিৱৰ্তে ইউ (Q) ব্যৱহাৰ কৰিছিল। লেতিনসকলে ইংৰাজী ভাষাত ‘কে ডব্লিউ’ (Kw)ৰ পৰিৱৰ্তে ‘কিউ ইউ’ (Qu) ব্যৱহাৰ কৰিছিল। সেই সূত্ৰ ব্যৱহাৰ কৰিয়েই নৰমেনসকলে ইংৰাজী বৰ্ণমালাত ‘কিউ’ বৰ্ণটো অন্তৰ্ভুক্ত কৰাৰ উপৰি ‘কে’ বৰ্ণৰে আৰম্ভ হ’বলগীয়া কেতবোৰ শব্দৰ বানান ‘কিউ’ৰে আৰম্ভ কৰিলে। সেইদৰে ‘কিউ’ৰে আৰম্ভ হোৱা শব্দবোৰৰ বানানত লেতিন ভাষা অনুযায়ী ‘কিউ’ৰ পাছতে ‘ইউ’ ব্যৱহাৰ কৰিবলৈ ল’লে।

## কাঞ্চন ফুল

**হেমন্ত** কালত অসমৰ বিভিন্ন অঞ্চলত সৌন্দৰ্যৰ পোহাৰ মেলা এবিধ ফুল হ’ল কাঞ্চন। অতিশয় ধুনীয়া এইবিধ ফুলক আমাৰ দেশত বিভিন্ন নামেৰে জনা যায়। ভাৰতীয় সংস্কৃতিৰ লগতো এই ধুনীয়া ফুলবিধৰ সম্পৰ্ক গভীৰ। কাঞ্চন ফুলক অসমীয়াত কুৰিয়াল আৰু অ’গ-য়’ক বুলিও কোৱা হয়। অৱশ্যে এই দুটা নাম আজিকালি উচ্চাৰিত নহয়। কাঞ্চন হ’ল কেইচালপিনাচিয়ে পৰিয়ালৰ ফুল। এই পৰিয়ালৰ আন এবিধ ফুল হ’ল জবা। কাঞ্চনৰ বৈজ্ঞানিক নাম হ’ল বাউহিনিয়া পাৰপাৰিয়া (Bauhinia purpurea)।




আমাৰ দেশত পোৱা কাঞ্চন ফুলবোৰৰ ভিতৰত অন্যতম হ’ল দেৱকাঞ্চন, ৰক্তকাঞ্চন আৰু শ্বেতকাঞ্চন। তিনিওটা প্ৰজাতিৰ কাণ্ড আৰু পাতৰ গঠন একে; পাৰ্থক্য কেৱল ফুলপাহত। সেইকাৰণে ফুল নোহোৱা পৰ্যন্ত গছ তিনিবিধক বেলেগকৈ চিনাক্ত কৰা কঠিন। আন কাঞ্চনতকৈ ৰক্তকাঞ্চন বেছি ধুনীয়া। এইবিধ ফুলৰ অন্যতম বৈশিষ্ট্য হ’ল পাতবোৰ। দুটা গছ পাত যোৰা দিলে যেনে লাগিব, কাঞ্চনৰ পাত দেখিবলৈ তেনেকুৱা। সেইবাবেই এইবিধ ফুলৰ বৈজ্ঞানিক নামৰ প্ৰথম অংশ লোৱা হৈছে দুজন প্ৰখ্যাত যমজ উদ্ভিদ বিজ্ঞানীৰ নামৰ পৰা। ভাৰতৰ শুষ্ক অঞ্চলৰ অৰণ্যভূমি কাঞ্চন ফুলৰ আদি বাসস্থান। সচৰাচৰ পাহাৰীয়া অঞ্চলত এইবিধ গছ বেছিকৈ হয়। কাঞ্চন ফুলৰ গছৰ বাকলিৰ পৰা টেনিং, ৰং আৰু ৰচী তৈয়াৰ কৰা হয়। এই ফুলৰ বীজ সস্তীয়া তেল হিচাপেও লণ্ঠন, চাকি আদি জ্বলোৱাত ব্যৱহাৰ কৰিব পাৰি। এইবিধ ফুলগছ শিপা বিষাক্ত আৰু সৰ্পদংশনৰ প্ৰতিষেধক।

## এডিলি পেংগুইন



**পেংগুইনৰ** অন্যতম প্ৰজাতি এডিলি (পেংগুইন) এণ্টাৰ্কটিকা মহাসাগৰৰ পাৰ্শ্বৱৰ্তী মহাদেশীয় ক্ষুদ্ৰ ক্ষুদ্ৰ দ্বীপবোৰত এডিলি পেংগুইন দেখা যায়। ইহঁত সাঁতোৰত অতি দক্ষ আৰু খাদ্যৰ সন্ধানত প্ৰায় ১৭৫ মিটাৰ পৰ্যন্ত পানীৰ গভীৰলৈ ডুব মাৰিব পাৰে। এডিলি পেংগুইনৰ প্ৰধান খাদ্য হ’ল বিভিন্ন ধৰণৰ কেঁকোৰাজাতীয় প্ৰাণী, সৰু মাছ আৰু স্কুইড। অক্টোবৰৰ পৰা ফেব্ৰুৱাৰী পৰ্যন্ত এণ্টাৰ্কটিকাত গ্ৰীষ্মকাল হয়। সেই সময়ত মতা এডিলি পেংগুইনে বৰফৰ পৰা মুক্ত হোৱা শিলাময় দ্বীপত বাহ সাজিবলৈ আৰম্ভ কৰে। পৰৱৰ্তী সময়ত মাইকীজনীয়েও আহি বাহ সজাত সহায় কৰে। মাইকীজনীয়ে এবাত দুটা কণী পাৰে আৰু মতা-মাইকী উভয়ে মিলি কণী উমনি দিয়ে। কণী ফুটি পোৱালি ওলাবলৈ প্ৰায় ৩৫ দিন লাগে। শীতকালত যেতিয়া বৰফ পৰে আৰু সাগৰৰ পানী গোট মাৰিবলৈ আৰম্ভ কৰে, তেতিয়া এডিলি পেংগুইনবোৰে বৰফৰ কাষে কাষে উত্তৰ দিশলৈ আগুৱাই যাবলৈ ধৰে। পূৰ্ণবয়স্ক এডিলি পেংগুইন এটাৰ ওজন চাৰিৰ পৰা ছয় কেজি। ইহঁতৰ সৰ্বাধিক আয়ু ২০ বছৰ। অৱশ্যে প্ৰতি বছৰে ইহঁতৰ সংখ্যা কমি আহিছে। প্ৰকৃতিৰ বিৰূপ আচৰণৰ লগতে মানুহৰ মাছ ধৰাকে ধৰি বিভিন্ন কাৰণত ইহঁতে আৱাসস্থল হেৰুৱাইছে।

## চিলাৰ দৰে উৰা মাছ



এবিধ অতি আচহুৱা সামুদ্ৰিক প্ৰাণী ৰে’ ফিছ। ইহঁতক বেট’ইড্‌ছ বুলিও কয় আৰু মাছৰ শ্ৰেণীত ৰখা হৈছে। মাছবিধ দেখিবলৈ প্ৰায় এখন চিলাৰ দৰে। শৰীৰটোৰ আকৃতিও প্ৰায় চিলাৰ দৰে চেপেটা আৰু পাছফালে চিলাৰ দৰে দীঘল নেজ থাকে। ৰে’ প্ৰজাতিৰ মাছবোৰে পানীৰ ওপৰলৈকো আহে আৰু কিছু দূৰলৈ উৰি যাবও পাৰে।

ৰে’ ফিছৰ প্ৰায় ৫৬০টা প্ৰজাতি আছে। তাৰ ভিতৰত অন্যতম হ’ল ষ্টিং ৰে’, স্কেট্‌ছ ৰে’, ইলেক্ট্ৰিক ৰে’, ঈগল ৰে’, মাণ্টা ৰে’, বাটাৰফ্লাই ৰে’, কেণ্ডুলা ৰে’, ম’বুলা ৰে’ আদি। এইবিধ মাছে সাগৰত দল বান্ধি ফুৰে। এই দলবোৰক স্কুল বুলি কোৱা হয়। ইলেক্ট্ৰিক ৰে’ৰ ৬৯টা উপ-প্ৰজাতি আছে। সেইবোৰৰ শৰীৰত ছয়ৰ পৰা ২২০ ভ’ল্ট পৰ্যন্ত বিদ্যুৎ থাকে। সেইবাবেই ইহঁতক ইলেক্ট্ৰিক ৰে’ বুলি কয়।

ৰে’ ফিছক সাগৰৰ পানীৰ ওপৰ ভাগৰ পৰা আৰম্ভ কৰি এহেজাৰ ফুট গভীৰতাতো দেখা যায়। পানীৰ ওপৰভাগত থকা ৰে’ মাছে মানুহৰ স’তে খেলিবলৈকো ভাল পায়। ৰে’ মাছৰ কিছু প্ৰজাতি প্ৰায় ৩০ ফুট পৰ্যন্ত দীঘল হ’ব পাৰে। সৰু প্ৰজাতিৰ দৈৰ্ঘ্য ১.৬ ফুট। ইহঁতৰ আয়ুস মাত্ৰ ছবছৰ।



## কালীপূজা আৰু দীপান্বিতা

**দীপান্বিতা** বা দীপাৱলী হ’ল পোহৰৰ উৎসৱ, বিজয়ৰ উৎসৱ। কাতি মাহৰ অমাৱস্যাত এই উৎসৱ পালন কৰা হয়। অতি প্ৰাচীন কালত শ্ৰীৰামচন্দ্ৰই লংকাৰ ৰজা ৰাৱনক বধ কৰি এই তিথিতেই অযোধ্যালৈ উভতি আহিছিল। তেওঁৰ স’তে উভতি আহিছিল পত্নী সীতা আৰু ভ্ৰাতৃ লক্ষ্মণ। তেওঁলোকক আদৰিবলৈ অযোধ্যাবাসীয়ে দীপ প্ৰজ্বলন কৰি সমগ্ৰ অযোধ্যা নগৰী পোহৰাই তুলিছিল। তেতিয়াৰ পৰাই প্ৰতি বছৰে দীপাৱলী পালনৰ পৰম্পৰা চলি আহিছে। দীপাৱলীৰ পূৰ্বে সকলো মানুহে নিজৰ নিজৰ ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰে। উৎসৱ উপলক্ষে মানুহে ঘৰত বিভিন্ন ধৰণৰ মিঠাই আৰু ব্যঞ্জন তৈয়াৰ কৰে। দীপাৱলীৰ দিনা মানুহে আনন্দ উপভোগ কৰে। সৰু-ডাঙৰ সকলোৱে আতচবাজী জ্বলায় আৰু মিঠাই পৰিবেশন কৰি ৰং-ৰহইচ কৰে। এই দীপান্বিতা বা দীপাৱলী বা দেৱালীৰ প্ৰধান উদ্দেশ্য হৈছে অন্ধকাৰ বা অপশক্তিক বিনাশ কৰি আকাশখন পোহৰাই তুলি ধৰাখনিক অসত্য আৰু অধৰ্মৰ কবলৰ পৰা মুক্ত কৰি সত্য আৰু ধৰ্মৰ প্ৰতিষ্ঠা কৰা। আনহাতে, কালী পূজাই বিঘিনি নাশ কৰে।



## দুই তুষাৰ যুগৰ মাজত পৃথিৱী

আমাৰ জগতখনে বা পৃথিৱীয়ে অনেক কাণ্ড-কাৰখানাই কৰে। ইয়াৰ বহুখিনি আমি বুজিব নোৱাৰো, কিন্তু উপলব্ধি কৰিব পাৰো। যিদৰে এটা নিৰ্দিষ্ট সময়ৰ ব্যৱধানত পৃথিৱীখন ভয়ানকৰূপে ঠাণ্ডা হৈ পৰে। কিছুকালৰ পাছত পুনৰ গৰম হয়। এয়া অৱশ্যে আমি সচৰাচৰ পাই অহা শীতকাল গুচি জহকাল অহাৰ লেখীয়া কথা নহয়। এই ঠাণ্ডা-গৰমৰ ব্যৱস্থাটো অন্য ধৰণৰ। পৃথিৱী কিমান দিনলৈ শীতল হৈ থাকে, আকৌ কিমান দিনৰ পাছত পুনৰ গৰম হ’বলৈ আৰম্ভ কৰে, তাৰ কিছু হিচাপ-নিকাচ বিজ্ঞানীয়ে কৰিছে। কিন্তু এক-দুই বছৰৰ হিচাপ নহয়, বৰঞ্চ কে’বা হেজাৰ লাখ বছৰৰ হিচাপ।



পৃথিৱীখন যেতিয়া শীতল হৈ পৰে, তেতিয়া উত্তৰ মেৰুৰ বৰফৰ আচ্ছাদন আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা পৰ্যন্ত আগুৱাই আহিব পাৰে। সকলোবোৰ ঢাক খাব পাৰে বৰফত। সেইদৰে দক্ষিণ মেৰুৰ পৰা বৰফৰ আচ্ছাদন উপস্থিত হ’ব পৰে অষ্ট্ৰেলিয়া, আফ্ৰিকা আদিত। এই সময়খিনিৰে নাম দিয়া হৈছে ‘তুষাৰ যুগ’। কে’বা হেজাৰ লাখ বছৰৰ অন্তৰালত হোৱা এই তুষাৰ যুগ পৃথিৱীয়ে এই পৰ্যন্ত পাঁচবাৰ অতিক্ৰম কৰি অহা বুলি বিজ্ঞানীসকলে ধাৰণা কৰে। বহু সংখ্যক প্ৰজাতিৰ জীৱই এনে শীত সহ্য কৰিব নোৱাৰি মৃত্যুমুখত পৰিছে। সেই জীৱবোৰ পৃথিৱীৰ পৰা একেবাৰে বিলুপ্ত হৈছে।

মজাৰ কথা যে আমি এই সময়ত দুটা তুষাৰ যুগৰ মধ্যভাগত আছো। অৰ্থাৎ এটা তুষাৰ যুগ অতিক্ৰম কৰি পৃথিৱী আগবাঢ়ি আহিল, পুনৰ এটা তুষাৰ যুগত ভৰি দিবলৈ জগতখনক সিমান বছৰৰ প্ৰয়োজন হ’ব। ভাবিলে আচৰিত নালাগেনে বাৰু? কিয় হয় বাৰু তুষাৰ যুগ?

এই সন্দৰ্ভত বিজ্ঞানীসকলে নিজস্ব ব্যাখ্যা দাঙি ধৰিছে। আমি জানো যে আন গ্ৰহবোৰৰ দৰে পৃথিৱীয়েও এটা নিৰ্দিষ্ট নিয়মত সূৰ্যক প্ৰদক্ষিণ কৰি আছে। এইদৰে প্ৰদক্ষিণ কৰি পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে ঘূৰি থকা নিয়মটোত একো একোটা নিৰ্দিষ্ট সময়ৰ অন্তৰালত কিছু সালসলনি ঘটে। তেতিয়াই পৃথিৱীয়ে তুষাৰ যুগৰ কবলত পৰিবলগীয়া হয়। ইয়াতে এটা প্ৰশ্ন উত্থাপন হ’ব পাৰে। পৃথিৱীৰ দৰে বাকী সাতটা গ্ৰহেও সূৰ্যক প্ৰদক্ষিণ কৰে। তেন্তে প্ৰতিটো গ্ৰহেই বাৰু তুষাৰ যুগৰ কবলত পৰে নেকি? আচলতে প্ৰতিটো গ্ৰহে সূৰ্যৰ চাৰিওফালে একেটা নিয়মত প্ৰদক্ষিণ নকৰে। পৃথিৱীৰ দৰে শাৰীৰিক গঠনো প্ৰত্যেক গ্ৰহৰে নাই। একে ধৰণে বায়ুমণ্ডল, কঠিন শিল প্ৰতিটো গ্ৰহতে নাই। সামান্য মিল আছে মঙল গ্ৰহৰ। সেয়ে মঙল গ্ৰহতো তুষাৰ যুগ আহে আৰু যায়। কিন্তু সেই তুষাৰ যুগ অহা-যোৱাৰ নিয়ম পৃথিৱীৰ দৰে নহয়। মঙল গ্ৰহত এতিয়া তুষাৰ যুগ শেষ হ’বৰ হৈছে।

## ৰবিৰামৰ ৰবিবাৰ

প্ৰদীপ নাৰায়ণ ভট্ট

**ৰবিৰাম** ৰজত গাঁওবুঢ়াৰ ল’ৰা। গাঁওবুঢ়াৰ এইজন ল’ৰাৰ জন্ম হৈছিল ৰবিবাৰে। কিছুমানে ৰবিবাৰক দেওবাৰ বুলিও কয়। দেওবাৰে জন্ম লাভ কৰা কাৰণে ৰবিৰামৰ খুড়াকৰ নাম দেৱৰু। আজিও একাংশই সন্তান জন্ম হ’লে বাৰ, মাহ আদিৰ নামেৰে নাম ৰাখে। যেনে- ফাগুনত জন্মিলে ল’ৰাৰ নাম ফাগুনা আৰু ছোৱালীৰ নাম ফাগুনী ৰাখে। ব’হাগত জন্মিলে ছোৱালীৰ নাম ৰাখে ব’হাগী। ৰজত গাঁওবুঢ়াই যেতিয়া পুতেকৰ নাম ৰবিৰাম ৰাখিছিল, তেতিয়া তেওঁ কেতিয়াও আধুনিক নামৰ কথা চিন্তা কৰা নাছিল। গাঁওবুঢ়াৰ মতে এটা আধুনিক নামে এজন ব্যক্তিক কেতিয়াও আধুনিক কৰি গঢ়ি নোতোলে। মানুহে জ্ঞান-বুদ্ধি আৰু সভ্যতা-সংস্কৃতিৰ দ্বাৰাহে আধুনিক হয়। সেইকাৰণে গাঁওবুঢ়াই পুতেকক শিক্ষা-সংস্কৃতিৰে আধুনিক কৰিব বিচাৰে। তেওঁ পুতেকক উপযুক্ত বয়সত এখন উন্নত শিক্ষানুষ্ঠানত নাম ভৰ্তি কৰি দিছিল। এখন চৰকাৰী শিক্ষানুষ্ঠানত নাম ভৰ্তি কৰা ৰবিৰামক দেউতাকে প্ৰয়োজনীয় সা-সুবিধা প্ৰদান কৰিছিল। গাঁওবুঢ়াৰ অভিজ্ঞতাত একাংশ পিতৃ-মাতৃৰ সিদ্ধান্ত বহুত ভুল বুলি প্ৰমাণিত হয়। তেওঁ দেখিছে যে একাংশ পিতৃ-মাতৃয়ে সন্তানক চৰকাৰী শিক্ষানুষ্ঠানত নাম ভৰ্তি কৰি নিজৰ দায় সাৰে আৰু দায়িত্বৰ পিনে পিঠি দিয়ে। সকলো দায়িত্ব শিক্ষকৰ ওপৰত এৰি দি সেইসকল পিতৃ-মাতৃয়ে হাত সাৰটি বহি থাকে; কিন্তু একেখিনি পিতৃ-মাতৃয়ে সন্তানক যেতিয়া কোনোবা ব্যক্তিগত শিক্ষানুষ্ঠানত নাম ভৰ্তি কৰি দিয়ে, তেতিয়া সন্তানক পিন্ধিবলৈ ভৰিত-জোতা, দেহত পিন্ধিবলৈ ইউনিফৰ্ম, সময়ে-সময়ে কাগজ-কলম, উচ্চ হাৰত টিউছন ফিচ আদি দিবলৈ নাপাহৰে। ঠিক একেদৰে জিৰণিৰ সময়ত খাবলৈ উন্নত টিফিন, পানীৰ বটল আদিও দিয়ে। কিন্তু চৰকাৰী শিক্ষানুষ্ঠানত পঢ়া সন্তানলৈ মাক-দেউতাকৰ ইমান অৱহেলা কিয়? গাঁওবুঢ়াই নিজৰ সন্তানক লৈ এই ধৰণৰ অৱহেলা আৰু ভুল নকৰে। তেওঁৰ মতে সাৰ-পানীৰ যোগান নধৰাকৈ কৃষকে উন্নত ফচল আশা কৰাটো ভুল। ৰজত গাঁওবুঢ়াই তেনে ভুল নকৰাৰ সংকল্প লৈছিল। তেওঁ ল’ৰাক ঘৰুৱা শিক্ষকৰ সহযোগো প্ৰদান কৰিছিল। ল’ৰাই যাতে অবাবত সময় নষ্ট নকৰে, তাৰ ওপৰতো নজৰ ৰাখিছিল। ইমানবোৰৰ পাছতো গাঁওবুঢ়াৰ ল’ৰাই এটা ভুল সদায় কৰিছিল। সি তাৰ জন্মদিন ৰবিবাৰটোক অলপ বেলেগ দৃষ্টিৰে চাব বিচাৰিছিল। তাৰ মতে ৰবিবাৰটোত স্কুল-কলেজ, অফিচ-আদালত সকলো বন্ধ। এই দিনটোত কৰ্ম ব্যস্ততা সি পছন্দ নকৰে। তাৰ মতে সেই দিনটোত পঢ়া-শুনাও বন্ধ থাকিব লাগে। সেইকাৰণে সি ঘণ্টাৰ পাছত ঘণ্টা খেলা-ধুলা খেলি, টিভিৰ কাৰ্যসূচী উপভোগ কৰি নাইবা বন্ধু-বান্ধৱৰ লগত ইটো-সিটো কৰি সময় অতিবাহিত কৰিব বিচাৰে। গাঁওবুঢ়াৰ পুতেকৰ সেই সিদ্ধান্তৰ স’তে একমত নহয়। তেওঁ বহুদিন বুজাবলৈও চেষ্টা কৰিছে। চেষ্টাৰ অসাধ্য নাই। তেওঁ সেই কথা বুজি পায়। তেওঁ বিচাৰে, পুতেকে সময়ৰ অপব্যৱহাৰ কৰি নিজৰ বিপদ মাতি নানক। কাৰণ এবাৰ এটা ডাঙৰ ক্ষতি হ’লে তাক পূৰ কৰা বহুত কঠিন। সেইকাৰণে তেওঁ শেষ প্ৰচেষ্টা হিচাপে এদিন এটা ৰবিবাৰে পুতেকক খাদ্য খাবলৈ নিদিয়াৰ সিদ্ধান্ত ল’লে। ঘৈণীয়েককো ক’লে সকীয়াই থলে যাতে পুতেকক একো এটা খাবলৈ দিয়া নহয়। গাঁওবুঢ়াৰ ঘৈণীয়েকে সমস্যা সমাধানৰ বাবে সেইদিনা ৰান্ধনীশাললৈ যোৱা নাছিল। এটা সময়ত ৰবিৰামে ক্ষুধা সামৰিব নোৱাৰি মাকৰ ওচৰত আহি খাদ্য বিচাৰিছিল। গাঁওবুঢ়াই দুৰে-দুৰে থাকি সকলো শুনি আছিল। তেওঁ পুতেকক সুযোগ বুজি ক’লে, ‘শুন ৰবি, আজি ৰবিবাৰ। গতিকে পঢ়া-শুনা বন্ধ। আমি ভাবো ৰবিবাৰে সকলো বন্ধ থাকিব লাগে। গতিকে আজিৰ পৰা প্ৰতিটো ৰবিবাৰে ৰান্ধনিশালো বন্ধ। কাৰণ কাম-কাজ বন্ধ হ’লে ভাতো বন্ধ হ’ব লাগে।’ ৰবিৰামে তাৰ ভুলটো বুজি পালে। সি দৌৰা-দৌৰিকৈ অধ্যয়ন কক্ষলৈ গ’ল আৰু গৃহ কাৰ্যবোৰ কৰাত ব্যস্ত হ’ল। মাকেও সোনকালে কিবা এটা কৰি তাক খাবলৈ দিলে। পাছত আৰু ৰবিবাৰবোৰ সি অবাবত ক্ষতি নকৰা হ’ল। সঁচাই সময় বহুত মূল্যবান। সময়ৰ অপব্যৱহাৰে আমাৰ ভীষণ ক্ষতি কৰিব পাৰে।

## কবিতা

### শৈশৱ

পিতাইৰ হেঁপাহৰ পদুলিলৈ  
আহ ঐ শৈশৱ,  
পথাৰতে খেলো সমনীয়াৰ স’তে  
ৰজাই হুকুম দিছে.....।  
বিহুৰে বতৰত উভতি আহিবি  
মৰমৰ শৈশৱ ঐ  
দুয়ো যাম আপোন ঘৰলৈ বুলি  
চেনেহৰ চোতালত মৰমৰ বাণীৰে  
লগামে তাঁতশালখনি।  
মাকো মাৰি মাৰি  
ভাগৰি পৰিলে  
পিতায়ে মাতিব  
উঠচোন মা অ’  
ভৰিখন বিষাব বুলি  
সেইখন মৰমৰ চোতালত  
ওমলি জামলি ডাঙৰ হ’লো ঐ  
চেনেহৰ শৈশৱ,  
তই গুচি গ’লি গৈ  
মোকে ডাঙৰ কৰি থৈ  
সেইখন মৰমৰ চোতালতে  
পিতায়ে বিয়া দিলে  
গোত্ৰ ছিঙি  
দুখৰে সময়ত মনত পৰে ঐ  
শৈশৱ তোলৈ  
আহিবিচোন বিহুৰে বতৰত  
ৰৈ থাকিম পদুলিমুখত  
জপনাখন খুলি।

**নিভাৰাণী ডেকা**

### অ’ মোৰ অসম দেশ

সোণত সুৱগা চৰা  
অ’ মোৰ অসম দেশ  
পুৱাৰ ৰাঙলী সূৰুযে আহি  
পিন্ধাই পোহৰৰ বেশ।  
নানা জাতি জনজাতি  
সংস্কৃতিৰে অতি মোহনীয়া  
গছ-লতা ফল-ফুলে  
ধৰণী ধুনীয়া।  
চেনেহৰ ভাষা মোৰ  
মাতত অমিয়া বৰষা  
অমাতৰ মাত সিটো  
অসমীয়া ভাষা।  
অসমীয়া ভাব-ভাষাত  
গল্প কাহিনী য’ত  
জনমে জনমে মোৰ  
প্ৰাণত ৰঞ্জিত।  
কালজয়ী কৰ্মৰে  
কৰিম আলোকময়  
বিশ্বদৰবাৰত গঢ়িম  
অসমীয়া ভাষাৰে সমন্বয়।  
অসমীয়া ভাষা মোৰ  
অতি মৰমৰ  
সৃষ্টিৰ জখলাৰে বগাই  
কৰিম অমৰ।

**ঝৰ্ণালী শৰ্মা বৰকটকী**

### গুৰু বন্দনা

জগতৰ গুৰু তুমি শ্ৰীমন্ত শংকৰ,  
কলি যুগে অৱতৰি  
আন দেৱ-দেৱী এৰি  
হ’লা তুমি ‘কৃষ্ণৰ কিংকৰ’।  
কীৰ্তন-দশমত নিজকে থাপিলা  
পাহাৰ-ভৈয়ামক একগোট কৰিলা  
বৰগীতৰ অমিয়া বোৱালা,  
নাটক-কাব্যকে ধৰি  
নানা গ্ৰন্থ সৃষ্টি কৰি  
খোল-তাল আদি কৰি  
নানা বাদ্য সৃষ্টি কৰি  
কলা-কৃষ্টিৰ বিকাশ ঘটালা।  
নামধৰ্ম প্ৰচাৰ কৰিলা।  
অন্তহীন এই মৰু  
কাতৰে মিনতি কৰো  
আশীস নিৰ্মালি দিয়া মোক,  
সৎ পথে আগবাঢ়ি  
সু-কৰ্ম কৰি কৰি  
উজলাওঁ জননীৰ মুখ।

**ভাস্কৰজ্যোতি দাস**

## এখন সহানুভূতিশীল অন্তৰ

বীৰেণ শৰ্মা

**ৰূপা** ৰংদৈ উচ্চতৰ বালিকা মাধ্যমিক বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী। পঢ়া-শুনাত ৰূপা অতি চোকা। শ্ৰেণীত ৰূপা সদায় প্ৰথম দ্বিতীয় হৈ প্ৰমোচন পাই আহিছে। ৰূপা মাক-দেউতাকৰ অতি বাধ্য ছোৱালী। ৰূপাই প্ৰতিদিনেই ভাবে মাক-দেউতাকৰ অবাধ্য হোৱা উচিত নহয়। কাৰণ যি মাক-দেউতাকৰ কৃপাতেই ৰূপাই এই সংসাৰখন দেখিবলৈ পাইছে। ৰূপাৰ অমায়িক ব্যৱহাৰে স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু সমনীয়া ছাত্ৰ-ছাত্ৰীৰ মন বৰকৈ আকৰ্ষণ কৰিছিল। দুখীয়া দৰিদ্ৰ লোকৰ প্ৰতি ৰূপাৰ আছিল এখন সহানুভূতিশীল অন্তৰ। জুলাই মাহ-অসমীয়া শাওণ মাহ আছিল। ৰূপাহঁতৰ স্কুলৰ গৰমবন্ধ আছিল। ইপিনে শাওণ মাহত ৰূপাহঁতৰ বাৰীত আম-কঁঠালৰেও ভৰি থাকে। ৰূপাই কঁঠাল খাবলৈ বৰ ভাল পায়। সেইদিনা দেওবাৰ আছিল। দেউতাকৰ অফিচো বন্ধ আছিল। ৰূপাই দেউতাকক ক’লে- দেউতা মোৰ আজি কঁঠাল খাবলৈ বৰ মন গৈছে। আজি তোমাৰো অফিচ বন্ধ। তুমি আজি পকা কঁঠাল এটা ভাঙি মোক তাৰ কোহ উলিয়াই দিব লাগিব। তুমি, মই আৰু মায়ে আজি পকা কঁঠাল খাম। ৰূপাৰ কথা মতেই ৰূপাৰ দেউতাকে পকা কঁঠাল এটা ভাঙি তিনিও খোৱাৰ পৰিকল্পনা কৰিলে। যিহেতু কঁঠাল বতৰৰ বস্তু কঁঠাল খায় বেলেগ এটা আনন্দ আছে। ৰূপা আৰু দেউতাকে পকা কঁঠাল খাই থাকোতেই ৰূপাহঁতৰ ঘৰলৈ এগৰাকী তিৰোতা মানুহ বৰষুণত তিতি বুৰি আহি ৰূপাহঁতৰ ঘৰ পালেহি। শাওণ মাহ ঘোৰ বাৰিষা সেইদিনা বৰষুণ কলহৰ মুখেদি ধাৰাসাৰে দি আছিল। সেই সময়ত ৰূপাই দেউতাকৰ ওচৰত বহি পকা কঁঠাল খাই আছিল। মানুহ গৰাকী তিতি-বুৰি জুৰুলী-জুপুৰী হৈ ৰূপাহঁতৰ ঘৰৰ বাৰান্দাত থকা বেঞ্চখনত আহি বহিছিল। মানুহগৰাকী বৰ থক্ থক্‌কৈ কঁপিছিল। মানুহ গৰাকীৰ গাৰ সমস্ত কাপোৰ-কানি তিতি বুৰি গৈছিল। এই দৃশ্যটো দেখি ৰূপাই মৰ্মান্তিক বেজাৰ পালে। ৰূপাই মানুহগৰাকীক দেখিয়েই দেউতাকৰ ওচৰৰ পৰা উঠি গৈ মানুহগৰাকীক ৰূপাহঁতৰ ড্ৰয়িংৰুমৰ পৰা চকী এখন উলিয়াই বহিবলৈ দি মাকক মাতি মাকৰ পৰা এজোৰ কাপোৰ লৈ মানুহগৰাকীৰ তিতা কাপোৰখিনি সলাই ভালদৰে গাটো মচি মানুহগৰাকীক মাকৰ কাপোৰ এযোৰ পিন্ধাই দিলে। আৰু ৰূপাই মানুহগৰাকীক কিছু গৰম চাহ দিয়াৰ কথা ক’লে। ৰূপাৰ মাকে মানুহগৰাকীক গৰম চাহ আৰু জলপানেৰে ভালদৰে আপ্যায়িত কৰিলে। ৰূপাই মানুহগৰাকীক কঁঠাল কেইফোটা মানো আনি দিলেহি। ৰূপাহঁতৰ ব্যৱহাৰত মানুহগৰাকী অতি আনন্দিত হ’ল। মানুহগৰাকীৰ চকুৰেদি আনন্দৰ চকুলো বৈ গ’ল। ৰূপাই মানুহগৰাকীক দুপৰীয়া ভাত সাঁজ খাই যোৱাৰো কথা ক’লে। মানুহগৰাকীয়ে অতি আনন্দৰে ৰূপাৰ নিমন্ত্ৰণ ৰক্ষা কৰিলে। ৰূপাই দেউতাকক বজাৰৰ পৰা এটা নতুন ছাতি আনি দিয়াৰ কথা ক’লে। দেউতাকে ক’লে- মই আজিয়েই বজাৰৰ পৰা মানুহগৰাকীলৈ বজাৰৰ পৰা এটি নতুন ছাতি আনিম। ৰূপাৰ দেউতাকে মানুহগৰাকীক বজাৰৰ পৰা এটা নতুন ছাতি আনি দিলে। ৰূপাই মানুহগৰাকীক দেউতাকে অনা নতুন ছাতিটো উপহাৰ দি পৰম আনন্দ লাভ কৰিলে। ৰূপাই দুপৰীয়া মানুহগৰাকীক ভালদৰে ভাত এসাঁজৰে আপ্যায়িত কৰিলে। ৰূপা আৰু ৰূপাহঁতৰ ঘৰখনৰ আতিথ্যত মানুহগৰাকীয়ে পৰম আনন্দ লাভ কৰি যাবৰ সময়ত ৰূপাক ওচৰলৈ মাতি মূৰত ধৰি আশীৰ্বাদ দিলে। মানুহ গৰাকীয়ে ৰূপাৰ মাক-দেউতাককো ভৰি চুই সেৱা জনালে। ৰূপাই দেউতাকক খুজি মানুহগৰাকীক টকা এশও হাতত দিলে। মানুহগৰাকীয়ে যাবৰ সময়ত নতুন ছাতিটো মেলি ৰূপাৰ মুখলৈ কে’বাবাৰো চালে। ৰূপাৰ মাক-দেউতাকে ৰূপাৰ এনে সহানুভূতিশীল অন্তৰ দেখি ‘বিস্ময়’ মানিলে। মাক-দেউতাকে ৰূপাক ওচৰলৈ মাতি আনি ৰূপাৰ মূৰত হাত থৈ ক’লে- ৰূপা তুমি আগলৈও এনেদৰে দৰিদ্ৰ, দুখীয়া, অন্ধ, কণা মানুহৰ প্ৰতি এখন সহানুভূতিশীল অন্তৰ ৰাখিবা। সেইসকল লোকক কেতিয়াও উপলুঙা নকৰিবা। সকলো প্ৰাণীয়েই পৰমেশ্বৰৰ সৃষ্টি বুজিছা- ৰূপা লোকৰ কাৰণে কান্দিব জানিলে কান্দোনতো সুখ পায়। ৰূপাই মাক-দেউতাকৰ আশীৰ্বাদ শিৰত লৈ নিজৰ জীৱন যাত্ৰাত আগবাঢ়ি গ’ল।





*অভীপ্সা বি কাশ্যপ, দ্বিতীয় শ্ৰেণী, বাড়চ একাডেমী, সৰভোগ।*



*দৰ্শিল প্ৰদীপ, সপ্তম শ্ৰেণী, বাড়চ একাডেমী, সৰভোগ।*

## দেহৰ ৰং সলাব পৰা প্ৰাণী ‘তেজপিয়া’

মধুছন্দা

**অকণিহঁত** আমাৰ পৃথিৱীখন সুন্দৰ-সুবাসিত কৰি ৰখা প্ৰাণী- উদ্ভিদৰ বৈচিত্ৰতাৰ তুলনা নাই। সৰু-বৰ বিভিন্ন ৰং ৰূপৰ, আকাৰ-প্ৰকাৰৰ, বিচিত্ৰ আচৰণৰ প্ৰাণী আৰু উদ্ভিদে এই বিনন্দীয়া পৃথিৱীখন সুন্দৰ সুবাসিত আৰু নিকা কৰি ৰাখিছে। আজিৰ পৰা কিছু বছৰৰ আগলৈকে পৃথিৱীখন প্ৰাণী আৰু উদ্ভিদেৰে ভৰি আছিল। বৰ্তমান বহু বিচিত্ৰ প্ৰাণী আৰু উদ্ভিদ আমাৰ মাজৰ পৰা হেৰাই গ’ল। বাৰু যি কি নহওক, এতিয়াও বহু প্ৰাণী আৰু উদ্ভিদে আমাৰ পৃথিৱীখন শুৱনি কৰি ৰাখিছে। অকণিহঁত যিহেতু তোমালোক এই বসুন্ধৰাৰ একো একোজন সু-সন্তান, গতিকে তোমালোকেও সৰু কালৰ পৰাই আই বসুন্ধৰাক সুস্থ-সবল কৰি ৰখাৰ কথা চিন্তা কৰি বৰ্তমান যিসমূহ প্ৰাণী আৰু উদ্ভিদ বাচি আছেগৈ সেইবোৰৰ সুৰক্ষা আৰু সংৰক্ষণৰ ক্ষেত্ৰত তোমালোকৰ আন আন কামবোৰৰ লগতে এই ভাল কামবোৰো কৰিবলৈ চেষ্টা কৰিবা।

অকণিহঁত আজি তোমালোক এনে এটা বিচিত্ৰ প্ৰাণীৰ কথা ক’বলৈ লৈছো, যাৰ নামটো বৰ ভয়লগা। তোমালোকৰ ফুলনিত, কেতিয়াও লাও, কোমোৰা আদি চাঙত, ফেনচিং বা জেওৰা-জপনা আদিত বগাই আহাৰ বিচাৰি ফুৰা জেঠীৰ দৰে এই প্ৰাণীটো তোমালোক কোনোবাই হয়তো দেখিছা। ই কিন্তু জেঠী নহয়। জেঠীতকৈ বহুত ডাঙৰ আৰু দীঘল। প্ৰাণীটোৰ নামটো ভয় লগা যদিও ইয়াৰ কাৰ্যবোৰ কিন্তু ভয়লগা নহয়। প্ৰাণীটোৰ নাম ‘তেজপিয়া’। ‘তেজপিয়া’ ইয়াৰ নাম হ’লেও ই কিন্তু কেতিয়াও মানুহৰ তেজ পি বা শুহি নাখায়। আজিৰ পৰা ৫০/৬০ বছৰ মানৰ আগতে আমি যেতিয়া সৰু আছিলো তেতিয়া আমাৰ লগৰ কোনোবাই তেজপিয়া দেখিলেই কয়- ঐ সেইফালে নাযাবি, সেইটো তেজপিয়া। সি আমাৰ তেজ শুহি নিব। ভয়তে আমি তেজপিয়াৰ পৰা আঁতৰি আহিছিলো। কোনো কোনোৱে তেজপিয়াৰ ফালে চাবলৈয়ো মানা কৰিছিল। তাৰ ফালে চালেই বোলে তেজ শুহি নিব। এই এটা সম্পূৰ্ণ ভুল-ধাৰণা বা মিছা কথা। ইহঁতে কীট-পতংগ খাই আমাৰ বিভিন্ন দিশত উপকাৰহে কৰে।


তেজপিয়া এবিধ সৰীসৃপ জাতীয় প্ৰাণী। নেজৰ স’তে ইহঁতৰ দৈৰ্ঘ্য একফুটমান হ’ব।



বিচিত্ৰ পৃথিৱীৰ প্ৰাণীবোৰো বিচিত্ৰ হোৱাৰ অন্যান্য কাৰণবোৰৰ লগতে এটা কাৰণ হ’ল শত্ৰুৰ পৰা নিজকে ৰক্ষা কৰাটো। কিছুমান প্ৰাণীয়ে শত্ৰুৰ পৰা ৰক্ষা পাবলৈ প্ৰাকৃতিকভাবে নিজৰ দেহৰ বৰণ সলাব পাৰে।

জীৱ বিজ্ঞানীসকলে প্ৰকাশ কৰা মতে তেজপিয়াৰ গাৰ ছালৰ মাজত ‘ক্ৰোমেটোফাৰ্ম’ নামৰ ৰং সলাব পৰা শক্তি থকা এবিধ বিশেষ বৰণৰ দ্ৰব্যকণা থাকে। অতি ক্ষুদ্ৰ ক্ষুদ্ৰ এই দ্ৰব্যকণাবোৰত সূৰ্যৰ পোহৰ পৰিলে জিলিকি উঠে। তেজপিয়াৰ দেহৰ ছালৰ তলত এই দ্ৰব্যকণাবোৰ বিভিন্ন ৰঙেৰে আবৃত হৈ থাকে। এটা ৰঙৰ দ্ৰব্যকণাৰ লগত আন এটা ৰঙৰ দ্ৰব্যকণা যেতিয়া মিলেহি তেতিয়াই আমি ৰং সলোৱা যেন দেখা পাওঁ আৰু তাকো আমি ৰং সলোৱা বুলি কওঁ। নীলা আৰু হালধীয়া দ্ৰব্যকণাৰ মিলনত সেউজীয়া ৰং হয়। ঠিক একেদৰে বিভিন্ন ৰঙৰ দ্ৰব্যকণাৰ মিশ্ৰণে তেজপিয়াক এক ৰং সলোৱা প্ৰাণীলৈ পৰিৱৰ্তিত কৰিছে। সেইকাৰণে তেজপিয়াৰ ৰং বিভিন্ন সময়ত আমি সলনি হোৱা যেন দেখা পাওঁ। এনেকৈ ৰং সলাই তেজপিয়াৰ মূৰৰ অংশ ৰঙা হয় কাৰণেই মানুহে ইয়াক তেজপিয়া বুলি কয়। আচলতে ই মানুহৰ তেজ পিব নোৱাৰে। গতিকে এই প্ৰাণীটোক বিনা কাৰণত বধ কৰাটো এটা অপৰাধমূলক কাম। কাৰণ সৰু হ’লেও সিও আমাৰ দৰে প্ৰাণী। পৃথিৱীত জীয়াই থকাৰ অধিকাৰ সিহঁতৰো আমাৰ সমানেই। গতিকে প্ৰাণীবোৰৰ প্ৰতি ভুল ধাৰণা লৈ প্ৰাণীবোৰ মৰা এটা বৰ বেয়া দাম। এই ধৰণৰ প্ৰাণীবোৰে আমাৰ পৃথিৱীখনৰ বিভিন্ন দিশত বিভিন্ন প্ৰকাৰে উপকাৰ সাধন কৰি আছে। কিন্তু আমি সেই কথা কৰিব নোৱাৰো। গতিকে জীৱ বধ কৰাৰ পৰা তোমালোক বিৰত থাকি তোমালোকৰ ভাল কামৰ পৰিচয় দিবা দেই। ভাল কাম কৰি ভাল মানুহ হ’বলৈ সদায় চেষ্টা কৰিবা। দেখিবা বেয়া কামবোৰৰ ভয়ত তোমালোকৰ পৰা আঁতৰি ফুৰিছে।

*ফোন ঃ ৯৮৫৪৯৮৩৮২৭*





# তৃতীয় ৰাউণ্ডত ড'ক'ভিচ

**নিউজ ব্যুৰ'**

**পেৰিছ, ৩ নৱেম্বৰ ঃ** টকিঅ' অলিম্পিকৰ পাছত প্ৰথমবাৰলৈ টেনিছ ক'ৰ্টত নামি সহজ বিজয় অৰ্জন কৰিলে ন'ভাক ড'ক'ভিচে। বিশ্বৰ এক নম্বৰ টেনিছ খেলুৱৈজনে পেৰিছ মাষ্টাৰ্ছ টেনিছৰ তৃতীয় ৰাউণ্ডলৈ অগ্ৰগতি অৰ্জন কৰিলে। পোনপটীয়াকৈ দ্বিতীয় ৰাউণ্ডত খেলা ছাৰ্বিয়াৰ তাৰকাজনে কালিৰ খেলত মাৰ্ট'ন ফুচ'ফিচক ৬-২, ৪-৬, ৬-৩ ছেটত পৰাজিত কৰে। আনহাতে, কালিৰ এখন প্ৰথম ৰাউণ্ডৰ খেলত ফেলিক্স অগাৰ-আলিয়াছিমেই ইটালীৰ গিয়ানলুকা মাগেৰক ৪-৬, ৬-৪, ৬-১ ছেটত পৰাজিত কৰি বৰ্ষ সমাপ্তিৰ প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জনৰ সম্ভাৱনা সজীৱ কৰি ৰাখিলে।

# প্ৰত্যাশা অনুসৰিয়ে দায়িত্বত দ্ৰাৱিড়

## ভাৰতীয় ক্ৰিকেট দলৰ পৰৱৰ্তী মুখ্য প্ৰশিক্ষক 'দ্য ৱাল'



**নিউজ ব্যুৰ'**

**মুম্বাই, ৩ নৱেম্বৰ ঃ** প্ৰত্যাশা অনুসৰিয়ে ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষকৰূপে নিযুক্তি লাভ কৰিলে ৰাহুল দ্ৰাৱিড়ে। একালত বেটিঙত অভেদ্য ৰক্ষণৰ বাবে 'দ্য ৱাল' অভিধা লাভ কৰা প্ৰাক্তন অধিনায়কজনক আজি বিচিচিআইৰ ক্ৰিকেট পৰামৰ্শদাতা কমিটীয়ে ৰবি শাস্ত্ৰীৰ স্থলাভিষিক্ত কৰে। দ্ৰাৱিড়ে উক্ত পদৰ বাবে আবেদন পত্ৰ জমা দিয়াৰ পাছতে তেওঁৰ নিযুক্তি নিশ্চিত হৈছিল, কিয়নো ভাৰত 'এ' দল আৰু জুনিয়ৰ দলৰ প্ৰশিক্ষকৰূপে প্ৰচুৰ সফলতা অৰ্জন কৰা প্ৰাক্তন তাৰকাজনক উক্ত পদ গ্ৰহণ কৰিবলৈ ব'ৰ্ডৰ তৰফৰ পৰাই আহ্বান জনাইছিল। আজি কেৱল আনুষ্ঠানিকতা সম্পূৰ্ণ কৰা হয়। বিশ্বকাপৰ পাছতে অনুষ্ঠিত হ'বলগীয়া ভাৰত-নিউজিলেণ্ড শৃংখলাৰ পৰাই দ্ৰাৱিড়ে দায়িত্ব গ্ৰহণ কৰিব। আজি নাম ঘোষণাৰ পাছতে তেওঁ কয়, 'শ্ৰী শাস্ত্ৰীৰ অধীনত দলে দুৰ্দান্ত প্ৰদৰ্শন আগবঢ়াইছে। দলটোৰ স'তে কাম কৰিবলৈ মই উদ্‌গ্ৰীৱ হৈ আছো।'

# সম্ভাৱনা সজীৱ ৰখাৰ সংগ্ৰাম কেৰিবিয়ানৰ

**নিউজ ব্যুৰ'**

**ডুবাই, ৩ নৱেম্বৰ ঃ** চলিত টি-২০ বিশ্বকাপৰ ক্ষীণ সম্ভাৱনা সজীৱ কৰাৰ লক্ষ্যৰে কাইলৈ শ্ৰীলংকাৰ বিপক্ষে খেলিব ৱেষ্টইণ্ডিজে। প্ৰতিযোগিতাখনৰ পৰা শ্ৰীলংকাৰ বিদায় ইতিমধ্যে নিশ্চিত হোৱাৰ বিপৰীতে কাইলৈৰ এক বৃহৎ ব্যৱধানৰ জয়ে যোৱাবাৰৰ চেম্পিয়ন ৱেষ্টইণ্ডিজৰ প্ৰত্যাৱৰ্তনৰ পথ মুকলি কৰিব পাৰে। গ্ৰুপ 'এক'ত ক্ৰমাগত দুখন খেলত পৰাজিত হোৱাৰ পাছত কেৰিবিয়ান দলটোৱে তৃতীয় মেচত বাংলাদেশক তিনি ৰাণত পৰাজিত কৰে। অৱশ্যে ছেমিফাইনেলৰ সম্ভাৱনা সজীৱ ৰাখিবলৈ দুবাৰৰ চেম্পিয়ন দলটোৱে পৰৱৰ্তী দুয়োখন খেলতে বিজয়ী হ'ব লাগিব। দলটোক উন্নত ৰাণ ৰেটৰ বাবে খেল দুখনত বৃহৎ ব্যৱধানৰ জয়ৰো প্ৰয়োজন হ'ব।

# টি-২০ বিশ্বকাপত প্ৰথম জয় ভাৰতৰ, দ্বিশতাধিক ৰাণ সংগ্ৰহ



কে এল ৰাহুল

**আবু ঢাবি, ৩ নৱেম্বৰ ঃ** টি-২০ বিশ্বকাপত অস্তিত্বৰ সংকটত ভোগা ভাৰতীয় দলে অৱশেষত জয়ৰ সন্ধান পালে। আজি নিশাৰ গ্ৰুপ 'দুই'ৰ আফগানিস্তানৰ বিপক্ষে খেলা মেচখনত ভাৰতে ৬৬ ৰাণত জয়লাভ কৰি আশা সজীৱ কৰি ৰাখিলে। ২১১ ৰাণৰ জয়ৰ লক্ষ্য লৈ আফগানিস্তানে সাত উইকেটৰ বিনিময়ত ১৪৪ ৰাণ সংগ্ৰহ কৰে। ৬৯ ৰাণত পাঁচ উইকেটৰ পতনৰ পাছত অধিনায়ক মহম্মদ নবি (৩৫)ৰ স'তে ৫৭ ৰাণ যোগ দি কৰিম জানাটে দলৰ ৰাণসংখ্যা ভদ্ৰস্থ কৰে। জানাটে ২২টা বলত ৪২ ৰাণ কৰি অপৰাজিত হৈ ৰয়। ভাৰতৰ মহম্মদ ছামিয়ে তিনিটা আৰু ৰবিচন্দ্ৰন অশ্বিনে দুটা উইকেট পায়।


ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেটিং কৰি দুই উইকেটত ২১০ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ দুই অপেনাৰ কে এল ৰাহুল আৰু ৰোহিত শৰ্মাই আৰম্ভণিৰে পৰাই সংহাৰমূৰ্তি ধাৰণ কৰে। দুয়ো প্ৰাৰম্ভিক যুটিত ১৪০ ৰাণ যোগ দিয়ে। ৰোহিতে ৪৭টা বলত আঠটা বাউণ্ডেৰী আৰু তিনিটা ছিক্সাৰৰ সহায়ত ৭৪ ৰাণ কৰে। আনহাতে, ৰাহুলে ৪৮টা বলত ছটা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰৰ সহায়ত ৬৯ ৰাণৰ বৰঙণি আগবঢ়ায়। দুয়োৰে বিদায়ৰ পাছত ইনিংছ আগুৱাই নিয়ে ঋষভ পণ্ট আৰু হাৰ্দিক পাণ্ডিয়াই। ফৰ্মলৈ ওভতা হাৰ্দিকে ১৩টা বলত ৩৬ আৰু পণ্টে ১৩টা বলত ২৭ ৰাণ কৰি অপৰাজিত হৈ ৰয়।

# ৰোহিত দীৰ্ঘদিনৰ নেতৃত্বৰ বিকল্প নহয়


## ৰাহুল-ঋষভক সাজু কৰাৰ পৰামৰ্শ প্ৰাক্তন নিৰ্বাচকৰ

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৩ নৱেম্বৰ ঃ** ৰোহিত শৰ্মাক ভাৰতৰ সীমিত অভাৰৰ দলৰ দীৰ্ঘদিনৰ অধিনায়ক বুলি ভবাৰ থল নাই বুলি মন্তব্য কৰিছে প্ৰাক্তন নিৰ্বাচক চৰণদীপ সিঙে। এক সাক্ষাৎকাৰত সিঙে কয় যে বগা বলৰ ক্ৰিকেটত ভাৰতক দীৰ্ঘদিনলৈ নেতৃত্ব দিয়াৰ ক্ষেত্ৰত ৰোহিত কেতিয়াও বিকল্প হ'ব নোৱাৰে। অৱশ্যে বিৰাট কোহলিৰ পৰিৱৰ্তে ৰোহিতেই এই মুহূৰ্তত প্ৰথম পছন্দ বুলিও প্ৰাক্তন স্পীনাৰজনে মন্তব্য কৰিছে।



উল্লেখ্য যে চলিত টি-২০ বিশ্বকাপৰ পাছতে কোহলিয়ে চমু সংস্কৰণৰ নেতৃত্ব ত্যাগ কৰিব। ইয়াৰ লগতে তেওঁক এদিনীয়া দলৰ নেতৃত্বৰ পৰাও আঁতৰ কৰা হ'ব পাৰে বুলি সম্প্ৰতি চৰ্চা হৈছে। ইতিমধ্যেই বৰ্তমানৰ নিৰ্বাচক মণ্ডলীয়ে স্পষ্ট কৰিছে যে কোহলিৰ পৰিৱৰ্তে টি-২০ দলৰ দায়িত্ব বহন কৰিব ৰোহিতে। কিন্তু সিঙে মন্তব্য কৰিছে যে ৰোহিতক কম সময়ৰ বাবেহে উক্ত দায়িত্বৰ বাবে ভবা উচিত। 'ৰোহিত ভাল পছন্দ, তেওঁ অন্যতম শ্ৰেষ্ঠ বেটাৰ। অৱশ্যে নিৰ্বাচকে এতিয়াই এটা বিষয় স্থিৰ কৰিব লাগিব। তেওঁলোকে ৰোহিতক দুটামান বছৰলৈ (২০২৩ৰ এদিনীয়া বিশ্বকাপ পৰ্যন্ত) নেতৃত্ব দিব নে দীৰ্ঘদিনলৈ দলক নেতৃত্ব দিব পৰা আন কাৰোবাক বিচাৰিব, সেয়া স্থিৰ কৰিব লাগিব।' প্ৰাক্তন নিৰ্বাচকজনে লগতে কয় যে দীৰ্ঘদিনৰ কথা চিন্তা কৰি অধিনায়ক নিৰ্বাচন কৰিলে কে এল ৰাহুল বা ঋষভ পণ্ট সঠিক বিকল্প হ'ব। গতিকে দুয়োকে এতিয়াৰ পৰাই সাজু কৰা উচিত বুলিও সিঙে কয়।



পেৰিছ মাষ্টাৰ্ছ টেনিছৰ খেলৰ এটি মুহূৰ্তত ন'ভাক ড'ক'ভিচ।

# প্ৰাইজমানি ফুটবল হাজোত

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বৰহাৰদিয়াত অহা সাত নৱেম্বৰৰ পৰা আয়োজন কৰা হৈছে জৰ্জ ডেভিদ ঠাকুৰীয়া আৰু সত্যৰাম কলিতা সোঁৱৰণী আমন্ত্ৰণমূলক প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ নগদ ২০ হেজাৰ টকা আৰু ট্ৰফী। দ্বিতীয় পুৰস্কাৰ নগদ ১০ হেজাৰ টকা আৰু ট্ৰফী। ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈক নগদ দুহেজাৰ টকাৰ লগতে ট্ৰফী আৰু শ্ৰেষ্ঠ গ'লৰক্ষকক নগদ ১৫শ টকাৰ লগতে ট্ৰফী প্ৰদান কৰা হ'বা। খেলৰ ভৰ্তি মাচুল নগদ এহেজাৰ টকা নিৰ্ধাৰণ কৰা হৈছে। খেলত অংশগ্ৰহণ কৰা দলসমূহক খেল পৰিচালনা সমিতিৰ সভাপতি ত্ৰৈলোক্য কলিতা আৰু সম্পাদক অংকুমণি কলিতাই ৭০০২৮-৬৭০৫৮, ৬০০১৬-১৫৩০৮ আৰু ৭০০২৯-০৭৩৯৫ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

## চেম্পিয়নছ লীগৰ খেলত লেৱানড'স্কিৰ জয় ঃ জুভেণ্টাছ প্ৰি-কোৱাৰ্টাৰত

# পুনৰ ৰোণাল্ডোৱেই ত্ৰাণকৰ্তা ইউনাইটেডৰ

**নিউজ ব্যুৰ'**

**মানচেষ্টাৰ, ৩ নৱেম্বৰ ঃ** পুনৰ মানচেষ্টাৰ ইউনাইটেডৰ বাবে ত্ৰাণকৰ্তাৰ ৰূপত অৱতীৰ্ণ হ'ল ক্ৰিষ্টিয়ানো ৰোণাল্ডো। চেম্পিয়নছ লীগত একেৰাহে তৃতীয়খন মেচত পৰ্তুগীজ মহাতাৰকাজনে ইংলিছ ক্লাবটোক পৰাজয়ৰ পৰা ৰক্ষা কৰিলে। কালি অনুষ্ঠিত গ্ৰুপৰ এখন খেলত ৰোণাল্ডোৱে অন্তিম ক্ষণত গ'ল দি ইটালীৰ ক্লাব আটলাণ্টাক জয়ৰ পৰা বঞ্চিত কৰে। দল দুটাৰ মাজৰ গ্ৰুপৰ দ্বিতীয় লেগৰ খেলখন ২-২ গ'লত ড্ৰ হয়।

উল্লেখ্য যে ইউৰোপৰ শীৰ্ষ ক্লাব প্ৰতিযোগিতাখনত একেৰাহে তিনিখন মেচৰ অন্তিম ক্ষণত গ'ল দি ৰোণাল্ডোৱে দলক পৰাজয়ৰ পৰা ৰক্ষা কৰে। ইয়াৰ পূৰ্বে তেওঁ ভিয়াৰিয়াল আৰু আটলাণ্টাৰ বিপক্ষে প্ৰথম পৰ্বৰ খেলৰ অন্তিম ক্ষণত গ'ল দি দললৈ জয় আনিছিল। কালিৰ খেলখনত জ'ছেপ ইলিছিছে গ'ল দি আটলাণ্টাক আগুৱাই নিয়াৰ পাছত প্ৰথমাৰ্ধৰ্ৰ অতিৰিক্ত সময়ত ৰোণাল্ডোৱে সমতা স্থাপন কৰে। দ্বিতীয়াৰ্ধৰ্ত আটলাণ্টাক পুনৰ আগুৱাই নিয়ে ডুভান জাপাটাই। এটা সময়ত ইটালীৰ ক্লাবটোৱে জয়ৰ সম্ভাৱনা উজ্জ্বল কৰি তুলিছিল। অৱশ্যে অতিৰিক্ত সময়ত ৰোণাল্ডোৱে পুনৰ গ'ল দি দলক উদ্ধাৰ কৰে। এই ড্ৰৰ জৰিয়তে ইউনাইটেডে গ্ৰুপত শীৰ্ষস্থান অক্ষুণ্ণ ৰাখিলে।

ইপিনে, ডায়নাম' কিয়েভৰ বিপক্ষে গ্ৰুপ মেচত কোনো মতে জয়লাভ কৰিলে বাৰ্চিলোনাই। খেলৰ ৭০ মিনিটত দলৰ হৈ জয়সূচক গ'লটো দিয়ে আনছু ফাতিৰে। অৱশ্যে খেলৰ অধিকাংশ সময়ত কিয়েভৰ খেলুৱৈয়ে আধিপত্য বিস্তাৰ কৰিছিল। বাৰ্চিলোনাৰ গ'লকীপাৰ মাৰ্ক আন্দ্ৰে টেৰ ষ্টেগেনে একাধিকবাৰ দুৰ্দান্তভাৱে গ'ল ৰক্ষা কৰিছিল। একেটা গ্ৰুপতে এক দুৰন্ত জয় অৰ্জন কৰিলে বেয়াৰ্ণ মিউনিখে। জাৰ্মান ক্লাবটোৱে বেনফিকাক ৫-২ গ'লত বিধ্বস্ত কৰে। চেম্পিয়নছ লীগৰ শততম মেচত অৱতীৰ্ণ হোৱা পোলেণ্ডৰ মহাতাৰকা ৰবাৰ্ট লেৱানড'স্কিয়ে বেয়াৰ্ণৰ হৈ দুৰ্দান্ত হেট্ৰিক অৰ্জন কৰে। চেম্পিয়নছ লীগত লেৱানড'স্কিয়ে এই পৰ্যন্ত এশখন খেলত ৮১টা গ'ল দিছে। ইফালে, সন্মানীয় প্ৰতিযোগিতাখনৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিলে জুভেণ্টাছে। ইটালীৰ ক্লাবটোৱে নিজৰ গ্ৰুপৰ এখন খেলত ৰাছিয়াৰ ক্লাব জেনিটক পাওল' ডিবালাৰ দুটা গ'লৰ সহায়ত পৰাজিত কৰে।



# টি-২০ ৰেংকিঙৰ শীৰ্ষত বাবৰ

**নিউজ ব্যুৰ'**

**ডুবাই, ৩ নৱেম্বৰ ঃ** আইচিচিৰ টি-২০ ৰেংকিঙৰ বেটিঙত শীৰ্ষস্থান অধিকাৰ কৰিলে পাকিস্তানৰ অধিনায়ক বাবৰ আজমে। চলিত টি-২০ বিশ্বকাপত তিনিটা অৰ্ধশতৰাণ অৰ্জনৰ সুবাদত তেওঁ ইংলণ্ডৰ বেটছমেন ডাৱিদ মালানক দ্বিতীয় ৰেংকিঙলৈ অপসাৰিত কৰে। উল্লেখ্য যে এদিনীয়া আন্তৰ্জাতিকৰ ৰেংকিঙতো বাবৰ এক নম্বৰত আছে। আনহাতে, ভাৰতীয় অধিনায়ক বিৰাট কোহলিয়ে পঞ্চম ৰেংকিং অক্ষুণ্ণ ৰাখিলে। আঠ নম্বৰত আছে কে এল ৰাহুল। শ্ৰীলংকাৰ বিপক্ষে শতৰাণ অৰ্জন কৰা ইংলণ্ডৰ অপেনাৰ জ'ছ বাটলাৰে কেৰিয়াৰৰ শ্ৰেষ্ঠ নৱম ৰেংকিঙলৈ অগ্ৰগতি অৰ্জন কৰে। উল্লেখ্য যে বলিঙৰ শীৰ্ষ ১০ত এজনো ভাৰতীয় বলাৰ নাই।

# নলবাৰীত আছুৰ দিবা-নৈশ ভলীবলৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩ নৱেম্বৰ ঃ** নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত তথা উত্তৰ-পূব খাতা শাখা ছাত্ৰ সন্থাৰ সহযোগত অহা সাত-আঠ নৱেম্বৰত কৃতী শিক্ষক প্ৰয়াত গিৰিধৰ ডেকা সোঁৱৰণী অসম ভিত্তিক আমন্ত্ৰণমূলক প্ৰাইজমানি দিবা-নৈশ ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। পূব নলবাৰীৰ উত্তৰ-পূব খাতা বিদ্যাপীঠৰ খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাৰ বাবে ৰাজ্যৰ মুঠ নটা ভলীবল দলক আমন্ত্ৰণ জনোৱা বুলি পৰিচালনা সমিতিৰ সভাপতি নৃপেন দাস, কাৰ্যকৰী সভাপতি অতুল পাঠক, সম্পাদক ভৱেশ ডেকা আৰু হিতেশ দাসে জনাইছে। আমন্ত্ৰিত দলকেইটা হৈছে সৰুসজাইৰ আৰোহণ ভলী ক্লাব, তেজপুৰৰ ৰেঙণী, তিনিচুকীয়া ৰেল দল, মঙলদৈৰ হাজৰিকাপাৰা দল, পূব নলবাৰী কোচিং চেণ্টাৰ, পকোৱা সুনীতি সংঘ, বৰবৰী ভলীবল কোচিং চেণ্টাৰ, কেন্দুকুছি ভলীবল কোচিং চেণ্টাৰ আৰু নলবাৰী ভলীবল ক্লাব। দলসমূহক সঠিক সময়ত খেলপথাৰত উপস্থিত হ'বলৈ আহ্বান জনোৱাৰ লগতে ইতিমধ্যে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হোৱা বুলি আয়োজকে জনাইছে। সাত নৱেম্বৰৰ পুৱা আছুৰ পতাকা উত্তোলন, ছহিদ বেদীত বন্তি প্ৰজ্বলন-মাল্যাৰ্পণ, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আদিৰে কাৰ্যসূচী আৰম্ভ হ'ব। প্ৰয়াত ডেকাৰ পত্নী মিনু ডেকা, পুত্ৰ ত্ৰিদীপ ডেকা আৰু কন্যা ভূপাখি ডেকা উপস্থিত থাকিব। ইয়াৰ পাছতে এখন প্ৰীতি ভলীবল খেল অনুষ্ঠিত হ'ব বুলি নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল বৰ্মন আৰু সম্পাদক নৱ কুমাৰ ডেকাই জনাইছে। বিয়লি তিনি বজাত প্ৰতিযোগিতা উদ্বোধন কৰিব ভাৰতীয় ভলীবল দলৰ প্ৰাক্তন অধিনায়ক অভিজিৎ ভট্টাচাৰ্যই। আনহাতে, ফাইনেলখন উদ্বোধন কৰিব আছুৰ উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্যই। প্ৰতিযোগিতাত চেম্পিয়ন দলক নগদ সাত হেজাৰ আৰু ৰাণাৰ্ছআপ দলক নগদ পাঁচ হেজাৰ টকা প্ৰদান কৰাৰ লগতে শ্ৰেষ্ঠ খেলুৱৈ, শ্ৰেষ্ঠ লিফটাৰ, শ্ৰেষ্ঠ স্মেচাৰ সন্মান লাভ কৰা খেলুৱৈকো নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব।

# অসম জুডোত নগাঁৱৰ ১৯ খেলুৱৈৰ সাফল্য

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ নৱেম্বৰ ঃ** কাৰ্বি আংলঙত অনুষ্ঠিত দুদিনীয়া সদৌ অসম জুডো চেম্পিয়নশ্বিপ কালি সমাপ্ত হয়। এই প্ৰতিযোগিতাত নগাঁও জিলা দলক প্ৰতিনিধিত্ব কৰা ১৯গৰাকী জুডোকাই সাফল্য অৰ্জন কৰিবলৈ সক্ষম হয়। ল'ৰাৰ ছাব জুনিয়ৰ শাখাত নগাঁৱৰ প্ৰেমেশ্বৰ বসুমতাৰীয়ে ৰূপ আৰু ছামৰেল বসুমতাৰীয়ে ব্ৰঞ্জৰ পদক পায়। ছাব জুনিয়ৰ ছোৱালীৰ শাখাত উৰ্মিলা বসুমতাৰী আৰু সুমাইৰাণী বসুমতাৰীয়ে স্বৰ্ণপদক জয় কৰাৰ উপৰি সুমাইনা পাটৰ আৰু শৰ্মিলা বসুমতাৰীয়ে ৰূপৰ পদক অৰ্জন কৰে। কেডেট ল'ৰাৰ শাখাত এজনে ৰূপ আৰু দুজনে ব্ৰঞ্জ অৰ্জন কৰাৰ বিপৰীতে কেডেট ছোৱালীৰ শাখাত মনাকা বসুমতাৰীয়ে সোণৰ পদক জয় কৰে। উক্ত শাখাত আন এগৰাকীয়ে ৰূপ আৰু তিনি গৰাকীয়ে ব্ৰঞ্জৰ পদক পায়। ১৮ বছৰ ঊৰ্ধ্ব আৰু ২১ বছৰ অনূৰ্ধ্বৰ ল'ৰাৰ শাখাত ৰংজালু বসুমতাৰীয়ে ৰূপ আৰু জুকিল দৈমাৰীয়ে ব্ৰঞ্জ পায়। ছোৱালীৰ শাখাত লিলিমা দৈমাৰী আৰু সুমন খাখলাৰীয়ে ৰূপৰ পদক জয় কৰে। জ্যেষ্ঠ শাখাত ৰাজকুমাৰ স্বোৱাৰগাৰে ব্ৰঞ্জ অৰ্জন কৰে। আনহাতে, মনাকা বসুমতাৰীয়ে শ্ৰেষ্ঠা জুডোকাৰ সন্মান অৰ্জন কৰে বুলি নগাঁও জিলা জুডো সন্থাৰ সভাপতি ফিৰোজ হুছেইনে জনাইছে।

# ছেমিত প্ৰৱেশ পাকিস্তানৰ

## পুনৰ শতকীয় যুটি বাবৰ-ৰিজৱানৰ

**নিউজ ব্যুৰ'**


**আবু ঢাবি, ৩ নৱেম্বৰ ঃ** টি-২০ বিশ্বকাপৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰিলে পাকিস্তানে। যোৱা নিশাৰ খেলত আন্তৰ্জাতিক ক্ৰিকেটৰ 'শিশু দল' নামিবিয়াৰ বিপক্ষে পাকিস্তানে ৪৫ ৰাণৰ ব্যৱধানত জয়লাভ কৰে। এই জয়ৰ দ্বাৰা দলটোৱে গ্ৰুপ 'দুই'ত শীৰ্ষস্থানো প্ৰায় নিশ্চিত কৰিলে।

প্ৰথমে বেটিং কৰি পাকিস্তানে দুই উইকেটৰ বিনিময়ত ১৮৯ ৰাণ কৰে। প্ৰত্যুত্তৰত নামিবিয়াই যুঁজাৰু মানসিকতাৰ পৰিচয় দি পাঁচ উইকেটত ১৪৪ ৰাণ সংগ্ৰহ কৰে যদিও সেয়াই যথেষ্ট নহ'ল। নামিবিয়াৰ ডেভিদ ৱেইজে ৪৩ ৰাণত অপৰাজিত থকাৰ বিপৰীতে ক্ৰেইগ উইলিয়ামছে ৪০ ৰাণ কৰে। ইয়াৰ পূৰ্বে পাকিস্তানৰ অধিনায়ক বাবৰ আজম আৰু মহম্মদ ৰিজৱানে অপেনিং যুটিত ১১৩ ৰাণ যোগ দিয়ে। বাবৰে ৪৯টা বলত ৭০ ৰাণ কৰি আউট হোৱাৰ বিপৰীতে ৰিজৱানে ৫০টা বলত ৭৯ ৰাণ কৰি অপৰাজিত হৈ ৰয়। দুয়ো ভাৰতৰ বিপক্ষেও শতকীয় যুটি গঢ়িছিল। যোৱা নিশা বাবৰ আৰু ৰিজৱানে টি-২০ আন্তৰ্জাতিক ক্ৰিকেটৰ প্ৰথম যুটিৰূপে এটা কেলেণ্ডাৰ বৰ্ষত হেজাৰ ৰাণ সম্পূৰ্ণ কৰে। চলিত বৰ্ষত দুয়ো এই পৰ্যন্ত চাৰিটা শতকীয় যুটি গঢ়িছে। তেওঁলোকৰ উপৰি মহম্মদ হাফিজে ১৬টা বলত ৩২ ৰাণ কৰি অপৰাজিত হৈ ৰয়।

# ৰাভা হাছং ছহিদ ফুটবলত মাজ-জাখিলী চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ৩ নৱেম্বৰ ঃ** মাজ-জাখিলী বামুৰ্দাই ফুটবল ক্লাবে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত দুধনৈত আয়োজিত ৰাভা হাছং ছহিদ সোঁৱৰণী ট্ৰফী ফুটবলৰ খিতাপ অৰ্জন কৰিছে। আজিৰ ফাইনেলত মাজ-জাখিলীয়ে ৰংজুলিৰ ডিনিক ফুটবল ক্লাবক ৬-৫ গ'লৰ ব্যৱধানত পৰাজিত কৰে। মাজ-জাখিলীৰ ৰিতু ৰাভাই প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ আৰু ৰংজুলিৰ বিপ্লৱ ৰাভাই সৰ্বাধিক গ'লদাতাৰ সন্মান অৰ্জন কৰে।



## একেখন টি-২০ বিশ্বকাপত তিনিটা অৰ্ধশতক

# নজিৰ স্থাপন পাক অধিনায়কৰ

**নিউজ ব্যুৰ'**

**ডুবাই, ৩ নৱেম্বৰ ঃ** সমগ্ৰ পাকিস্তান দলৰ লগতে অধিনায়ক বাবৰ আজমো চলিত টি-২০ বিশ্বকাপত দুৰ্দান্ত ফৰ্মত আছে। যোৱা নিশা নামিবিয়াৰ বিপক্ষে গ্ৰুপ মেচত বাবৰে ৭০ ৰাণৰ এক অনবদ্য ইনিংছ উপহাৰ দি এক বিশেষ নজিৰ স্থাপন কৰিলে। চলিত টি-২০ বিশ্বকাপত তেওঁ এই পৰ্যন্ত তিনিটা অৰ্ধশতৰাণ অৰ্জন কৰিছে। এখন টি-২০ বিশ্বকাপত প্ৰথমবাৰলৈ কোনো অধিনায়কে এই কৃতিত্ব অৰ্জন কৰিলে। ইয়াৰ পূৰ্বে বাবৰে ভাৰত আৰু আফগানিস্তানৰ বিপক্ষে অৰ্ধশতৰাণ কৰিছিল।



উল্লেখ্য যে অধিনায়কৰূপে ক্ৰিছ গেইল আৰু কুমাৰ ছাংগাক্কাৰাৰো টি-২০ বিশ্বকাপত তিনিটাকৈ অৰ্ধশতৰাণ আছে। অৱশ্যে তেওঁলোকে পৃথক বিশ্বকাপত এই কৃতিত্ব অৰ্জন কৰিছিল।ৱেষ্টইণ্ডিজৰ অধিনায়কৰূপে গেইলে ২০০৯ত দুটা আৰু ২০১০ত এটা অৰ্ধশতক অৰ্জন কৰিছিল। সেইদৰে শ্ৰীলংকাৰ অধিনায়কৰূপে ছাংগাক্কাৰাৰ বেটৰ পৰা ২০০৯ত দুটা আৰু ২০১০ত এটা অৰ্ধশতৰাণ আহিছিল।

# টীয়কৰ স্প'ৰ্টছ ভেলী চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা**

**টীয়ক, ৩ নৱেম্বৰ ঃ** স্প'ৰ্টছ ভেলী, টীয়ক ফুটবল দৰে পীড়াকটা ক্ৰীড়া সন্থাৰ উদ্যোগত আয়োজিত লক্ষেশ্বৰ মাহত্ব সোঁৱৰণী ট্ৰফী আৰু প্ৰাইজমানি ফুটবলৰ খিতাপ অৰ্জন কৰিছে। আজিৰ ফাইনেলত চেম্পিয়ন দলটোৱে জামুগুৰি ফুটবল দলক পৰাজিত কৰে। প্ৰতিযোগিতাৰ খেলসমূহ পৰিচালনা কৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰেফাৰী পৱন পাঠক তথা মিনাৰাম দাস, অৰূপ গগৈ, অনিল শইকীয়া, বিমান সন্দিকৈ আৰু নন্দ বৰাই।

# স্কটলেণ্ডৰ বিপক্ষে কষ্টকৰ জয় কিৱিৰ

**নিউজ ব্যুৰ'**

**ডুবাই, ৩ নৱেম্বৰ ঃ** টি-২০ বিশ্বকাপৰ গ্ৰুপ 'দুই'ৰ খেলত স্কটলেণ্ডৰ বিপক্ষে কষ্টকৰ জয় সাব্যস্ত কৰিলে নিউজিলেণ্ডে। আজিৰ প্ৰথমখন খেলত কিৱি দলটোৱে ১৬ ৰাণত জয়ী হৈ ছেমিফাইনেলৰ সম্ভাৱনা উজ্জ্বল কৰিলে। প্ৰথমে বেটিং কৰি অপেনাৰ মাৰ্টিন গাপ্টিলৰ দুৰ্দান্ত প্ৰদৰ্শনেৰে নিউজিলেণ্ডে পাঁচ উইকেটৰ বিনিময়ত ১৭২ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আন্তৰ্জাতিক ক্ৰিকেটৰ 'শিশু দল' স্কটলেণ্ডে দুৰ্দান্ত প্ৰদৰ্শন আগবঢ়ায় যদিও মূৰকত পাঁচ উইকেটৰ বিনিময়ত ১৫৬ ৰাণত সীমাবদ্ধ হৈ ৰয়। দলটোৰ হৈ মাইকেল লীস্কে ২০টা বলত ৪২ ৰাণত অপৰাজিত হৈ ৰয়। অধিনায়ক মেথিউ ক্ৰছে ২৭, জৰ্জ মুন্সেই ২২ আৰু ৰিচি বেৰিংটনে ২০ ৰাণৰ বৰঙণি যোগায়। ইয়াৰ পূৰ্বে নিউজিলেণ্ডৰ হৈ ৯৩ ৰাণ কৰে গাপ্টিলে। অপেনাৰজনে ৫৬টা বলত ছটা বাউণ্ডেৰী আৰু সাতটা ছিক্সাৰ মাৰে। ইয়াৰ উপৰি গ্লেন ফিলিপছে ৩৩ ৰাণৰ অবদান আগবঢ়ায়।



PWD

অসম চৰকাৰ
লোকনিৰ্মাণ (পথ) বিভাগ

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

# প্ৰয়াস অবিৰত - জীৱনৰ গতি হ'ব ত্বৰান্বিত

## পূৰণ হ'ল গুৱাহাটীবাসীৰ দীৰ্ঘদিনীয়া সপোন





২০১৯-২০ বৰ্ষৰ এছ অ' পি ডিৰ অধীনত নিৰ্মিত

## ২ লেনযুক্ত উৰণীয়া সেতুৰ

# শুভ উদ্বোধন

ছুপাৰ মাৰ্কেট, জি এছ ৰোড, গুৱাহাটী

অভিলেখ সৃষ্টিৰে নিৰ্ধাৰিত ৩৬ মাহৰ পৰিবৰ্তে ২২ মাহতেই সম্পূৰ্ণ নিৰ্মাণকাৰ্য

### লক্ষ্য

- ছুপাৰ মাৰ্কেটৰ লগতে গণেশগুৰিৰ পৰা উৰণীয়া সেতুৰ মাজেৰে লাষ্টিগেটলৈ যান-জটৰ সমস্যা হ্ৰাস কৰা
- খানাপাৰাৰ পৰা গণেশগুৰিৰ দিশে মসৃণ যাতায়াত ব্যৱস্থা
- পল্টন বজাৰ-গণেশগুৰি দিশৰ প্ৰায় ৮০% যান-জটৰ সমস্যা হ্ৰাস
- খানাপাৰা-গণেশগুৰি দিশলৈ ৪৫% যান-জট হ্ৰাস কৰা
- লাষ্টিগেট-গণেশগুৰি দিশলৈ পথ যাতায়াত ব্যৱস্থা মসৃণ কৰা

- মুঠ প্ৰকল্প ব্যয় ঃ ১২৭.২০ কোটি টকা
- প্ৰকল্প সম্পূৰ্ণকৰণৰ নিৰ্ধাৰিত সময় ঃ ৩৬ মাহ
- প্ৰকল্পৰ আৰম্ভণি ঃ ডিচেম্বৰ, ২০১৯
- উৰণীয়া সেতুৰ মুঠ দৈৰ্ঘ্য ঃ ১২০৫.০০ মিটাৰ

### পথ চলাচলৰ নিৰ্দেশনা

গণেশগুৰিৰ পৰা খানাপাৰালৈ ঃ উৰণীয়া সেতুৰে | গণেশগুৰিৰ পৰা লাষ্টিগেটলৈ ঃ উৰণীয়া সেতুৰে | খানাপাৰাৰ পৰা গণেশগুৰিলৈ ঃ উৰণীয়া সেতুৰ তলেৰে | খানাপাৰাৰ পৰা লাষ্টিগেটলৈ ঃ উৰণীয়া সেতুৰ তলেৰে | লাষ্টিগেটৰ পৰা গণেশগুৰিলৈ ঃ উৰণীয়া সেতুৰ তলেৰে

### সন্মানীয় উদ্বোধক

## ড° হিমন্ত বিশ্ব শৰ্মা

মুখ্যমন্ত্ৰী, অসম

### সন্মানীয় উপস্থিতি

শ্ৰীঅশোক সিংহল
মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ

শ্ৰীকুইন ওজা
সাংসদ, গুৱাহাটী লোকসভা সমষ্টি

শ্ৰীঅতুল বৰা
বিধায়ক, দিছপুৰ

শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য
বিধায়ক, গুৱাহাটী (পূব)

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা
বিধায়ক, গুৱাহাটী (পশ্চিম)

**৪ নৱেম্বৰ, ২০২১**
**পুৱা ১১ বজা**

জনসংযোগ/ডি/৮৬৯৭/২১

লোকনিৰ্মাণ (পথ) বিভাগ, অসম